সোণাৰি মহাবিদ্যালয়ৰ বাৰ্ষিক মুখপত্ৰ

# সোণালী

২০০৭-০৮ বৰ্ষ



সম্পাদকঃ
শ্যামন্ত কুমাৰ বড়া

# সোণালী

## সোণাৰি মহাবিদ্যালয় আলোচনী

একৈশতম সংখ্যা ঃঃ ২০০৭-২০০৮

প্ৰতি,

..............................................................

.........................................................

**SONARI COLLEGE MAGAZINE**

Volume Number :: XXI :: 2007-2008

সম্পাদক ঃ শ্যামন্ত কুমাৰ বড়া

**Sonari College Journal : Vol - XXI, 2007-2008**
*Edited by Shyamanta Kumar Borah & Published by Sonari College Students' Union, 2007-2008 on behalf of the Sonari College, Sonari, Sivasagar - 785690*

সোণাৰি মহাবিদ্যালয় আলোচনী

| | | |
|---|---|---|
| সম্পাদনা সমিতি | : | শ্ৰীযুক্তা ৰতিপ্ৰভা গগৈ<br>শ্ৰীযুত সুনীল দত্ত<br>শ্ৰীযুত পৰাগন কোঁৱৰ<br>শ্ৰীযুত ৰঘুনাথ কাগযুং |
| সম্পাদক | : | শ্ৰীশ্যামন্ত কুমাৰ বড়া |
| বেটুপাত | : | শ্ৰী বিশ্বজিৎ গগৈ (ডিব্ৰুগড়)<br>জে. চি. মহন (সোণাৰি) |
| অংগসজ্জা | : | শ্ৰী বিশ্বজিৎ গগৈ (ডিব্ৰুগড়) |
| প্ৰকাশক | : | সোণাৰি মহাবিদ্যালয় ছাত্ৰ একতা সভা |
| প্ৰকাশ কাল | : | ২০০৭-২০০৮ |
| মুদ্ৰণ | : | 'চি-প্ৰইন্ট'<br>( বে-চৰকাৰী সংস্থা 'জাপি' কম্পিউটাৰ বিভাগ )<br>ৰজাটোপ, সোণাৰি,<br>শিৱসাগৰ পিন : ৭৮৫৬৯০<br>ফোন : (৯৪৩৫৩-৫৮৩৪৫/৯৮৫৪৩-০০৫৬৬/৯৯৫৪৬০২৫০১) |




## সূচীপত্ৰ


বিষয় — পৃষ্ঠা নং

- অধ্যক্ষৰ কলম ✍ ড০ ৰাজেন তামুলী ... ৫
- সম্পাদকৰ মেজৰ পৰা ✍ শ্যামন্ত কুমাৰ বড়া ... ৬
- প্ৰবন্ধ
  - চিত্ৰলতা ফুকনৰ অৰুন্ধতী আৰু নাৰীবাদ ... ✍ ৰতিপ্ৰভা গগৈ ... ৭
  - বিশ্ববিখ্যাত মাদাৰ টেৰেছা ✍ নিজৰা হুচেইন ... ১১
  - নীলচ ব'ৰ : এটি অৱলোকন ✍ শ্ৰী উৎপল চাংমাই ... ১৩
  - জেচাচৰ প্ৰথম দৰ্শন আৰু একুঁৰি অনুভৱ ✍ শ্ৰী ঋতুপৰ্ণ চুতীয়া ... ১৬
  - অসমীয়া কবিতাত শেৱালী কবি..... ✍ শ্ৰীমতী স্মৃতা বৰুৱা ... ১৮
- অনুভৱ
  - অক্ষৰ ধামত এখোজ ✍ ৰাণী দেৱী ... ২১
- গল্প
  - সৰা ফুল মৰহি যা ✍ খগেন কোঁৱৰ ... ২৩
  - নাম থলো তোমাৰ জোনালী ✍ কৰণ থাপা ... ২৫
  - প্ৰেম...... মাথো অনুভৱ ✍ জোনালী বিশ্বকৰ্মা ... ২৭
  - বৃন্তচ্যুত শেৱালী ✍ ডৰিণ গগৈ ... ৩১
  - অক্টোপাছ ✍ মহেন্দ্ৰ বড়া ... ৩৪
  - অন্ধকাৰৰ উচুপনি ✍ আনচিং পাংগিং ... ৩৮
  - অপৰাহ্নৰ অনুভৱবোৰ ✍ সংগীতা গগৈ ... ৪১
  - 'যৌতুক' এটা বিভীষিকা ✍ শ্ৰীমতী ময়ুৰী দেৱী ... ৪৩
  - ট্ৰেইনত লগ পোৱা বাদুলীজনী ✍ শ্ৰী দেৱজিৎ চেতীয়া ফুকন ... ৪৪
- কবিতা—
  - বন্ধুত্ব ✍ শ্ৰীমতী মুনমী গগৈ ... ৪৭

বিষয় — পৃষ্ঠা নং

- আশা ✍ মৃদুলা চুতীয়া ... ৪৮
- স্মৃতিৰ ছাঁ ✍ নমিতা ফুকন ... ৪৮
- বিধস্ত প্ৰহৰ ✍ শ্ৰীমতী পৰী গগৈ ... ৪৯
- মৃদু অনুভৱ ✍ মৃদুল শৰ্মা ... ৫০
- গোপন ব্যাধি ✍ প্ৰাৰিতা সন্দিকৈ ... ৫০
- বিষাদৰ চকুলো ✍ আনচিং পাংগিং ... ৫১
- কবিতা ✍ চিৰন্তন গগৈ ... ৫২
- জীৱনটোৰেইটো এটা সপোন ✍ যুগান্ত দীপ গগৈ ... ৫২
- তোমাৰ শূন্যতাত ✍ চিৰঞ্জীৱ কটকী ... ৫৩
- এন্দাৰ ✍ সুৰুজ বড়া ... ৫৩
- আতংকৰ এদিন ✍ মৃদুল শৰ্মা ... ৫৪
- জীৱনটোৰেইটো লক্ষ্য হেৰুৱা নাঁও ✍ পুলীন কোঁৱৰ ... ৫৪
- দুঃস্বপ্ন ✍ কল্পশ্ৰী বুঢ়াগোঁহাই ... ৫৫
- ৰঙীন সপোনবোৰ ✍ ডলী ৰাণী বৰুৱা ... ৫৫
- কেৱল তোমাৰ বাবেই ✍ সবিতা মহান্তী ... ৬৫
- অন্ন ✍ মুনমী বৰুৱা ... ৫৭
- জীৱন ✍ দুদুল চাংমাই ... ৫৮
- অনুভৱ ✍ পল্লৱী চাংমাই ... ৫৮
- দুটি মনৰ স্মৃতি ✍ তুলিকা চাংমাই ... ৫৯
- জীৱন গীত ✍ মহেন্দ্ৰ বড়া ... ৫৯
- উপলব্ধি ✍ মিছ আঞ্জুম আৰা হক ... ৬০
- তৰাবে বুটা বচা আকাশখন ✍ স্মৃতা বৰুৱা ... ৬১
- অপেক্ষা......(তোমালৈ) ✍ দিপাকংৰ বুঢ়াগোঁহাই ... ৬২
- উপলব্ধি দুঃসময়ৰ ✍ আদিত্য বড়ো ... ৬৩
- তোমাৰ কোলাত ✍ বিতুপন গগৈ ... ৬৪

বিষয় — পৃষ্ঠা নং

- প্ৰকৃতি এটা স্তৱক ✍ ময়ুৰী দেৱী.. ৬৫
- পাৰ্থক্য ✍ নৱীমাধৱ ফুকন.. ৬৬
- ৰৰষুণ ✍ নৱীমাধৱ ফুকন.. ৬৬

❑ ENGLISH SECTION

EASSY

- TSUNAMI, Volcano, Earthquakes, Tornado ✍ *Sri Khanjan Kr. Boruah......* 67
- Our Vanishing Biodiversity ✍ *Chiranjib Kotoky.....* 72
- Sunita Williams ✍ *Miss Pinky Maliya......* 73
- English language Learning & Teaching ✍ *Mis Mandita Rajkumari..* 74
- Religion ✍ *Miss Sunny Bowri..* 76

❑ POEMS

- We Shall Build ✍ *Miss Romma Kakoty..* 79
- Way of Success ✍ *Miss Eurupa Boruah..* 80
- Oh! My Lord ✍ *Miss Sunny Bawri..* 81
- Do not wait ✍ *Miss Pinki Maliya...* 82
- It's true ✍ *Master Protim Dey...* 82
- Hope Your Heart ✍ *Chow Hansang Konwar..* 83

❑ প্ৰতিবেদন

- সাধাৰণ সম্পাদকৰ প্ৰতিবেদন ✍ অমিৰঞ্জন পাংগিং... ৮৫
- অঃ সাধাৰণ সম্পাদকৰ প্ৰতিবেদন ✍ শ্ৰীবাসৱ প্ৰতিম ভূঞা... ৮৬

বিষয় — পৃষ্ঠা নং

- সাংস্কৃতিক সম্পাদকৰ প্ৰতিবেদন ✍ শ্ৰী মানস প্ৰতিম গগৈ.. ৮৭
- গুৰু খেল বিভাগৰ সম্পাদকৰ প্ৰতিবেদন ✍ শ্ৰী সন্দীপ বুঢ়াগোঁহাই. ৮৮
- লঘু খেল বিভাগৰ সম্পাদকৰ প্ৰতিবেদন ✍ শ্ৰীপ্ৰাঞ্জল গগৈ... ৯০
- সংগীত বিভাগৰ সম্পাদকৰ প্ৰতিবেদন ✍ শ্ৰীলাতুমণি গগৈ.. ৯১
- তৰ্ক বিভাগৰ সম্পাদকৰ প্ৰতিবেদন ✍ শ্ৰীঅমল বাউৰী. ৯২
- সমাজসেৱা বিভাগৰ সম্পাদকৰ প্ৰতিবেদন ✍ শ্ৰীতন্ময় গৌতম বৰুৱা.. ৯৩
- ছাত্ৰ জিৰণীচৰা বিভাগৰ সম্পাদকৰ প্ৰতিবেদন ✍ শ্ৰী নিতু গগৈ.. ৯৩
- শৰীৰ চৰ্চা বিভাগৰ সম্পাদকৰ প্ৰতিবেদন ✍ শ্ৰী প্ৰনৱ জ্যোতি গগৈ... ৯৪

❑ অনুভৱৰ একলম

- বিদায়ৰ প্ৰাক্‌ক্ষণত ✍ শ্ৰীমতী পৰী গগৈ. ৯৫
- বিদায়ৰ এটি অনুভৱ ✍ শ্ৰীমতী মৃদুলা চুতীয়া... ৯৬
- বিদায় এটি অনুভৱ ✍ পূৰ্ণিমা চুতীয়া... ৯৬
- বিদায় ক্ষণত স্মৃতিৰ পাতত একলম ✍ সুনীতা মহন.. ৯৭
- বিদায় পৰত ✍ গিৰিণ গগৈ.. ৯৮
- বিদায় এটি অনুভৱ ✍ মৃদুল শৰ্মা .. ৯৮
- বিদায়ৰ এটি অনুভৱ ✍ নিজাম হুছেইন... ৯৯
- বিদায়ৰ ক্ষণত ✍ মহেন্দ্ৰ বড়া... ১০০

❑ ছাত্ৰ একতা সভাৰ বাৰ্ষিক প্ৰতিবেদন.. ১০১

❑ সোণাৰী মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ (২০০৭-২০০৮ বৰ্ষ) সমূহ বিষয়ববীয়া...... ১০৪






# অধ্যক্ষৰ কলম

✍ *ড০ ৰাজেন তামুলী,*
সোণাৰি মহাবিদ্যালয়।

শিক্ষাৰ সংজ্ঞা বহুতো মণিষীয়ে বিভিন্ন ধৰণে আগবঢ়ালেও প্ৰকৃত শিক্ষাৰ উদ্দেশ্য হৈছে সমাজত মানুহ হিচাপে প্ৰতিষ্ঠিত হোৱাটো। তাৰ বাবে লাগিব আত্মবিশ্বাস, আত্মবিশ্লেষণ আৰু আত্মসজাগতা। আত্মবিশ্বাস আনিবলৈ যথেষ্ট অধ্যয়ণৰ প্ৰয়োজন আৰু জীৱনৰ প্ৰতিটো খোজত এই অধ্যয়ণ বিলাক বিশ্লেষণ কৰিলেই জীৱন গঢ়াৰ পথ সহজলভ্য/প্ৰশস্ত হৈ পৰে। সকলো শিক্ষিত মানুহ জ্ঞানী হ'ব নোৱাৰে। জ্ঞানী হ'বলৈ যথেষ্ট পৰিশ্ৰম কৰিব লাগিব। যি নিজৰ পৰিশ্ৰমৰ দ্বাৰাই জগতত প্ৰতিষ্ঠিত হ'ব। তেওঁৱেই আটাইতকৈ শক্তিশালী লোক বুলি বিবেচিত হয় তেওঁ প্ৰতিভাৰ জুইকুৰা নিজে জলায়। এনে প্ৰতিভাবান ব্যক্তিয়েই সমাজত আদৰ পায়। তেনে ব্যক্তিয়েই অনুকৰণীয়। শিক্ষানুষ্ঠান বিলাকত শিক্ষাহে দিয়া হয়। জ্ঞান লাভ কৰাৰ উপায় ছাত্ৰ-ছাত্ৰীবিলাকে নিজে আহৰণ কৰিব লাগিব। ভগৱানক আৰাধনা কৰিবলৈ যেনেকৈ মন্দিৰলৈ এটা সাত্বিক মন লৈ যোৱা হয় শিক্ষানুষ্ঠানত প্ৰৱেশ কৰোতেও এটা সুস্থ মন লৈ জ্ঞান লাভ কৰিবলৈ অহাটো বাঞ্চনীয়। বিখ্যাত ভেঙ্কটেশ্বৰ মন্দিৰলৈ প্ৰৱেশ কৰিবলৈ হ'লে প্ৰায় ৫০ কিলোমিটাৰ আঁতৰৰ পৰাই ৰাগীয়াল বস্তু যেনে পাণ-তামোল, বিৰি-চিগাৰেট নিয়াটো নিষিদ্ধ কৰা হৈছে। আমাৰ ছাত্ৰ-ছাত্ৰী সকলেও শিক্ষানুষ্ঠানলৈ আহিলে যাতে কোনো ধৰণৰ চিখৰ জাতীয় গুটখা চুবাই নাহে তাৰ কাৰণে মন কৰা উচিত। গুটখাৰ দুৰ্গন্ধে গোটেই শিক্ষানুষ্ঠানৰ পৰিৱেশটোৱেই বিনষ্ট কৰি তোলে। পৰিৱেশ আৰু বাতাবৰণ এই দুয়োটাই শিক্ষানুষ্ঠানত বৰ্তি থাকে তালৈ মন কৰা উচিত।

উচ্চ শিক্ষা লাভ কৰিবলৈ অহা প্ৰতিগৰাকী শিক্ষাৰ্থীয়ে এবুকু আশা লৈ শিক্ষানুষ্ঠানত প্ৰৱেশ কৰে। সাফল্যৰ মাপ কাঠিয়ে আশাৰ ৰেঙণি আনি দিয়ে। পৰিয়ালৰ প্ৰতিজন লোকেই ছাত্ৰ-ছাত্ৰীৰ ভৱিষ্যত সম্বন্ধে উদ্বিগ্ন হৈ থাকে। পিতৃ-মাতৃৰ মান-মৰ্য্যদা অক্ষুন্ন ৰখাৰ ওপৰিও ছাত্ৰ-ছাত্ৰীগৰাকীৰ কৰণীয় কৰ্তব্য হ'ল শিক্ষানুষ্ঠানখনৰ ভাবমূৰ্তি উজ্বল কৰাটো। এখন শিক্ষানুষ্ঠানৰ ভাৱমূৰ্তি ঘৰ-দুৱাৰ বা বাহ্যিক ৰং-চঙৰ ওপৰত নিৰ্ভৰ নকৰে, কৰে মাত্ৰ পৰীক্ষাৰ ফলাফলে। ভাল ফলাফল পাবলৈ ছাত্ৰ-ছাত্ৰীগৰাকীৰ একক প্ৰচেষ্টাতহে শিক্ষানুষ্ঠানৰ মান উৰ্দ্ধগামী হয়। সেয়েহে ছাত্ৰ-ছাত্ৰীসকলে শিক্ষক সকলক শ্ৰদ্ধা, আনুগত্য ও সন্মান দেখুওৱা নিতান্ত প্ৰয়োজন। শিক্ষক ছাত্ৰৰ সু-সম্বন্ধই বিদ্যায়তনিক দিশত সৌষ্ঠৱ বৃদ্ধি কৰে।

কম্পিউটাৰ উদ্ভাৱন হোৱাৰ পৰাই তথ্য প্ৰযুক্তিৰ গুৰুত্ব বাঢ়ি গৈছে। তথ্য প্ৰযুক্তিয়ে গোটেই পৃথিৱীখন এখন গাঁৱলৈ পৰিণত কৰিছে। নিয়োগ নীতিৰ ক্ষেত্ৰত কম্পিউটাৰ সম্পৰ্কীয় শিক্ষাৰ চাহিদা বাঢ়ি গৈছে। বিল গেটছ্, আজিম প্ৰেমজী, নাৰায়ণ মূৰ্তি আদি বিশিষ্ট ব্যক্তিসকলৰ নাম সঘনাই উচ্চাৰিত হয়। তেওঁবিলাকৰ দ্বাৰা পৰিচালিত বহুজাতিক কোম্পানীবিলাকত লাখ লাখ শিক্ষিত যুৱক-যুৱতী চাকৰিত নিয়োগ হৈছে। বহুজাতিক কোম্পানীৰ চাকৰিৰ মকৰলে প্ৰচলিত বিশ্ববিদ্যালয়, মহাবিদ্যালয়ত শিক্ষাৰ ক্ষেত্ৰত আমূল পৰিৱৰ্তন আনিছে। এতিয়া শিক্ষা লোৱাৰ প্ৰধান্যতা হৈছে জীৱিকা নিৰ্বাহ কৰাটো। প্ৰচলিত শিক্ষাৰ বিষয় সমূহৰ ওপৰত বৰ্তমান ছাত্ৰ-ছাত্ৰীৰ আস্থা কমি আহিছে। সেয়েহে, কম্পিউটাৰ বিজ্ঞান, কম্পিউটাৰ প্ৰয়োগ, তথ্য প্ৰযুক্তি, ৱেব পেজ ডিজাইনিং ইত্যাদি বিষয় বিলাকে ছাত্ৰ-ছাত্ৰী বিলাকক আকৰ্ষণ কৰিবলৈ সক্ষম হৈছে। কিয়নো ছাত্ৰ-ছাত্ৰীৰ মাজত বদ্ধমূলক ধাৰণা যে এইবিলাক বিষয় পঢ়িলে নিয়োগৰ ক্ষেত্ৰত শতকৰা ১০০ ভাগ নিশ্চিত হ'ব পাৰি।

ওপৰত উল্লেখ কৰা বিষয়সমূহ আমাৰ নিচিনা মহাবিদ্যালয় বিলাকত খুলিবলৈ কিছু অসুবিধাৰ সন্মুখীন হ'ব লগাত পৰে। যেনে, আৰ্থিক সমস্যা, উপযুক্ত অৰ্হতাসম্পন্ন শিক্ষক, প্ৰয়োজনীয় ব্যৱহাৰিক কোঠা ইত্যাদি। আমি আশা ৰাখিছো অহা ৫ বছৰমানৰ ভিতৰত এনেবিলাক Job Oriented Professional Course খুলিবলৈ আমি সক্ষম হম। তেতিয়া হয়তো পৰিস্থিতা গগৈৰ নিচিনা বহুতো দুখীয়া ছাত্ৰীৰ উচ্চ শিক্ষা ল'বলৈ অহা জীৱনৰ সপোন বাস্তৱত পৰিণত হ'ব। আমি দৃঢ় সংকল্প যে আমাৰ ঐকান্তিক প্ৰচেষ্টাত আমি বহু বাধা হেলাৰঙে অতিক্ৰম কৰিব পাৰিম।

# সম্পাদকৰ মেজৰ পৰা



*শ্যামন্ত কুমাৰ বড়া*
সম্পাদক, আলোচনী বিভাগ।
সোণাৰি মহাবিদ্যালয়

সাহিত্য হৈছে এটা জাতিৰ দাপোণ স্বৰূপ। বৰলুইতৰ কেওপাৰত বিভিন্ন জাতি-জনজাতিৰ সংমিশ্ৰণত গঢ় লৈ উঠিছে আমাৰ ভাষা; সাহিত্য, সংস্কৃতি ....। গতিশীল সময়ত সংস্কৃতিৰ তাগিদাত সৃষ্টি হোৱা উৎকৃষ্ট সান্নিধ্যই হ'ল আধুনিক সাহিত্য। মাও চেং তুঙে কৈছিল —" ৰাজনৈতিক ভাৱে মুক্ত জন-জীৱনৰ অবিকল প্ৰতিফলনত সৃষ্টি হোৱা সাহিত্যই হ'ল প্ৰকৃত সাহিত্য।"

ফুলৰ অবিহনে পৃথিৱীখন উকা হোৱাৰ দৰে সাহিত্য অবিহনেও মানৱ জগত আধৰুৱা ...... সমাজ জীৱন আধৰুৱা ......। এখন সু-সমাজ গঢ়াত এজন সাহিত্যিকৰ অনবদ্য অৱদান কোনোকালেই নুই কৰিব নোৱাৰি। এখন সমাজত ব্যক্তিয়ে জীৱিকাৰ বাবে বিভিন্ন পন্থা অৱলম্বন কৰে। কোনোবাই ব্যৱসায়, কোনোবাই চাকৰি নাইবা কোনোবাই কৃষি কৰ্ম কৰে। ইয়াৰ উপৰিও বহুতে বৃত্তিমূলক কাম কৰে। যেনে, খেলুৱৈ, চিকিৎসক, মুচী, কমাৰ, তাঁতী, জ্যোতিষী, পৰামৰ্শদাতা ইত্যাদি। কামৰ সৰু বৰ নাই। প্ৰত্যেকজনৰে সমাজ এখনত সমানে প্ৰয়োজনীয়তা আছে। কচাই এজনে মাংস বিক্ৰী নকৰিলে, তাঁতীয়ে কাপোৰ নবলে, খেতিয়কে শস্য উৎপাদন নকৰিলে সমাজ নচলিব। চিকিৎসক, অভিযন্তা, শিক্ষক বা ব্যৱসায়ী এজন যিদৰে সমাজৰ প্ৰয়োজনীয় ব্যক্তি, সেইদৰে সাহিত্যিক এজনো কম প্ৰয়োজনীয় নহয়। পৰস্পৰে পৰস্পৰৰ ওপৰত ভৰসা কৰিয়েই জীৱন যুদ্ধত আগুৱাই যাব লগা হয়।

সাহিত্য সৃষ্টিৰ মূলতে হ'ল আবেগ-অনুভৱৰ প্ৰৱণতা। হৃদয়ৰ অনুভৱৰ প্ৰাৱল্য যিমানেই বেছি হয়, সিমানেই উৎকৃষ্ট সাহিত্যৰ সৃষ্টি হয়। অনুভৱ সৃষ্টি হয় শিক্ষাৰ মাধ্যমেদি। এটি শিশুৱে জন্মৰ পৰাই শিক্ষা আহৰণ কৰে। স্কুল কলেজৰ আনুষ্ঠানিক শিক্ষাৰ উপৰিও পিতৃ-মাতৃৰ ঘৰখন, সমাজখন এই সকলোবোৰেই হৈছে শিক্ষা-স্থল। আনকি এইবোৰত শিক্ষা আহৰণ কৰাৰ পাছতো আমাৰ শিকিব লগা আৰু বহুতো থাকি যায়।

শিক্ষাৰ উন্নত মানৰ লগতে উৎকৃষ্ট সাহিত্যৰ তেতিয়াহে সৃষ্টি হ'ব ; ভাষা, সাহিত্যৰ ভঁৰাল তেতিয়াহে চহকী হ'ব, যেতিয়া ভাষা-সংস্কৃতিৰ বিশ্লেষণাত্মক তথা অহোপুৰুষাৰ্থ চৰ্চা আৰম্ভ হ'ব। ৰাজনৈতিক বহিৰ্ভূত বৈজ্ঞানিক চিন্তা-চৰ্চাৰ লগতে আধুনকি ভাষা-সাহিত্যত মিশ্ৰিত হ'ব লাগিব স্বদেশ প্ৰেমৰ আকূল আহ্বান। থাকিব লাগিব জীয়াই থকাৰ অসীম প্ৰেৰণা। তাত প্ৰতিফলিত হ'ব লাগিব জাতিৰ মাটিৰ গোন্ধ।

এটা জাতিক বচাবলৈ হ'লে সেই জাতিটোৰ ভাষাৰ দ্বাৰাহে বচাব পৰা যাব। অসমীয়া ভাষাৰ অবিহনে অসমীয়া জাতিটো জীয়াই নাথাকে। যিহেতু অসমীয়া ভাষা অসমীয়া জাতিৰ এক অভেদ্য প্ৰাচীৰ, অসমীয়া ভাষা সংস্কৃতিৰ ভঁৰাল বাস্তৱ চিন্তা শক্তিৰ দ্বাৰাহে টনকীয়াল হ'ব। ইয়াৰ বাবে প্ৰয়োজন লেখক-সমালোচকৰ দ্বায়িত্ববোধ। অসম যদিও পিছপৰা তথাপি ই বৈচিত্ৰময়। বৰ্তমান অসমৰ কলা-কৃষ্টি পাশ্চাত্যৰ কলা-কৃষ্টিৰ ধামখুমীয়াত বিলুপ্তিৰ পথত বুলি ক'লেও ভুল কোৱা নহ'ব। অজ্ঞতাত উৎফুল্লিত হোৱা দেশৰ পৰাধীনতাৰ শিকলি ছিঙিছিল ১৯৪৭ চনত। কিন্তু ইয়াৰ বহুত আগতেও ৰূপকোঁৱৰে উদাত্ত কণ্ঠেৰে কৈছিল — "আজি শিল্পীয়ে প্ৰথমে সকলো ভয়, দুৰ্বলতা, ভ্ৰান্তি গচকি সুকুমাৰ কলাৰ অস্ত্ৰ লৈ সেই দুৰ্ভগীয়া জনতাৰ মাজতেই থিয় দিব লাগিব।"

বহু সমস্যাৰে জৰ্জৰিত অসমক ৰক্ষা কৰিবলৈ আগবাঢ়ি আহক ছাত্ৰ-ছাত্ৰীসকলে হাতত কলম লৈ। যি কলমৰ মুখেৰে নিসৃত হ'ব নিপীড়িত জনতাৰ ক্ষোভ-আক্ৰোশ। যি কলমে কথা ক'ব অযুত অন্ন-বস্ত্ৰ-বাসস্থানহীন জনতাৰ। যি কলমৰ মুখেদি নিগৰিব কৃষকৰ চকুৰ উত্তপ্ত বহ্নি। কলমেৰে যুঁজ দিয়ক অন্যায় অবিচাৰৰ বিৰুদ্ধে। কাৰণ কলমেৰেহে সাহিত্য-সংস্কৃতিৰ সৈতে থকা জাতিৰ নিবিড় সম্পৰ্কক ৰক্ষা কৰিব পৰা যাব আৰু তাৰ লগতেই ৰক্ষা পৰিব, "সুজলা সুফলা শস্য শ্যামলা অসমী আই ........।"





# প্ৰবন্ধ



প্ৰবন্ধ

# চিত্ৰলতা ফুকনৰ অৰুন্ধতী আৰু নাৰীবাদ

✍ ৰতিপ্ৰভা গগৈ
প্ৰৱক্তা

অসমীয়া উপন্যাস সাহিত্যলৈ চিত্ৰলতা ফুকনৰ 'অৰুন্ধতী' এক অনবদ্য অৱদান। বিষয় বস্তুৰ অভিনৱত্ব, কাব্যিক ব্যঞ্জনা, প্ৰাঞ্জল ভাষাৰ ব্যৱহাৰ আৰু ৰচনা ৰীতিৰ কলা-সন্মত প্ৰয়োগ তথা পৰিবেশৰ জীৱন্ত বৰ্ণনাৰে 'অৰুন্ধতী'য়ে অসমীয়া উপন্যাস সাহিত্যত এক সুকীয়া স্থান অধিকাৰ কৰিছে। উপন্যাসখনিৰ নাম-ভূমিকাত থকা অৰুন্ধতীৰ বৈচিত্ৰময় সংঘাত জৰ্জ্জৰিত জীৱন কাহিনী উপন্যাসখনিৰ প্ৰধান উপজীব্য।

'অৰুন্ধতী' অসমীয়া সাহিত্যৰ পৰম্পৰাগত নাৰী নহয়; এগৰাকী প্ৰতিবাদী বিদ্ৰোহী নাৰী। উপন্যাসখনিৰ দুৱাৰ ডলিতে 'জীৱন মুখী' দৃষ্টিভংগীৰ আভাস পোৱা যায়। স্থিতিশীলতাৰ পৰিৱৰ্তে গতিশীলতাৰ সমৰ্থনত নিৰলা বাইদেউৱে অৰুন্ধতীক সংসাৰ বন্ধনত আবদ্ধ হ'বৰ বাবে উপদেশ দিছে। জীৱন মানে নিসংগতা নহয়। অৰুন্ধতীয়ে জানে, হৃদয়েৰে অনুভৱ কৰে, তথাপি লেটেকুজান হাইস্কুল চৌহদৰ সৰু জুপুৰীটোত জীৱন যাপন কৰে অৰুন্ধতীয়ে?।

সোণতলী গাওঁ -- অৰুন্ধতীৰ সোণালী শৈশৱ, স্বপ্নময় কৈশোৰ আৰু যৌৱনৰ আদি ভূমি। লগৰীয়াৰ সতে উমলি-জামলি, দৌৰি-ঢাপৰি ফুৰা অৰুন্ধতীৰ ভৰিত শৃঙ্খল লাগিল। অৰুন্ধতী গাভৰু হ'ল। ষাঠী বছৰীয়া অভিজ্ঞতাৰে চুলি ৰূপালী কৰা আইতাকৰ উপদেশ -- "আগৰ দৰে ল'ৰি-ঢাপৰি ফুৰিলে নহ'ব; কথা-বতৰা, চাল-চলন গহীন হ'ব লাগিব।" অৰুন্ধতীৰ দেহলৈ যৌৱন আহিল। লগে লগে তাই লাভ কৰিলে নাৰী জীৱনৰ অমূল্য সম্পদ -- "জৰায়ুৰ উৰ্বৰতা"। কিন্তু "গাভৰু ছোৱালীয়ে জপাৰ কাপোৰে সমান।" যৌৱনে শৃঙ্খল হৈ সমস্ত দেহ আৱৰি ধৰিলে।

প্ৰথম যৌৱনত অৰুন্ধতীৰ তন্দ্ৰালসা গাভৰু মন জগাই তুলিলে বৌয়েকৰ ভায়েক গৌতমে। প্ৰৱেশিকা পৰীক্ষা দি বায়েকৰ ঘৰত ফুৰিবলৈ অহা গৌতমৰ সতে তাইৰ প্ৰথম দৰ্শনতে প্ৰেম উপজে। ঘৰত পঢ়ি পৰীক্ষা দিবলৈ সাজু হোৱা অৰুন্ধতীক গৌতমে "ডেভিদ কপাৰ্‌ফিল্ড" পঢ়াই ছিল। এটি অনুকূল পৰিবেশত গৌতম আৰু তাইৰ প্ৰেম গভীৰতালৈ গতি কৰিলে। কিন্তু প্ৰৱেশিকা পৰীক্ষা দিবৰ বাবে নগৰলৈ যোৱা পোন্ধৰ বছৰীয়া অৰুন্ধতীৰ জীৱনলৈ কাল অমানিশা নামি আহিল। দেউতাকৰ একালৰ বন্ধু পৰমা উকীলৰ ঘৰত থকাৰ বন্দোবস্ত হ'ল অৰুন্ধতীৰ। পৰীক্ষাৰ শেষৰ দিনা ভাগৰুৱা অৰুন্ধতীয়ে দুৱাৰৰ হুক নমৰাকৈয়ে টোপনিত লাল-কাল দিলে। সেই সুৱৰ্ণ সুযোগ গ্ৰহণ কৰিলে পৰমা উকীলৰ পুত্ৰ, তাইতকৈ বিশ বছৰে ডাঙৰ, চাপ্লাই ইন্সপেক্টৰ ৰণেনে। জীৱনৰ পৰম সম্পদ লুণ্ঠিত হৈ পোন্ধৰ বছৰীয়া "অৰু" ঘৰলৈ উভতি আহিল -- আন এটি দু-সংবাদৰ আধাৰ হৈ।

সৰুতে মাতৃ-হীনা লালিতা হৈছিল এৰি

মাতৃস্বৰূপা বুঢ়ী আইতাকৰ আঁচলৰ আঁৰত। সেই আইতাকৰ মৃত্যু হ'ল। এটাৰ পিছত এটাকৈ প্ৰৱল বন্যাই তাইৰ জীৱন চৌৱাই যাবলৈ ধৰিলে। আনহাতে তাইৰ গৰ্ভত একলা-দুকলাকৈ বাঢ়ি আহিল ভ্ৰষ্টাচাৰী ৰণেনৰ বীৰ্য্য। এহাতে চৰিত্ৰৰ কলংকৰ চেঁকা, আনহাতে গৰ্ভত বাঢ়ি অহা সন্তানৰ দায়িত্ব। পোন্ধৰ বছৰীয়া অৰুয়ে কেনেকৈ বহন কৰে? তাইৰ প্ৰতি গৌতমৰ প্ৰেম পূৰ্বৰ দৰে থাকিবনে; অথবা ৰণেনে সন্তানৰ পিতৃত্ব স্বীকাৰ কৰিবনে? অলেখ চিন্তাই জগতত তপোহৰৰ সন্ধান কৰিবলৈ মাথোন ওলাই আহিব খোজা অৰুন্ধতীক ঘোৰ অন্ধকাৰে গ্ৰাস কৰিলে। এনে এক অসহায় মুহূৰ্ত্তত মৃত্যুৰ বাদে আন বিকল্প এগৰাকী নাৰীৰ বাবে কি হ'ব পাৰে?

কিন্তু অৰুন্ধতীৰ জীৱনৰ আদৰ্শ 'কমিউনিষ্ট' চিন্তাধাৰাৰে উদ্বুদ্ধ, ভাৰতৰ স্বাধীনতা লাভক 'ইয়ে আজাদী ঝুঠা হ্যায়' বুলি কোৱা পিতৃ ইন্দ্ৰকান্তই প্ৰগতিবাদী চিন্তাধাৰাৰে জীয়েক অৰুন্ধতীক শিক্ষা দিছে -- "মৃত্যু নহয় সংগ্ৰাম কৰি জীয়াই থকাতহে মানুহৰ মহত্ব।" অন্যায়ৰ প্ৰতিবাদ কল্পে অৰুন্ধতী উপস্থিত হ'লগৈ মাকুমৰ ৰণেনৰ আস্থানত। ৰণেনৰ পৰা স্খলিত পুৰুষৰ স্বাভাৱিক উত্তৰেই তাই পালে। পুৰুষ প্ৰধান সমাজৰ প্ৰহসনত নাৰী সদায়েই আচামীৰ কাঠ গড়াত থিয় দিব লাগে। গাঁৱত মেল বহিল -- অন্তঃসত্বা অৰুন্ধতীৰ বিচাৰ। চৰিত্ৰহীন ছোৱালীৰ বদনামেৰে মুখৰিত ৰণেন আৰু ৰণেনৰ পিতৃ-মাতৃৰ দ্বাৰা অপমানিত হৈ ঘূৰি আহিল -- গাঁৱৰ দুজন মুখীয়াল আৰু দেউতাকৰ সৈতে অৰুন্ধতী।

কিছুদিন পিছত পৰমা উকীলক অপমান কৰাৰ অপৰাধত অৰুৰ দেউতাকলৈ আদালতৰ পৰা চমন আহিল। যুক্তি আৰু ন্যায়ৰ হ'কৈ যুঁজ দিয়া সংগ্ৰামী মানুহজনে অৱশেষত এই অপ্ৰত্যাশিত আঘাত সহ্য কৰিব নোৱাৰি মৃত্যুক আঁকোৱালী ল'লে। কিন্তু তেওঁৰ অন্তৰত বৈ থকা বিদ্ৰোহৰ অগ্নি-স্ফুলিংগ দি গ'ল একমাত্ৰ সন্তান অৰুন্ধতীক। বিহ পান কৰি নীলকণ্ঠ হোৱা অৰুন্ধতীয়ে আকৌ এবাৰ কঁকালত টঙালি বান্ধিলে অকলশৰে সংগ্ৰামত ব্ৰতী হ'বৰ বাবে। সময়ত তাই এটি পুত্ৰ সন্তানৰ মাতৃ হ'ল। চন্দ্ৰকলাৰ দৰে বাঢ়ি অহা সন্তানটিৰ মুখলৈ চাই সকলো দুঃখ কষ্ট পাহৰিবলৈ চেষ্টা কৰোঁতেই সামান্য অসুখতেই সন্তানটি গুছি গ'ল। নিঃকিন মাতৃয়ে তাক বচাব নোৱাৰিলে। তেনেই নিসংগ অৰুন্ধতীয়ে এইবাৰ এক নতুন যাত্ৰা আৰম্ভ কৰিলে। উচ্চ শিক্ষাৰ বাবে মাটি বন্ধক দি গাওঁ এৰি চহৰলৈ গুচি আহিল তাতেই লগ পালে নৱ বিবাহিতা পত্নীৰ সৈতে শৈশৱৰ বন্ধু আৰু প্ৰথম প্ৰেম গৌতমক। আনহাতে কলেজত লগ পাইছিল তাইৰ প্ৰতি প্ৰেমেৰে অন্তৰ উপচি থকা চন্দনক। কিন্তু চন্দনৰ লগত স্থায়ী সম্পৰ্ক গঢ়াৰ ক্ষেত্ৰত স্থিৰ সিদ্ধান্তত উপনীত হোৱাত হেঙাৰ হৈ থিয় দিছিল গৌতমৰ প্ৰতি অৰুন্ধতীৰ অন্তৰত তেতিয়াও সজীৱ হৈ থকা প্ৰেমে। নিৰলা বাইদেউৰ বুজনিত স্থীতিশীলতাৰ পৰিৱৰ্তে গতিশীলতাত ভৰি আগবঢ়াব খুজোঁতেই আকৌ থমকি ৰ'ল অৰুন্ধতী। পত্নীৰ লগত বিচ্ছেদ হোৱাৰ পিছত পুনৰ মিলনৰ প্ৰস্তাৱ লৈ গৌতম আহিছিল অৰুন্ধতীৰ ওচৰলৈ। অতিশয় মদ্যপানৰ ফলত এক্সিডেন্ট হৈ পৰি থকা গৌতমক ডিব্ৰুগড় মেডিকেল কলেজত ভৰ্ত্তি কৰোৱা, শুশ্ৰূষা কৰা, ভাল হোৱাৰ পিচত বিয়াৰ প্ৰস্তাৱ লৈ অহা গৌতমে অৰুন্ধতীৰ ঘৰত নিশা কটোৱা আদি ঘটনাক লৈ লেটেকুজান হাইস্কুলত পুনৰবাৰ অৰুন্ধতীৰ চৰিত্ৰ হনন কৰে। বিপুল ঠিকাদাৰৰ ষড়যন্ত্ৰৰ বলি হৈ অৰুন্ধতী গৌতমৰ ওচৰতো সন্দেহৰ পাত্ৰী হ'ল। জীৱনৰ প্ৰতিকূলতাৰ লগত বাৰে বাৰে যুঁজ দি সাহসেৰে থিয় দিয়া অৰুন্ধতীয়ে গৌতমৰ নিন্দা অপবাদত দেহ মনৰ ভাৰ সহিব নোৱাৰিলে। লেটেকুজান



লক্ষ্যহীনভাৱে পথত ভৰি দিয়া অৰুন্ধতীয়ে ৰে'লৰ পৰা নামিয়েই অচেতন হৈ পৰি গ'ল। ইতিমধ্যে অৰুন্ধতী সম্পৰ্কীয় ষড়যন্ত্ৰৰ সম্পৰ্কে সকলো জনাৰ পিছত গৌতমৰ ভুল ভাগিল। ৰেলৰে হস্পিতেলত চিকিৎসাধীন অৰুন্ধতীৰ খবৰ পাই গৌতম ল'ৰি আহিল। কিন্তু গৌতমৰ আকুলতাক এটি ক্ষীণ, অস্পষ্ট হাঁহিৰে অৰুন্ধতীয়ে সঁহাৰি জনালে। পুৰুষৰ দ্বাৰা বাৰে বাৰে আঘাত পাইও আপোচহীন মনোভাৱেৰে অৰুন্ধতীয়ে চিৰদিনৰ বাবে চকু মুদিলে। মৃত্যুৰ পিছত গৌতমে ৰঙা সেন্দুৰেৰে অৰুন্ধতীক পত্নীৰ মৰ্য্যাদা দিলে। প্ৰেমৰ স্বীকৃতিৰে উপন্যাসখনিৰ সামৰণি পেলোৱা হৈছে। লেখিকাৰ জীৱন উপন্যাসখনিৰ আধাৰ যদিও কল্পনাৰ ৰহণেৰে আত্মজীৱনীমূলক উপন্যাসৰ ধাৰাৰ পৰা উপন্যাসখনি আঁতৰাই অনা হৈছে। তেখেতৰ নিজৰ ভাষাৰে "মোৰ জীৱন তাতোকৈ বেছি বৈচিত্ৰময়।" "অৰুন্ধতী"ক তাত্বিক অৰ্থত একেবাৰে নাৰীবাদী উপন্যাস আখ্যা দিব নোৱাৰি। ফৰাচী বিপ্লৱৰ সময়তে মানৱ অধিকাৰৰ ফলশ্ৰুতি হিচাবে যি নাৰী মুক্তি আন্দোলনে পাতনি মেলিছিল তাৰ প্ৰভাৱ উপন্যাসখনিত পৰিছে বুলি ক'ব নোৱাৰি। সংঘাত জৰ্জ্জৰিত জীৱনত পুৰুষৰ দ্বাৰা বাৰে বাৰে আঘাতপ্ৰাপ্ত হৈয়ো জীয়াই থকাৰ সংগ্ৰামত অকলশৰে থিয় দিয়া কিশোৰী অৰুন্ধতীৰ সাহস, দৃঢ়তা আৰু ধৈৰ্য্যৰ তুলনা নাই। এখন সমাজৰ যুঁজ দিবৰ এনে সাহস অৰুন্ধতীয়ে ক'ত পালে? সহজ-সৰল এজনী আঁজলী গাঁৱলীয়া ছোৱালী অৰুন্ধতীয়ে ক'তো নাৰী মুক্তি আন্দোলনৰ পাঠ লোৱা নাছিল। লগৰীয়া ৰাধাহঁতৰ দৰেই 'টকা-বিহু' কৰি, 'বিয়া-নাম' গাই সোনতলী গাঁৱত ডাঙৰ-দীঘল হৈছিল। কিন্তু অৰুন্ধতীৰ পিতৃ ব্যতিক্ৰম আছিল। পিতৃ ইন্দ্ৰকান্তৰ মানৱতাবাদী, কু-সংস্কাৰ মুক্ত যুক্তিবাদী ধ্যান-ধাৰণাই অৰুন্ধতীৰ প্ৰেৰণাৰ মূল উৎস আছিল। অৱস্থাপন্ন পৰিয়ালৰ ল'ৰা ইন্দ্ৰকান্তই সৰুতে অন্যায়ৰ প্ৰতিবাদ কৰি ঘৰ এৰি গুছি গৈছিল। উনৈশ চনত পিতৃৰ মৃত্যুৰ পিছত ঘৰলৈ আহিল যদিও ত্যজ্য পুত্ৰ হিচাপে পৈতৃক সম্পত্তিৰ ভাগ নাপালে। স্বাধীনতা আন্দোলনৰ সময়ত কমিউনিষ্ট আন্দোলনত যোগ দিলে।। প্ৰগতিবাদী চিন্তাৰে উদ্বুদ্ধ ইন্দ্ৰকান্তই 'জপাৰ কাপোৰ স্বৰূপ' ছোৱালীৰ বাবে উচ্চ শিক্ষাৰ দুৱাৰ মুকলি কৰি দিয়ে। সেই উচ্চ শিক্ষাৰ আকাংক্ষাই অৰুন্ধতীৰ জীৱনলৈ পোহৰৰ পৰিৱৰ্তে কাল অমানিশা মাতি আনিলেও পিতৃৰ যুক্তিপূৰ্ণ উপদেশ -- 'যি তোমাক অন্যায় কৰিলে, তাৰ ওচৰত তুমি প্ৰতিবাদ দাখিল কৰা। ......... ভীৰুৰ দৰে মৃত্যুৰ কথা নাভাবিবা। বীৰৰ দৰে জীৱনৰ লগত সংগ্ৰাম কৰা।' পিতৃৰ পৰা পোৱা মনোবলে অৰুন্ধতীৰ জীৱন সংগ্ৰামৰ একমাত্ৰ পাশুপাত অস্ত্ৰ। কোনো ৰাজনৈতিক দৰ্শন অথবা নাৰীবাদী শিক্ষা অবিহনেও অৰুন্ধতী দুৰ্জ্জয় সাহসী আৰু অসমীয়া উপন্যাস সাহিত্যৰ এক অনন্য নাৰীবাদী চৰিত্ৰ। ৰাজনৈতিক, অৰ্থনৈতিক আৰু সামাজিক মুক্তি নাৰী মুক্তি আন্দোলনৰ অন্যতম প্ৰাথমিক চৰ্ত। ৰাজনৈতিক মুক্তিৰ দিশত অৰুন্ধতীৰ বিশেষ ভূমিকা নাই। কিন্তু সামাজিক আৰু অৰ্থনৈতিক মুক্তিৰ ক্ষেত্ৰত লেখিকাৰ সমাজ-সচেতন ভূমিকা 'অৰুন্ধতী'ৰ মাজেদি প্ৰকাশ পাইছে। শিক্ষা অবিহনে নাৰীমুক্তি অসম্ভৱ। শিক্ষা নহ'লে অৰ্থনৈতিক স্বাধীনতাও সম্ভৱ নহয়। পিতৃস্বীকৃত অবিহনে সন্তান জন্ম দি ডাঙৰ কৰাৰ সাহস গোটাইছিল অৰুন্ধতীয়ে। কিন্তু অৰ্থনৈতিক স্বাধীনতা নথকাৰ বাবে সন্তানক পালন কৰাৰ সামৰ্থ তাই গোটাব নোৱাৰিলে। 'অৰুন্ধতী'ৰ প্ৰধান বৈশিষ্ট্য হ'ল - পুৰুষ প্ৰধান সমাজত নাৰীৰ প্ৰতি কৰা অন্যায়ৰ প্ৰতিবাদ সবল ভাৱে প্ৰতিষ্ঠা কৰাৰ ক্ষেত্ৰত লেখিকাই বহু পৰিমানে লাভ কৰা সফলতা। অৰুন্ধতীয়ে অকলশৰে এখন সমাজৰ বিৰুদ্ধে,

পৰম্পৰাগত ধ্যান-ধাৰণাৰ বিৰুদ্ধে বিদ্ৰোহ ঘোষণা কৰিলে। নাৰী এক অমূল্য সম্পদৰ গৰাকী। সেয়ে হলেও নাৰীৰ সমাজত নাৰীক নিয়ন্ত্ৰণ কৰে পুৰুষে। কবিৰ ভাষাৰে --

“পুৰুষৰ মন গলে বুলি,
জুই লা গলাই লেপি
ক'লা কৰা দুয়োপাৰি দাঁত”

ৰণেনৰ ইচ্ছাত অৰুন্ধতীৰ গৰ্ভত থিত ল'লে ৰণেনৰ বীৰ্য্য। পুৰুষ প্ৰধান সমাজৰ হাতৰ “ইচচাৰা”ত ঘূৰিছে সমাজ ব্যৱস্থা। ৰণেনৰ দ্বাৰা লুণ্ঠিত অৰুন্ধতীয়ে অবৈধ মাতৃত্বৰ বাবে আছামীৰ কাঠগড়াত উঠিছে আনহাতে পুৰুষ প্ৰধানৰ অক্টোপাছ্ৰ হাঁতোৰাৰ কৱলত পৰি নাৰীয়েও নিজক চিনিব নোৱাৰে। সেয়ে নাৰীৰ অসহায় অৱস্থাক উপলুঙা কৰি বদনাম ৰটাত নাৰীয়েই হৈ উঠিছে অধিক মুখৰা। পুৰুষ প্ৰধান সমাজৰ এনে সকলো অগ্নি পৰীক্ষাত অৱতীৰ্ণ হৈছে সাহসেৰে। পৰম্পৰাগত সমাজ ব্যৱস্থাৰ বিৰুদ্ধে অৰুন্ধতীৰ অতিকৈ বলিষ্ঠ পদক্ষেপ হ'ল কেৱল মাতৃৰ পৰিচয়েৰে সন্তানক জন্ম দি জৰায়ুৰ অধিকাৰ সাব্যস্ত কৰাটো। অৰুন্ধতীয়ে সপোন দেখিছে -- “বুকুৰ অমৃতেৰে তাই তাক পালন কৰিব আৰু সেই অমৃতেৰে পুষ্ট হৈ সি তাৰ প্ৰতিবাদী কণ্ঠ দৃঢ় কৰিব। নিষ্পেষিত জনৰ দলপতি হৈ সি এই পৃথিৱীলৈ নতুন পোহৰ আনিব।” কিন্তু অৰুন্ধতীয়ে তাইৰ সন্তানক বচাব নোৱাৰিলে। কাৰণ অৰ্থনীতিৰ বাঘজৰী নাৰীৰ হাতলৈ আনিব পাৰিলেহে নাৰীৰ আকাংক্ষাই ৰূপ পাবলৈ সক্ষম হ'ব। 'অৰুন্ধতী'ৰ মাজেদি লেখিকাই এই কথাকে সাব্যস্ত কৰিবলৈ প্ৰয়াস কৰিছে। অৰুন্ধতীয়ে অসীম সাহসেৰে, অশেষ দৃঢ়তাৰে অন্যায়ৰ প্ৰতিবাদ কৰ্লে জীৱন সংগ্ৰামত প্ৰতিকূল পৰিবেশৰ লগত যুঁজ দি থিয় দিলে, সংগ্ৰামৰ ক্ষেত্ৰত নিজক প্ৰতিষ্ঠা কৰিবলৈ সক্ষম হ'ল। কিন্তু পুৰুষৰ ষড়যন্ত্ৰৰ বলি হৈ অৰুন্ধতীয়ে মৃত্যুক আকোঁৱালী লবলগীয়া হ'ল। তেন্তে অৰুন্ধতী জীৱন যুঁজত অৱশেষত হাৰি গ'ল? এই প্ৰশ্নৰ উত্তৰত ক'ব পাৰি -- “শাশ্বত প্ৰেমৰ খাতিৰতে লেখিকাই অৰুন্ধতীৰ মৃত্যু ঘটোৱালে। অৰুন্ধতীয়ে শেষমুহূৰ্তত এপাহী সূৰ্য্যমুখী ফুলৰ পাহীৰ দৰে গৌতমৰ পৰা বিদায় ল'লে। মৃত্যু তেন্তে এপাহী সূৰ্য্যমুখী ফুল হৈ ফুলে, ফল হৈ সৰে।” প্ৰেমৰ মৃত্যুৰ মাজেদি লেখিকাই সোঁৱৰাই দিব খোজে চিৰ শ্বাশ্বত প্ৰেমৰ কথা। জীৱনত ঘাত-প্ৰতিঘাতে পুৰুষৰ প্ৰতি ঘৃণা-বিতৃষ্ণাৰে অৰুন্ধতীৰ মন আছন্ন কৰি ৰাখিলেও তেওঁ প্ৰতিষ্ঠা কৰিব খোজা 'প্ৰেম চিৰ সেউজ' মানৱ জীৱনৰ 'অমৃতময়' ৰহস্যময় হাঁহিৰে, সূৰ্য্যমুখী পাহিৰে অৰুন্ধতীয়ে সেই 'চিৰ শ্বাশ্বত' প্ৰেমৰ বিজয় ঘোষণা কৰিলে। 'অৰুন্ধতী' অসমীয়া উপন্যাস সাহিত্যৰ এক অনন্য সৃষ্টি। 'মৃত্যু নহয়, সংগ্ৰাম কৰি জীয়াই থাকিব লাগে' জীৱন সম্পৰ্কে এনে এটি সুস্থ ধাৰণা উপন্যাসখনৰ মাজেদি প্ৰকাশ কৰিবলৈ লেখিকা সক্ষম হৈছে। 'অৰুন্ধতী' লেখিকাৰ কলিজাৰ তেজেৰে ফুলোৱা এপাহী 'কেতেকী ফুল' বুলি কলেও বঢ়াই কোৱা নহ'ব। ❑❑

**তথ্যকোষ**

- মাৰ্কিন যুক্তৰাষ্ট্ৰৰ হাউচ অফ ৰিপ্ৰেজেণ্টেটিভছৰ সভাপতিত্ব কৰা প্ৰথমগৰাকী মহিলা হ'ল, এলিচ এম ৰবাৰ্টচন।
- ১৮৬৫ চনৰ ফেব্ৰুৱাৰীত পূৰ্ণিমা হোৱা নাছিল। পূৰ্ণিমা নথকা ইতিহাসৰ এইটোৱেই হ'ল একমাত্ৰ মাহ।



প্ৰবন্ধ

# বিশ্ব বিখ্যাত মাদাৰ টেৰেছা

নিজৰা হুছেইন
স্নাতক তৃতীয় বৰ্ষ
(অসমীয়া বিভাগ)

“I can not breath” -- এইষাৰেই আছিল জীৱিত কালতে কিম্বদন্তীত পৰিণত হোৱা মাদাৰ টেৰেছাৰ জীৱনৰ অন্তিম বাক্য। লগে লগেই মাতৃহাৰা হ'ল পৃথিৱীৰ মানুহ। প্ৰেম, কৰুণা আৰু শান্তিৰ বাণীৰে মানৱ হৃদয় জয় কৰা মাদাৰে মৃত্যুকে সাৱটি ল'লে ঠিকেই, কিন্তু তেতিয়াই তেওঁ লাভ কৰিলে প্ৰকৃত অমৰত্ব। সেয়া আছিল ১৯৯৭ চনৰ ৫ চেপ্তেম্বৰ, তেতিয়া নিশা ৯.৩০ বাজিছিল।



শান্তিৰ নোবেল বঁটা বিজয়িনী আৰু বিভিন্ন সন্মানেৰে বিভূষিতা এই গৰাকী মহীয়সী নাৰীৰ জীৱন বৈচিত্ৰৰে ভৰা। এটা খ্ৰীষ্টিয়ান কেথলিক পৰিয়ালৰ তৃতীয় তথা শেষ সন্তান আছিল মাদাৰ টেৰেছা। ১৯১০ চনৰ ২৬ আগষ্টত আলবেনিয়াত জন্ম-গ্ৰহণ কৰা মাদাৰৰ দেউতাকে ব্যৱসায় কৰি জীৱন নিৰ্বাহৰ পথ মুকলি কৰিছিল। মাদাৰৰ সৰুকালৰ নাম আছিল এগ্নেছ গোন্চা বজাচিউ। তেতিয়া মাদাৰৰ বয়স আছিল মাত্ৰ চাৰি বছৰ। সেই সময়তে প্ৰথম মহাসমৰে পৃথিৱী ছানি ধৰিছিল আৰু সেই যুদ্ধৰ মাজতে মাদাৰৰ দেউতাকে মৃত্যুক সাৱটি লয়।

সৰুকালৰ পৰা মাদাৰৰ মাজত অন্য ধৰণৰ গুণ ফুটি উঠিছিল। তেওঁ দুখীয়া আৰু ৰোগীসকলৰ দুখ-বেদনাত কাতৰ হৈ পৰিছিল। তেওঁ দুখীয়া আৰু ৰোগীসকলৰ বাবে জীৱন উচৰ্গা কৰিবলৈ লোৱা সিদ্ধান্তত ১৯২২ চনত মাদাৰে “নান” হোৱাৰ পৰিকল্পনাৰে বুকুত অদম্য সপোন বান্ধি আইৰিছ স্বেচ্ছাসেৱী সংগঠন “চিষ্টাৰ্চ অৱ লৰেট”ত যোগ দিয়ে। এই যাই আছিল আৰম্ভণি নিজকে মানৱ সেৱাত নিয়োজিত কৰাৰ। তেতিয়া মাদাৰে “চিষ্টাৰ্চ টেৰেছা” নামেৰে পৰিচিতি লাভ কৰে।

১৯২৮ চনৰ নৱেম্বৰৰ কোনোবা এটা দিনত মাদাৰ ভাৰতলৈ আহে। “চিষ্টাৰ্চ টেৰেছা” নামেৰে পৰিচিত তেওঁ কিছুদিন কলিকতাত থাকি কলিকতাৰ ভিতৰুৱা অঞ্চলৰ নিপীড়িত সকলৰ বাবে নিজৰ সেৱা আগবঢ়াবলৈ ধৰিলে। তাৰ পাছত তেওঁ দাৰ্জিলিং

অভিমুখে ৰাওনা হ'ল। উদ্দেশ্য আছিল টি. বি. ৰোগীসকলৰ পৰিচৰ্যা। চিষ্টাৰ্চ টেৰেছাই তাতে লৰেট' কন্‌ভেন্টত যোগদান কৰে। জীৱনৰ এই নতুন অধ্যায়তে চিষ্টাৰ্চ টেৰেছাই হিন্দী আৰু বাংলা ভাষা শিকিলে। তাৰ দুবছৰৰ পাছত ১৯৩১ চনত মাদৰ টেৰেছাই "নান" জীৱনৰ পাতনি মেলিলে।

মাদাৰ টেৰেছাই দৰিদ্ৰজনৰ সেৱা ব্ৰত হিচাপে লৈ সমাজত এক নতুন চিন্তাধাৰাৰ জন্ম দিয়ে। অনাথ আৰু দুখীয়া শিশুসকলৰ সেৱা স্বৰূপে কলিকতাৰ বস্তি অঞ্চলত এখন প্ৰথমিক বিদ্যালয় স্থাপনৰ জৰিয়তে মাদাৰে কৰ্মময় জীৱনৰ আৰম্ভ কৰে। আৰম্ভনিতে যথেষ্ট সংগ্ৰাম কৰিবলগা হোৱা মাদাৰৰ জনহিতকৰ কাৰ্যই পাছলৈ যথেষ্ট প্ৰসাৰতা লাভ কৰিলে। যাৰ ফলস্বৰূপে ১৯৪৮ চনত মাদাৰক ভাৰতীয় নাগৰীকত্ব প্ৰদান কৰা হ'ল।

নিজকে মানৱ সেৱাত বিলীন কৰা মাদাৰে বস্তি অঞ্চলৰ মানুহৰ সহায়ৰ বাবে ১৯৫০ চনত "মিছনেৰি অৱ চেৰিটি" স্থাপন কৰে। তেখেতাই মাদাৰে নিজৰ পোছাক সলনি কৰিলে। নীলা পাৰিৰ বগা শাৰী পিন্ধা মাদাৰে শেষ সময়লৈকে সেই পোছাকেই পৰিধান কৰিলে। অসহায়, অনাথ আৰু দৰিদ্ৰসকলক পাৰ্য্যমানে সহায় কৰা মাদাৰে ১৯৫২ চনত অনাথসকলৰ বাবে "নিৰ্মল হৃদয়" নামেৰে এখন অনাথ আশ্ৰম প্ৰতিষ্ঠা কৰে। ই যে মাদাৰক এটা সুকীয়া পৰিচয় দান কৰিলে। মানৱীয় অনুভূতি তথা দৃষ্টিভঙ্গীৰ প্ৰতীক মাদাৰ বিশ্ববাসীৰ মাজত এটা জীৱন্ত কিম্বদন্তী হৈ পৰিল।

মাদাৰে কৰা জনহিতকৰ কামবিলাক যে নিস্বাৰ্থ আৰু তেওঁৰ হৃদয়ৰ তাগিদাহে মাথোঁ আছিল তাত কোনো সন্দেহৰ অৱকাশ নাই। বিভিন্ন সময়ত লাভ কৰা বিভিন্ন বঁটাই এই কথা দৃঢ়ভাৱে প্ৰতিপন্ন কৰিছে। মানৱতাবাদী কৰ্মৰ বাৱে ১৯৬২ চনত ভাৰত চৰকাৰৰ "পদ্মশ্ৰী" বঁটা লাভ কৰে, ১৯৭০ চনত পোপৰ শান্তি পুৰস্কাৰ, ১৯৭৮ চনত আন্তৰ্জাতিক বুজা-পৰাৰ বাবে মেগছেছে বঁটা, ১৯৭৯ চনত বহুমূলীয়া শান্তিৰ নোবেল বঁটা, ১৯৮০ চনত ভাৰতৰ সৰ্বোচচ সন্মান "ভাৰত ৰত্ন" লাভ কৰে। সমগ্ৰ জীৱন দুখীয়া সম্বলহীন শিশু আৰু ৰোগী সেৱাতেই উচৰ্গা কৰা মাদাৰৰ এয়া কৰ্মময় জীৱনৰ স্বীকৃতি।

সুদূৰ ইউৰোপৰ স্কপজে চহৰৰ পৰা আহি ভাৰতক নিজৰ মাতৃ হিচাপে গ্ৰহণ কৰি মাদাৰে কেৱল ভাৰতৰ মানুহৰ বৱেই কাম কৰা নাছিল, বিশ্বৰ কোনো এখন দেশেই মাদাৰৰ প্ৰেম, কৰুণা আৰু শান্তিৰ বাণীৰ পৰা বঞ্চিত হোৱা নাছিল। এয়া আছিল মাদাৰৰ বিশ্ব মাতৃত্বৰ অনুপম পৰিচয়।

মাদাৰ টেৰেছা আজি আমাৰ মাজত নাই। কিন্তু তেওঁ দেখুৱাই যোৱা পথ হাজাৰজনৰ বাবে আশাৰ ৰেঙনি, আদৰ্শ। তেওঁৰ সোঁৱৰণী নিজৰ বুকুত সেমোৱাবলৈ পাই ইতিহাস চিৰদিন গৌৰাৱান্বিত হৈ ৰ'ব। মাদাৰৰ কঠোৰ সংগ্ৰামময় জীৱনৰ অন্তত মৃত্যু নিশ্চয় আহিল, সেই মৃত্যুত মৃত্যু কম, অমৰত্বহে বেছি আছিল। ❑❑

## মহৎ লোকৰ বাণী

- শিক্ষাৰ ঘাই শিপাডাল বৰ তিতা, কিন্তু ইয়াৰ ফলাফল বৰ সোৱাদ।

  ........এৰিষ্ট'টল

- আমি যি জানো সি অতি সামান্য। আমি যি নাজানো তাৰ সীমা নাই। এতেকে নিজকে জ্ঞানী বুলি ভৱা অনুচিত।

  ........পাপে্চ্

- সদায় দুটা কাৰণত ভুল হ'ব পাৰে। দ্বিতীয় ভুলটো নগন্য হৈ পৰে যদিহে প্ৰথম ভুলটো সংশোধন কৰিব পাৰি।

  .......বৈজ্ঞানিক পিট্চ হাইপোথেচিচ্

সংগ্ৰাহক ঃ *মনচুৰ আহমেদ*
উঃ মাঃ ২য় বৰ্ষ (বিজ্ঞান শাখা)



প্ৰবন্ধ

# নীলচ্ ব'ৰ ঃ এটি অৱলোকন

*শ্ৰী উৎপল চাংমাই*
উঃ মাঃ ২ য় বৰ্ষ
বিজ্ঞান শাখা।

বিগত শতিকাত যিসকল বিজ্ঞানীৰ সাফল্যৰ দ্বাৰা আধুনিক বিজ্ঞানৰ ভেটি সুদৃঢ় হ'ল, সেইসকলৰ ভিতৰত নীলচ্ ব'ৰ অন্যতম এজন। তেওঁৰ প্ৰধান আৱিষ্কাৰ পৰমাণু আৰ্হি বা Atomic model. ধ্ৰুপদী পদাৰ্থ বিজ্ঞানৰ ধ্যান ধাৰণাত আমোল সাল-সলনি ঘটোৱা তত্ত্ব দুটা হৈছে - আপেক্ষিকতাবাদ, আনটো কোৱান্টাম তত্ত্ব। আপেক্ষিকতাবাদৰ লগত প্ৰায় এককভাৱেই সাঙুৰ খাই আছে এলবাৰ্ট আইনষ্টাইনৰ নাম। কোৱান্টাম তত্ত্বৰ গঠন আৰু বিকাশত অৱশ্যে মাথোন এজন বিজ্ঞানীৰ নাম ল'লেই যথেষ্ট নহয়, কিন্তু এই ক্ষেত্ৰত আটাইতকৈ আগতে মনলৈ আহা পদাৰ্থবিদজনেই হ'ল নীলচ্ ব'ৰ। কুৰি শতিকাৰ অন্যতম মহৎ তাত্ত্বিক আৱিষ্কাৰ কোৱান্টাম তত্ত্বৰ সংৰোপনৰ বাটকটীয়া হিচাপে নীলচ্ ব'ৰৰ নাম আইনষ্টাইনৰ দৰেই বিজ্ঞানৰ ইতিহাসত চিৰকাল উজলি থাকিব।

১৮৮৫ চনৰ ৭ অক্টোবৰত ডেনমাৰ্কৰ কোদেন হেগেনত নীলচ্ ব'ৰৰ জন্ম হয়। দেউতাক খ্ৰীষ্টিয়ান ব'ৰ আছিল সেই সময়ৰ প্ৰখ্যাত শৰীৰ বিজ্ঞানী। মাতৃ এলেন এদলাৰ। শিক্ষা-দিক্ষাৰ প্ৰতি ৰাপ থকা এটা পৰিয়ালতে নীলচ্ ব'ৰৰ জন্ম হৈছিল। ভায়েক এজন, হেৰাল্ড ব'ৰ আৰু বায়েক জেনি। হেৰাল্ড নীলচ্‌তকৈ দুবছৰে সৰু যদিও সৰুতে ককায়েকতকৈ হেৰাল্ডহে বেছি প্ৰতিভাশালী আছিল। হেৰাল্ডে ২২ বছৰ বয়সতে গণিতত ডক্টৰেট্ ডিগ্ৰী লৈছিল আৰু এজন নামজ্বলা বিজ্ঞানী হৈছিলগৈ।

"যি মূলা বাঢ়ে দুপাততে চিন।" ব'ৰৰ ক্ষেত্ৰতো দেউতাকে নিচেই সৰুতেই তেওঁৰ অদ্ভুত প্ৰতিভাৰ উমান পাইছিল। খ্ৰীষ্টিয়ান ব'ৰে নীলচ্ ব'ৰক বিশ্ববিদ্যালয়ৰ বিজ্ঞানৰ শ্ৰেণীত নাম ভৰ্ত্তি কৰি দিলে। নীলচ্ ব'ৰে এম.এছ.চি পাছ কৰাৰ পিছত ডক্টৰেট্ ডিগ্ৰীৰ কাৰণে গৱেষণা কৰিবলৈ লয়।

তেওঁৰ গৱেষণাৰ "ইলেক্ট্ৰন থিয়ৰি অব্ মেটেলছ্" নামৰ থেছিছ্‌খন ইমানেই উন্নত মানৰ আছিল যে সকলো বিজ্ঞানী সমাজে নীলচ্ ব'ৰক প্ৰসংশা কৰিবলৈ ল'লে।

কেৱল বৌদ্ধিক চৰ্চাই নহয়, খ্ৰীষ্টিয়ান ব'ৰে পুতেকহঁতৰ শাৰীৰিক দিশতো চকু দিছিল। তেওঁ নিজেও খেলা-ধূলাৰ প্ৰতি অনুৰাগী আছিল। খ্ৰীষ্টিয়ান ব'ৰে নিজেই ডেনমাৰ্কলৈ ফুটবল খেল আমদানিত আগভাগ লৈছিল। ব'ৰ ভাতৃদ্বয়ে ফুটবল খেলত বিশেষ মনোযোগ দিছিল আৰু পাৰদৰ্শিতাও দেখুৱাইছিল। হেৰল্ডৰ খেলাৰ মান ইমানেই উন্নত আছিল যে ১৯০৮ চনত লণ্ডনত হোৱা অলিম্পিকত ফুটবলৰ ৰূপৰ পদক লাভ কৰা ডেনমাৰ্ক দলটোত তেওঁ অন্তৰ্ভূক্ত আছিল। পাছলৈ গণিতজ্ঞ হৈ বিখ্যাত হোৱাৰ আগতেই সুনিপুন ফুটবল খেলুৱৈ ৰূপে হেৰাল্ড ব'ৰ কেপেন হাগেনত বিখ্যাত হৈ পৰিছিল।

লণ্ডনৰ কেভেণ্ডিছ লেবৰেটৰীত ব'ৰে চাৰ জে.জে থমছনৰ লগত গৱেষণা কৰিবলৈ ললে। ১৯১২ চনত তেজস্ক্ৰীয় পদাৰ্থৰ ওপৰত অধ্যয়ন কৰিবলৈ ব'ৰ মানচেষ্টাৰ বিশ্ববিদ্যালয়ৰ

ৰাডাৰফৰ্ডৰ ওচৰলৈ আহে। তেতিয়া ৰাডাৰফৰ্ড পদাৰ্থ বিজ্ঞানৰ অবিসম্বাদী নেতা। তাত থাকোতেই তেওঁ পৰমাণুৰ গঠন সম্পৰ্কীয় মতবাদটো প্ৰকাশ কৰে। সেই সময়ত পৰমাণুৰ গঠন সম্পৰ্কে থমছন আৰু ৰাডাৰফৰ্ডে দুটা বেলেগ বেলেগ মতবাদ দাঙি ধৰে। সেইলৈ বিজ্ঞানী সমাজত কিছু বাদানুবাদ চলিল। পাছত নীলচ্ ব'ৰেহে সকলোৰে গ্ৰহণযোগ্য এটা মতবাদ ডাঙি ধৰে। তেওঁৰ মতবাদ অনুসৰি নিউক্লিয়াছৰ চাৰিওপিনে ইলেক্ট্ৰনবোৰ কিছুমান কক্ষপথেদি ঘূৰি থাকে। এই কক্ষপথবোৰক স্থায়ী কক্ষ বোলা হয়। ইলেক্ট্ৰণবোৰে যেতিয়া স্থায়ী কক্ষত পৰিভ্ৰমণ কৰে তেতিয়া কোনোধৰণৰ বিকিৰণ নহয়। কিন্তু ইলেক্ট্ৰণবোৰে মাজে মাজে কক্ষপথ পৰিৱৰ্তন কৰে। তেতিয়া স্থায়ী কক্ষ এৰি অস্থায়ী কক্ষলৈ যায়। তেতিয়াই পোহৰ ফ'টনৰ ৰূপত প্ৰকাশ পায়।

১৯১৬ চনত নীলচ্ ব'ৰে মানচেষ্টাৰৰ পৰা নিজৰ দেশলৈ উলটি আহি কোপেন হাগেন বিশ্ববিদ্যালয়ৰ পৰা পদাৰ্থ বিদ্যাৰ অধ্যাপক হয়হি। ইয়াৰ পিছত ব'ৰে একেৰাহে কোপেন হাগেনতেই নিগাজিকৈ থাকিবলৈ ল'লেও ৰাডাৰফৰ্ডৰ লগত যোগাযোগ অক্ষুন্ন ৰাখিছিল। ১৯২২ চনত তেওঁ পদাৰ্থৰ নোবেল বঁটা লাভ কৰে। বহুতো ডেকা বিজ্ঞানীয়ে তেওঁৰ লগত কাম কৰিছিল আৰু তেওঁলোকৰ সহযোগত তেওঁ বহুতো নতুন নতুন তথ্য উদ্ভাৱন কৰিছিল। নীলচ্ ব'ৰে ১৯৩৫ চনত পৰমাণুৰ নিউক্লিয়াছ্ সম্পৰ্কে গৱেষণা কৰিবলৈ আৰম্ভ কৰে। পাছত "নিউক্লিয়াৰ ফিজিক্স" নামৰ এটা শাখাকে স্থাপন কৰে।

দ্বিতীয় বিশ্বযুদ্ধৰ সময়ত হিটলাৰৰ অত্যাচাৰ দিনক-দিনে বৃদ্ধি পাই আহিছিল। জাৰ্মানীৰ বহুতে ঘৰবাৰী এৰি বিদেশলৈ পলাই গৈছিল। কিছুমান খ্যাতনামা বিজ্ঞানীয়ে ডেনমাৰ্কলৈ গৈ কোপেন হাগেনত নীলচ্ ব'ৰৰ লগ লাগিছিল। এনেকৈ কিছুদিন যোৱাৰ পাছত আকৌ সমস্যাই দেখা দিলে। ১৯৪০ চনত জাৰ্মানীয়ে ডেনমাৰ্ক অধিকাৰ কৰিলে। হিটলাৰৰ অত্যাচাৰে ডেনমাৰ্কৰ বাসিন্দাসকলকো জুৰুলা কৰিছিল। নীলচ্ ব'ৰে নিৰাপত্তাৰ বাবেই ডেনমাৰ্ক ত্যাগ কৰিবলৈ বাধ্য হ'ল আৰু ছুইডেন, লণ্ডন হৈ আমেৰিকালৈ যাত্ৰা কৰিলে।

সেই সময়ত হিটলাৰৰ অত্যাচাৰ সহিব নোৱাৰিয়েই ইউৰোপৰ বেছিভাগ বিজ্ঞানী গৈ আমেৰিকাত লগ লাগিছিলগৈ। ব'ৰে আমেৰিকাত গৈ দেখিলে যে চৰকাৰী পৃষ্ঠপোষকতাত তাৰ বিজ্ঞানীসকলে পৰমাণু বোমা সৃষ্টি কৰিবলৈ উঠি-পৰি লাগিছে। নীলচ্ ব'ৰ প্ৰথমে পৰমাণু বোমা সৃষ্টিৰ সপক্ষে নাছিল। কিন্তু পিছত ভাবিলে যে এনেকুৱা এটা বোমা সৃষ্টি কৰি হিটলাৰৰ ওপৰত পোতক তুলিব পাৰিলে ভালেই হ'ব। নীলচ্ ব'ৰে আমেৰিকাত পাঁচ মাহ থাকিল। বিখ্যাত পদাৰ্থবিদ হুইলাৰৰ সতে লগ লাগি নীলচ্ ব'ৰে ইউৰেনিয়ামৰ ভাঙন সম্পৰ্কে এটি মতবাদ দাঙি ধৰিলে। এই মতবাদৰ মূল কথা হ'ল -- নিউক্লিয়াছত থকা প্ৰট'ন আৰু নিউট্ৰনৰ সংখ্যা বৃদ্ধি পোৱাৰ লগে লগে তাৰ আভ্যন্তৰীণ ভাৰসাম্য লোপ পায়। তেনে অৱস্থাত বাহিৰৰ পৰা সামান্য আঘাত পালেই ভাৰসাম্য নোহোৱা হয়। নিউট্ৰন বিলাকেই ঘাইকৈ এই প্ৰক্ৰিয়াত কাম কৰে আৰু ইউৰেনিয়ামৰ নিউক্লিয়াছ ভাঙি পেলায়। ব'ৰ আৰু হুইলাৰৰ মতবাদেই পৰমাণু বোমাৰ সৃষ্টিৰ পথ সুচল কৰি দিলে।

নীলচ্ ব'ৰে এটা কথা বুজি পাইছিল যে জীৱজগতত ক্ষুদ্ৰাতি ক্ষুদ্ৰ পৰমাণুৰ ভূমিকা বিচাৰিবলৈ যাওঁতে এটা সময়ত জীৱৰ প্ৰাণ ধ্বংস কৰিব লাগিব আৰু পৰমাণু বোমাৰ আৱিষ্কাৰে সমগ্ৰ পৃথিৱীকে ধ্বংসৰ মুখলৈ ঠেলি দিব। সেই কাৰণেই এই বোমা ব্যৱহাৰ নকৰিবলৈ পৃথিৱীৰ ৰাষ্ট্ৰ মূৰব্বীসকলক অনুৰোধ জনাইছিল। পাছে ব'ৰে যিটোলৈ ভয় কৰিছিল সেয়ে হ'ল। ১৯৪৫ চনৰ ৬ আৰু ৯ আগষ্টত জাপানৰ দুখন নগৰ হিৰোচিমা আৰু নাগাচাকি পৰমাণুবোমাৰে নিঃশেষ কৰি পেলোৱা হ'ল। পাছত নীলচ্ ব'ৰ পুনৰ কোপেন হাগেনলৈ উলটি গৈ পদাৰ্থবিদ্যাৰ



অধ্যাপক হ'লগৈ। পৰমাণু বোমাৰ বিস্ফোৰণৰ বিৰুদ্ধে তেওঁ অনেক প্ৰবন্ধ- পাতি লেখি ৰাষ্ট্ৰসমূহক সকীয়াই দিবলৈ চেষ্টা কৰিলে আৰু ৰাষ্ট্ৰসংঘৰ ওচৰত প্ৰতিবাদ কৰিলে কিন্তু সেই সকলো নিস্ফল হ'ল। তেওঁ এষাৰ কথা সদায় কৈছিল -- "বিজ্ঞানৰ সৃষ্টি মানুহৰ উন্নতিৰ কাৰণেহে হোৱা উচিত ধ্বংসৰ কাৰণে নহয়।"

এই জনা মহান বিজ্ঞানীৰ কেৱল বিজ্ঞানৰ প্ৰতিয়েই নহয় নিজৰ দেশৰ প্ৰতি অফুৰন্ত প্ৰেমভাৱ আছিল। ডেনমাৰ্ক হিটলাৰৰ অধিকাৰলৈ যোৱাত নোবেল বিজয়ী ব'ৰৰ ওপৰত হিটলাৰৰ চকু পৰিছিল তেতিয়া ব'ৰক আত্মৰক্ষাৰ বাবে তেওঁৰ লগৰ বিজ্ঞানীয়ে বেলেগ দেশলৈ যাবলৈ অনুৰোধ কৰিছিল কিন্তু তেতিয়া ব'ৰে প্ৰতিবাদ কৰি নিজৰ দেশৰ পৰা পলাই যাবলৈ অনীহা প্ৰকাশ কৰিছিল। শেষত উপায় নাপায় আমেৰিকালৈ যাবলৈ বাধ্য হ'ল কিন্তু তেওঁৰ নোবেল পদকটো নিজৰ লগত লৈ যোৱা নাছিল। সেই পদকটো নিজৰ মাতৃভূমিত নিৰাপদে থৈ যাবলৈ এক বিশেষ পদ্ধতি অৱলম্বন কৰিছিল। পদকটো তেওঁ ৰেজিয়া বা অম্লৰাজত (একভাগ গাঢ় নাইট্ৰিক এচিড্ আৰু তিনিভাগ গাঢ় হাইড্ৰ'ক্লৰিক এচিডৰ মিশ্ৰণ) দ্ৰবীভূত কৰি গৈছিল আৰু পিছত ঘূৰি আহি দ্ৰৱণটোৰ পৰা সোণখিনি সংশ্লেষণ কৰি আগৰ আৰ্হিত পদকটো তৈয়াৰ কৰি লৈছিল।

এইজনা মহান বিজ্ঞানীয়ে ১৯৬২ চনৰ ১৮ নৱেম্বৰত বিশ্ববাসীক এৰি থৈ যায়। যিজনা বিজ্ঞানীৰ চমকপ্ৰদ সাফল্যৰ অবিহনে আধুনিক বিজ্ঞান আধৰুৱা হ'লহেঁতেন। ❑❑

সহায়ক গ্ৰন্থপঞ্জী ঃ-

*(ক) পৰমাণু জগত আৰু নীলচ্ ব'ৰ ঃ- ড. পৰমানন্দ মহন্ত।*

*(খ) বিজ্ঞানৰ সাধনা ঃ- ডিম্বেশ্বৰ চলিহা।*

## মহৎ লোকৰ বাণী

☞ খং নকৰিবা নিজেই সৰ্বনাশ হ'বা ; অহংকাৰ নকৰিবা পতন হ'ব, কাকো ঘৃণা নকৰিবা নিজেও ঘৃণিত হ'বা, ফাঁকি নিদিবা ফাঁকত পৰিবা।
......... স্বামী বিবেকানন্দ

☞ ক'বলগীয়া কথা নাই অথচ সুবিধা পালেই মুখ মেলে আৰু অনবৰত কথা পাতিয়েই থাকে। এনেকুৱা মানুহ হিংস্ৰ জন্তুতকৈ বেছি ভয়াবহ।
............. জ'নাথ চুইফট্

☞ কৰ্মই উপাসনা, হাঁহিয়েই জীৱন। যি জীৱনত সুখ আৰু দুখ দুয়োকে হৰ্ষমনে গ্ৰহণ কৰিব জানে তেৱেঁই জীৱনৰ সৌন্দৰ্য ভোগ কৰিব পাৰে।
............... চৰ্দাৰ পেটেল।

☞ পৃথিৱীত মই নিজৰ বাহিৰে আন কাকো সমালোচনা বা ভৎসনা কৰিব নোখোজো, কাৰণ মই নিজৰ দোষবোৰ যিমান ভালকৈ জানো, আন কাৰো দোষ সিমান ভালকৈ নাজানো।
......... ছেক্সপিয়েৰ

সংগ্ৰাহক ঃ *জোনালী মুছাহাৰী*
উঃ মাঃ ১ম বৰ্ষ (কলা শাখা)

প্ৰবন্ধ

# জেচাচৰ প্ৰথম দৰ্শন আৰু একুঁকি অনুভৱ

✍ শ্ৰী ঋতুপৰ্ণ চুতীয়া
স্নাতক ২য় বৰ্ষ
(অসমীয়া বিভাগ)

২০০৭ চনৰ প্ৰথমটো দিন, কুঁৱলীৰে আবৰি থকা প্ৰকৃতিয়ে নতুন সম্ভাৰেৰে নৱবৰ্ষক আদৰাৰ যেন এক বিপুল আয়োজন কৰিছে। চাহ গছৰ মাজে মাজে শিৰিশ গছৰৰ ফাঁকে ফাঁকে সোমাই লুকা-ভাকু খেলি যেন মচগুল হৈ পৰিছে প্ৰকৃতি নৱবৰ্ষৰ আগমনত। ওখ-ওখ মৈদাম সদৃশ পাহাৰৰ টিপৰ পৰা সেউজীয়া সুবিমল তৰুৰাজিয়ে হাত-বাউলি যেন আমাক আমন্ত্ৰণ জনাইছে, যাচিছে যেন আমালৈ নৱবৰ্ষৰ অফুৰন্ত শুভকামনা। কোঁচা পাতি বুটলি ল'ম এবুকু অকৃত্ৰিম ভালপোৱা, বিলীন হৈ যাম যেন সেউজীয়া ধৰণীৰ বুকুত, হেঁপাহ পলুৱাই পান কৰিম যেন সেউজীয়াবোৰ, চিঞৰি চিঞৰি যেন শুই পৰিম সেউজীয়া দলিচাৰ বুকুত আৰু চিঞৰবোৰে পৰ্বতৰ গাত ঠেকা খাই প্ৰতিধ্বনিত হৈ উঠিব - - “লিয়েনমাকাঁও ....... লিয়েনমাকাঁও।”



কৃত্ৰিমবিহীন এজাক ডেকা-গাভৰু প্ৰকৃতিগতভাৱেই যেন সৌন্দৰ্য্যৰাজিত থিতাপি লয়। জন-জাতীয় লোকসকলৰ দেহ-মন সকলোতে। মোৰ বাবে এক নতুন অনুভৱ এখন নতুন জগতৰ, “আঁহতৰ খোৰোঙৰ পৰা সৰি পৰা এপাহি কপৌ” (নৰকান্তবৰুৱা, “ইয়াত নদী আছিল”) পুনৰ যেন ফুলি উঠাৰ বতৰ। বিপুল আন্তৰিকতাভৰা লেইনজিং আৰু ডেনিয়েলৰ সান্নিধ্য। “পাহাৰীয়া ডেকা-গাভৰু” এই শব্দটোৱে যেন হৃদয়ক আমন্ত্ৰণ জনায়, সেয়েহে ছাগে অবাধ গতি ভৈয়ামৰ ডেকাৰ পাহাৰলৈ। সেয়ে ছাগে প্ৰাণেশ্বৰী জয়াৰ বিচ্ছেদ সহিও গদাপাণিয়ে পাহাৰত জীয়াই থকাৰ সপোন দেখিছিল। ভৈয়ামৰ গোলাপ-তগৰৰ পৰিৱৰ্তে পৰ্বতৰ ঢেকীয়াই হৈ পৰিছিল সৰগৰ পাৰিজাত। প্ৰেমৰ কুঁহি মেলিছিল ডালিমিৰ সংস্পৰ্শত -- “পৰ্বতৰ ঢেকীয়া লিহিৰি পতীয়া।”

শীতৰ সেমেকা বেলা। কিনকিনীয়া এজাক বৰষুণ। কুঁৱলীয়ে সেমেকাই তোলা চাৰিওপাশে শুকুলা আৱৰণ নে ইন্দ্ৰৰ স্বৰ্গপুৰীহে। এক প্ৰচণ্ড শীতৰ লহৰ মই আৰু মোৰ এগৰাকী বাইদেউ, লগত এজন সম্বন্ধীয় খুড়া, দুৰ্বোধ্য দোৱানৰে আমাৰ সন্মুখত চাৰিজন পাহাৰীয়া ডেকা-গাভৰু, মাজত ডাঙৰ-ডাঙৰ কোণ্ডাৰে ধৰা একুৰা গপ্-গপীয়া জুই। আহ্ কিযে এক অনন্য অনুভৱ বৰ্ণনাতীত সেই অনিৰ্বচনীয় অনুভৱ! যেন কোনো অসমীয়া ছবিৰ লোকেশ্বন -- “পাহাৰী কন্যা”।



সৰুৰে পৰা মনত এক অদম্য উৎকণ্ঠা আছিল জেছাছৰ দৰ্শনৰ। জীৱনৰ গভীৰ প্ৰত্যাশা বুকুত বান্ধি ঈশ্বৰৰ অনুচৰ যীশুৱে যি বৰ্ণনাতীত যন্ত্ৰনাৰে মৃত্যুক আঁকোৱালী লৈছিল সেইজনা মহান মহৰ্ষিৰ দৰ্শনৰ এক প্ৰৱল ইচ্ছা হৃদয়ৰ নিভৃত কোণত পুঁহি ৰাখিছিলোঁ। ডেনিয়েলৰ সান্নিধ্যত সেই ইচ্ছা বস্তৱত পৰিণত হ'ল। আমাৰ নামঘৰত সোমোৱাৰ দৰে চেণ্ডেল জোতা বাহিৰত ৰাখি যোৱাৰ প্ৰয়োজন নাছিল যদিও অভ্যাসগত ভাৱেই চেণ্ডেল পৰিহাৰ কৰি চাৰ্হত প্ৰবেশ কৰিলো। চাৰিওফালে শান্তি। দুৰু-দুৰুকৈ বুকুখন কঁপিবলৈ ধৰিল। চকুমুদি সন্ধান কৰিলো সেই অনাবিল শান্তি ; যি শান্তিৰ সাক্ষীস্বৰূপে বেৰত খোদিত হৈ আছে যীশুৰ এখন ক্ৰোচবিদ্ধ ছবি। বেৰৰ ৰেডক্ৰোচডাল যেন হাজাৰ বছৰ আগৰ নীৰৱ সাক্ষী স্বৰূপে থিয় হৈ আছে। যীশুৰ শৰীৰৰ পৰা নিৰ্গত হোৱা তেজৰ চেকুৰাই সেই নিৰ্জীৱ ক্ৰচ্চিনটোক ৰক্তাক্ত কৰি যেন প্ৰাণৰ সঞ্চাৰ কৰিলে। জেচাচ পুনৰ উভতি অহাৰ আশাত সি যেন আজিও অপেক্ষাৰত কিয়নো জেচাচে কৈ গৈছিল -- “We shall over come some day.”

শান্তিৰ সমলয় চাৰ্চৰ চাৰিও দেৱালত মনৰ সমস্ত ক্লান্তি প্ৰশমিত হ'ল যেন পলকতে, বেদনা আৰু অশান্তিৰ ধূসৰিত পৃষ্ঠাৰ পৰা মই যেন প্ৰত্যাৱৰ্তন কৰিলো শান্তিৰ আলয়লৈ য'ত কেৱল শান্তি আৰু শান্তি। পৃথিৱীৰ আটাইতকৈ শান্তিৰ আলয় এই চাৰ্হখন। বহুসময় ধৰি দৃষ্টি স্তব্ধ হৈ ৰৈছিল যীশুৰ শৰীৰৰ ৰঙা তেজবিলাকৰ ওপৰত। ইমান যন্ত্ৰণা সহ্য কৰিও তেওঁ নীৰৱ স্থিতপ্ৰজ্ঞ মুখমণ্ডলত কি গভীৰ প্ৰশান্তি । সেই যন্ত্ৰণাৰ তুলনাত আমাৰ যন্ত্ৰণা ....। মনত পৰিছিল এখন হিন্দী ছবিৰ কাহিনী এটালৈ য'ত নায়কে নায়িকাৰ মনৰ অন্তৰত চলি থকা দুখবোধৰ উপশম ঘটাবৰ বাবে, অশান্ত মনক শান্ত কৰিব পৰা এনে এক ঠাইলৈ তেওঁক লৈ যাব পাৰে বুলি কৈছিল য'ত কেৱল শান্তিয়েই বিৰাজ কৰিছে। সঁচাই জেচাচৰ সেই দৰ্শনে নায়িকাৰ অস্থিৰতাৰে ভৰা মনত শান্তিৰ উন্মেষ ঘটাইছিল আৰু জীৱনৰ প্ৰতি এক নতুন দৃষ্টি নিক্ষেপ কৰিবলৈ, জীৱন যুঁজত সাহসেৰে অৱতীৰ্ণ হ'বলৈ, হৃদয়ক সাহসী কৰি তুলিছিল। সেই মুহূৰ্তত মই কথাষাৰ হৃদয়ৰ পৰা উপলব্ধি কৰিছিলোঁ বাবে তাৰ যথাৰ্থতা নিৰ্ণয় কৰিব পৰা নাছিলোঁ। কিন্তু আজি মোৰ জেচাচৰ প্ৰথম দৰ্শনে এই কথা মোক হাড়ে-হিমজুৱে উপলব্ধি কৰোৱালে। ❑❑

## মহৎ লোকৰ বাণী

- যি আনৰ সৰ্বনাশৰ চিন্তা কৰে সি নিজৰ সৰ্বনাশ নিজে মাতি আনে। ....... মহাত্মা গান্ধী
- আঁঠু কাঢ়ি থকা ভদ্ৰ লোক এজনতকৈ নিজৰ ভৰিৰ ওপৰত থিয় হৈ থকা চহা খেতিয়ক এজন বেছি ডাঙৰ। ........ বেঞ্জামিন ফ্ৰেঙ্কলিন
- জীৱন জুখিবা হাঁহিৰে, বয়স জুখিবা কৰ্মৰে। ....... লক্ষ্যধৰ চৌধুৰী
- ভুল আঁতৰাই সত্য প্ৰতিষ্ঠা কৰাটোৱেই শিক্ষাৰ মূল লক্ষ্য। ........ ছক্ৰেটিছ
- নিজ মাতৃক অৱহেলা কৰি দেশ মাতৃকাৰ সেৱাৰ চেষ্টা ভণ্ডামিহে মাথোন। ........... তৰুণ ৰাম ফুকন

সংগ্ৰাহক ঃ *মিছ ৰোকচানা বেগম*
(উঃ মাঃ ১ম বৰ্ষ)

প্ৰবন্ধ

# “অসমীয়া কবিতাত শেৱালী কবি ৰত্নকান্ত বৰকাকতিৰ স্থান”

✍ শ্ৰীমতী স্মৃতা বৰুৱা
স্নাতক দ্বিতীয় বৰ্ষ।
কলা শাখা
(অসমীয়া বিভাগ)

অসমীয়া কাব্য জগতত ৰোমান্টিক কবি হিচাপে খ্যাত “শেৱালী কবি” ৰত্নকান্ত বৰকাকতি এজন সাৰ্থক কবি। আধুনিক জগতত পৃথিৱীৰ সকলো দেশতে সকলো সাহিত্যত ৰোমান্টিচিজম্ স্পষ্টভাৱে দেখা যায়। পাশ্চাত্যৰ সাহিত্য অধ্যয়ন আৰু যুগৰ পৰিৱৰ্তনৰ ফলত অসমীয়া সাহিত্যইও নিচেই কম দিনৰ ভিতৰতে ৰোমান্টিক ভাৱদৰ্শনত সুঠাম গঢ় লয় ইয়াৰ ফলত আমাৰ সাহিত্যতো কবিসকলে বস্তুনিষ্ঠ ব্যক্তিবাদী হৈ পলায়নবাদৰ সৃষ্টি কৰে। প্ৰেমেই “মস্তক মনি” বুলি ব্যক্তবাদী কবি হিচাপে যতিন্দ্ৰ নাথ দুৱৰা আৰু গনেশ চন্দ্ৰ গগৈয়ে অসমীয়া কাব্য সাহিত্যত স্পষ্টভাৱে পৰিচয় দিয়ে। ইংৰাজ কবি ৰবাৰ্ট ব্ৰাউনিঙৰ দৰে আমাৰ কবি দেৱকান্ত বৰুৱাই ক’লে –

“বুকুৰে বিচাৰে মোৰ তপত পৰশ প্ৰিয়তমা!
বুকুৰ তোমাৰ।”

উৎকট প্ৰেম বিলাসী কবি গনেশ চন্দ্ৰ গগৈয়ে যৌৱনৰ ভৰপক অৱস্থাতে মানৱী প্ৰিয়াৰ প্ৰেমৰ মাদকতাত নিজক প্ৰিয়াৰ বুকুতেই বিলোপ কৰি অনেক ৰঙীন সপোন ৰচিছিল। কিন্তু সেই প্ৰিয়তমাৰ প্ৰত্যাখ্যানেই কবিক সংসাৰ কাঁটনিত বিহ মেটেকাৰ তলত হেঁচি ধৰি জীৱনটোক ক্ষত-বিক্ষত কৰি তুলিছিল। শেষত তেওঁ বক্তিম ৰাগেৰে ব্যৰ্থ জীৱনৰ করুণ সুৰ প্ৰতিধ্বনিত কৰি বিফল জীৱনটোলৈ আক্ষেপ কৰিছে।

“বিফলতাই যদি মোৰ জীৱন লগৰী,
তেন্তে কিয় সাজি বালিঘৰ
সময় কটাওঁ।”

জোনাকী যুগ আৰম্ভ হোৱাৰে পৰা অসমীয়া সাহিত্যত ৰোমান্টিক ভাৱধাৰাই প্ৰাধান্য লাভ কৰে। প্ৰকৃততে চন্দ্ৰ কুমাৰ আগৰৱালাই হে ৰোমান্টিক ভাৱধাৰাক সুপ্ৰতিস্থিত কৰে। মানৱৰ প্ৰতি মানৱৰ আকূল স্পৃহাই কবিক বাস্তৱবাদী কৰে। মানৱ প্ৰীতিতে তেওঁ দেখিছিল –

“ফুটুনে-নুফুটুকৈ কুমলীয়া কলিটি
ওঁঠত লাজেৰে ৰৈ মিছিকিয়া হাঁহিটি।”

জাতীয়তাবাদী, বাস্তৱবাদী, কৰ্মবাদী ৰোমান্টিক কবি অম্বিকাগিৰী ৰায়চৌধাৰীয়েও ঠিক তেনে এটা আকৰ্ষণতেই আকৰ্ষিত হৈছিল।

“তুমি লাজৰ ৰাঙলী আভা
গাভৰুৰ গোলাপী গালত।”

অসমীয়া কাব্য সাহিত্যত পূৰ্বপ্ৰতিস্থিত ৰোমান্টিক কবি যতীন্দ্ৰনাথ দুৱৰা। তেওঁক সহজ ভাষাৰেই কোৱা হৈছে প্ৰেমৰ কবি আৰু সৌন্দৰ্যৰ উপাসক বুলি। প্ৰেম প্ৰত্যাখানত দুৰ্ৱাৰো হৃদয় ভাগি চুৰ-মাৰ হয় আৰু চূৰ্ণিকৃত হৃদয়খনক দুহাতেৰে হেঁচি ধৰি জীৱনৰ করুণ বিননী শুনাইছে –

“প্ৰাণ মোৰ পৰিছে ভাগৰি
আঠে-বেথে তুলি লোৱা মোক
শেষ হওক তোমাৰ কোলাতে
জীৱনৰ যত দুখ-শোক।”

এই পৃথিৱীলৈ মানুহ ক’ৰপৰা আহিছে সঠিককৈ কোৱা টান। কিন্তু এই কথা সঠিকভাৱে ক’ব পাৰি যে সকলো মানুহে একোটা বিৰাট আশা মনত লৈ এই পৃথিৱীলৈ আহে। কিন্তু সেই সহজাত আশাবোৰক কিমানজনে বাস্তৱত পৰিণত কৰিব পাৰিছে সিও বিচাৰ্য্য বিষয়। ৰোমান্টিক কবিসকলেও আন-আন লোক সকলৰ দৰে কিছুমান আশা, কল্পনা আৰু কল্পনাৰ স্বপ্নৰাজ্য এখনৰ অস্তিত্ব উপলব্ধি কৰি যি শান্তিৰ কামনা কৰিছিল তাত হঠাতে কেনেবাকৈ ব্ৰজাঘাত হোৱাত তেওঁসকলক ব্যাকুল কৰি তুলিলে। পূৰ্ব উল্লিখিত কবিসকলৰ দৰে ৰত্নকান্ত বৰকাকতিয়ে মানসিক বিলাসীতা আৰু ৰূপ-ৰঙৰ সৌন্দৰ্যত আকৃষ্ট হৈ শেষত সৰ্বহাৰা হোৱা দেখা যায় –

“যিদিনা হন্তে
চকু চাত্ মাৰি
তুমি উজলিলা মোৰ ;
সেইদিন ধৰি
যেন নিছা হৰি
তিল-তিল কৈ
সকলোবোৰ ।”

কৈশোৰৰ দেউনা পাৰ হৈ যৌৱন কালত ভৰি দিয়াৰ লগে লগে তেওঁৰ সেই মুকলিমুৰীয়া উন্মুক্ত দৃষ্টি আদি সকলোবোৰ কোনো এটা নিৰ্দিষ্ট বিন্দুত কেন্দ্ৰীভূত হোৱাত কবিৰ দৃষ্টিশক্তিও সংকীৰ্ণ হৈ পৰিল। উন্মুক্ত দৃষ্টিত তেওঁ বিশ্বৰ যি অপৰূপ সৌন্দৰ্য দেখিছিল ; যৌৱন কালত কবিয়ে সেইবোৰকেই প্ৰিয়তমাৰ দুচকুত, দেহত, মুখত আৰু হাঁহিত দেখিবলৈ পালে। ইয়াতেই হ’ল কবিৰ বিশ্বহৰণ আৰু তাৰ ফলত তেওঁৰ মনত ৰোমাঞ্চৰ নতুন অনুভূতি জাগ্ৰত হৈ পৰিল –

“তিল-তিলকৈ
হৰিলা বিশ্ব
তিলোত্তমা হৈ
কৰিলা নিঃস্ব।”

কিন্তু যিবোৰ সৌন্দৰ্যই কবিক ধৰা দিছিল, যি প্ৰিয়াই তিলোত্তমাৰ দৰে সুন্দৰী হৈ কবিৰ মানসপটত দৃষ্ট হৈ পৰিছিল, সেই প্ৰিয়া আৰু সৌন্দৰ্য এদিন হঠাতে আঁতৰি গ’ল। লগে লগে সমগ্ৰ বিশ্ব হৈ পৰিল তেওঁৰ বাবে শ্মশান। সমগ্ৰ পৃথিৱীতে কবিয়ে দেখিবলৈ পালে প্ৰেম বিৰহৰ এক জ্বলন্ত অগ্নিপিণ্ড। এই প্ৰসাৰণ অথবা বিক্ষেপন ৰীতিৰেই কবিয়ে জগতখনলৈ চাওঁতে পাৰ্থিৱ সুখৰ পৰিৱৰ্তে এক অপাৰ্থিৱ সুখৰ উপলব্ধি কৰিলে। তেওঁ বুজি পালে মানুহৰেই নহয়, সকলো জীৱৰেই দেহ আৰু আত্মা দুটা বেলেগ বস্তু। দেহৰ মৰণ আছে কিন্তু আত্মাৰ মৰণ নাই আৰু দেহৰ মাজেদি আত্মাৰ মিলন কেতিয়াও সম্ভৱ নহয়। ইয়াতেই কবিৰ কল্পনা উৰ্দ্ধমুখী হ’ল আৰু আকৃতিহীন অৰূপ-অপৰূপৰ উপলব্ধি কৰিলে। তেতিয়াই তেওঁ সেই অৰূপৰ পূজাৰ আয়োজন কৰিলে। কিন্তু কাক পূজা কৰিছে তেওঁ তাকো নাজানি প্ৰকাশ কৰিছে –

“মই পূজো কৰোবাক ক’বকে নোৱাৰো,
এই দেখো, এই নাই, ভুলোকে- দুলোকে;
নিতে নৱৰূপ তাৰ।”

তেওঁ চিনি পোৱা নাই বুজি পোৱা অথচ এক অপৰূপ ৰূপৰ মাজতে প্ৰবেশ কৰি লুকা-ভাকো খেলিব লাগিছে। কিন্তু সেই অশৰীৰিৰ অৰূপ ৰতননো কোন, কি একোকে বুজিব পৰা নাই ; সেই কাৰণে তেওঁ একান্ত নম্ৰতাৰে প্ৰশ্ন কৰিলে –

“ তুমি কি প্ৰিয়
নোবুজো কিয়

নোৱাৰি ধৰিব
লুকুৱা কেনি?"

কবিয়ে বুজি পালে সকলো বস্তুৱেই ক্ষণভংগুৰ। সকলোৰে স্ৰষ্টা ভগৱান; তেওঁ চিৰ সুন্দৰ আৰু চিৰ স্থায়ী। কেৱল তেওঁৱেই আছে। সেইয়ে তেওঁ (কবি) তেওঁক ধৰিব পৰা নাই। কেৱল বুজিব পাৰিছে। কাৰণ --

"তুমিটো সুন্দৰম ইযে কুৎসিত সেই কাৰণেই নৰলা প্ৰিয়।"

কলুষ মনেৰে ভগৱানক পাব নোৱাৰি। সংসাৰ বান্ধোনৰ পৰা মায়া-মোহ, লোভ-ক্ৰোধক আঁতৰাই পৱিত্ৰ মনোবৃত্তিৰেহে ভগৱানক পোৱা সম্ভৱ। কিয়নো সৃষ্টিকৰ্তা হৈছে সুন্দৰ।

কবিয়ে চিৰসুন্দৰ বা ভগৱানক উপলব্ধি কৰিব পাৰিছে আৰু তাৰ লগে লগে দৃঢ়তাৰে কৈছে -- বিশ্ব ব্ৰহ্মাণ্ডখন যিমান সুন্দৰ, তাৰ সৃষ্টিকৰ্তা ভগৱান তাতোতকৈ বেছি সুন্দৰ।

এই দৰে ৰত্নকান্ত বৰকাকতিয়ে অসমীয়া সাহিত্য জগতত ৰোমান্টিক ভাৱাধাৰাৰ লগতে তেওঁৰ কবিতা সমূহত আধ্যাত্মিক আৰু দাৰ্শনিক ভাৱধাৰা স্পষ্টভাৱে প্ৰকাশ পাইছে। ৰোমান্টিক কবি হিচাপে তেওঁ যিদৰে তেওঁ খ্যাত ঠিক সেই দৰে ঈশ্বৰোপলব্ধি আৰু মানৱ জীৱনৰ গভীৰ দাৰ্শনিক। ৰত্নকান্ত বৰকাকতিক আধ্যাত্মিক আৰু দাৰ্শনিক শ্ৰেষ্ঠ কবিসকলৰ লগতেই আসন দিছে। তেওঁ সদায়েই অসমীয়া সাহিত্য জগতত ভোটা তৰা ৰূপে জিলিকি থাকিব দশো-দিশ উজ্জ্বল কৰি। ❑❑

## মহৎ লোকৰ বাণী

কোনজন মানুহক প্ৰকৃত অৰ্থত শিক্ষিত মানুহ বুলি ক'ব পাৰি?

যিজন মানুহে দৈনন্দিন জীৱনত সন্মুখীন হোৱা সমস্যাবোৰ নিজৰ বুদ্ধি-বৃত্তি খটুৱাই সমাধান কৰিব পাৰে। দ্বিতীয়তে, আন মানুহৰ প্ৰতি তেওঁৰ আচৰণ হ'ব লাগিব সন্মানসূচক আৰু শিষ্টাচাৰপূৰ্ণ। আনৰ দোষ-ত্ৰুটিবোৰ তেওঁ হাঁহিমুখে সহ্য কৰিব লাগিব আৰু আনৰ প্ৰতি তেওঁ হ'ব লাগিব সদয় আৰু সহানুভূতিশীল। যি মানুহক উত্ৰাৱল নকৰে, কৃতকাৰ্যই নষ্ট নকৰে, সকলো প্ৰতিকুল পৰিস্থিতিৰ সন্মুখতো যি মানুহে ধৈৰ্য্য নেহেৰুৱাই নিজৰ ওপৰত বিশ্বাস ৰাখে, তেওঁকেই প্ৰকৃত জ্ঞানী মানুহ বুলি ক'ব পাৰি।

সংগ্ৰাহক ঃ *ননীমাধৰ ফুকন*










অনুভৱ

# অক্ষৰ ধামত এখোজ

বাণী দেৱী
গ্ৰন্থাগাৰিকা,
সোণাৰি মহাবিদ্যালয়।

২০০৮ চনৰ ২৮ ফেব্ৰুৱাৰীত নগাঁওত বিয়া এখন খাবলৈ গৈ দু-ৰাতি নগাঁওৰ Borah Inn ত আছিলোগৈ। আহিবৰ দিনা পুৱাই আমাৰ College ৰ Principal Sir, Dr. Rajen Tamuli ৰ পৰা এটা Phone পালো। আৰু জানিব পাৰিলো যে আমাৰ College Library automation ৰ বাবে INFLIBNET (Information Library Network) য়ে SOUL (Software for University) Software ৰ লগতে Short term trainning Course এটাৰ বাবে Invitation letter পঠাইছে। মনটো ভাল লাগিল যদিও অলপ চিন্তাত পৰিছিলো কাৰণ এটা Software ৰ ওপৰত training এটা লোৱাৰ জোখাৰে মোৰ সামৰ্থ্য আছেনে নাই ( Sound Knowledge of Computer Technology ৰ কথাই বুজাব বিচাৰিছো) ? তথাপি মনটোৱে কৈছিল চেষ্টাৰ অসাধ্য একো নাই, কিয় নোৱাৰিম, সেই ভাবিয়েই নগাঁওৰ পৰা ঘূৰি আহিয়েই কলেজৰ পৰা Official letter খন পোৱাৰ পাছত যোৱাটোকে সিদ্ধান্ত কৰিলো। লগতে মোৰ স্বামী সহযাত্ৰী হ'ল। আমি দুয়ো ২২ মাৰ্চত গুৱাহাটীৰ পৰা দিল্লীলৈ উৰা মাৰিলো। দিল্লীত এৰাতি কটাই ২৩ মাৰ্চত দিল্লীৰ পৰা পাছবেলাৰ Flight ৰে আহমেদাবাদত ৰাতি ১১ বজাত পালোগৈ। আনফালেদি আহমেদাবাদৰ Airport ত এওঁৰ মোমায়েকৰ ল'ৰা বাবুল, পত্নী টুটু আমাৰ বাবে ৰৈ আছিল। তেওঁলোক ৰৈ থকাৰ বাবে কোনো অসুবিধাত নপৰাকৈয়ে INFLIBNET ৰ Guest house (Gujrat University Campus, Ahmadabad) ত মোক থৈ এওঁলোক Mehchenai (বাবুলৰ ঘৰ তথা কৰ্মস্থান) নামৰ চিটিখনলৈ গ'লগৈ।

INFLIBNET ৰ Guest house ত মোৰ সৈতে ৫ গৰাকী North East ৰ বিভিন্ন কলেজৰ Librarian আছিল। আমি আটাইকেইজনীয়ে ২৪ মাৰ্চৰ পুৱা আমাৰ বাবে ready কৰি থোৱা সম্পূৰ্ণ গুজৰাটী আহাৰ গ্ৰহণ কৰিলো। লগতে গুজৰাটী আহাৰ গ্ৰহণ কৰি মই বৰ সুখানুভৱ কৰিলো। তাৰ পাছতেই আমাৰ Training ৰ Class বোৰ আৰম্ভ হ'ল। ২৪ মাৰ্চৰ পৰা ২৮ মাৰ্চলৈ পুৱা ন বজাৰ পৰা ৫ বজালৈ Class বোৰ হৈছিল। Class বোৰ কৰি যথেষ্ট ভাল লাগিছিল। আনহাতে মোৰ Computer ওপৰত Sound Knowledge নথকাৰ বাবে যিমান ভয় খাইছিলো, আচলতে Training Period ত মই ভবাতকৈ ভালদৰেহে কথাবোৰ আয়ত্ব কৰাৰ লগতে উপস্থাপন কৰিব পাৰিছিলো। এই লেখাৰ মাজেৰে প্ৰকৃততে মই আমাৰ যাত্ৰাত অনুভৱ হোৱা আৰু বিভিন্ন সময়ত বিভিন্ন পৰিস্থিতিত লাভ কৰা অভিজ্ঞতা ও তাত দেখি অহা বেলেগ বেলেগ Tourist Place বোৰৰ বিষয়ে দুই এটা কথা ব্যক্ত কৰিব বিচাৰিছো।

গুজৰাটৰ আহমেদাবাদ এখন বৰ ডাঙৰ মহানগৰ। ইয়াৰ মানুহবোৰ অতি সজভাবাপন্ন। গান্ধীবাদী আৰ্দশৰে পৰিচালিত প্ৰতিজন ব্যক্তিৰ ব্যক্তিত্ব অতি সুন্দৰ। আমি থকা Guest house ৰ 'কেয়াৰটেকাৰ' আৰু ৰন্ধনশালাৰ মানুহকেইজনৰ আচৰণ আৰু কথা-বতৰাই আমাক মুগ্ধ কৰিছিল। তাৰ যেন Auto চালক কেইজনৰ মাজতো দুষ্ট প্ৰকৃতিৰ মানুহ নাছিল, এনে ভাব হৈছিল। তাত থকা দিনকেইটাত আমি মহানগৰখন ফুৰাৰ সুবিধা পাইছিলো। প্ৰথমতেই আমি গান্ধী আশ্ৰমলৈকে যোৱাটোকে ভাবিছিলো। আমাৰ পৰমপিতা মহাত্মা গান্ধীৰ চবৰমতী আশ্ৰমত যেতিয়া সোমাইছিলো তেতিয়া ভাব হৈছিল সঁচাই গান্ধীজী মহামানৱ মহাত্মা আছিল। তাত তেখেতৰ বিভিন্ন সময়ৰ চিত্ৰ সমূহ অতি সুন্দৰকৈ শৃংখলাবদ্ধ ভাবে ৰখাৰ উপৰিও চবৰমতী নদীৰ পাৰত থকা তেখেতৰ আটোম টোকাৰী বাসগৃহটোৱে মোক বৰকৈ আনন্দিত কৰিছিল। অৱশ্যে গান্ধীজী থকা কোঠালীটো বাহিৰৰ পৰা দৰ্শনৰ ব্যৱস্থা আছে, বাকী খোৱাকোঠা, কস্তুৰীবাৰ কোঠা, এইবোৰলৈ দৰ্শনাথী সোমাব পাৰে। আমিয়ো আটাইবোৰ সোমাওঁতে ভাব হৈছিল আমাৰ যেন আজি জীৱন সাৰ্থক হ'ল। গান্ধীজীৰ প্ৰাৰ্থনা থলীখন বেৰাদি জোতা পিন্ধি সোমাব নোৱাৰা কৰি সুন্দৰকৈ ৰাখিছে। এইদৰে আমি এই মহানগৰীখনৰ বিভিন্ন মন্দিৰ আদিত সোমাই আনন্দ উপভোগ কৰিছিলো। চবৰমতী আশ্ৰমৰ পাছতেই ইয়াত থকা

"অক্ষয়ধাম" লৈ বুলি ৰাওনা হৈছিলো। কি অপূৰ্ব সেই ধাম - সত্য শিৱ সুন্দৰৰ যেন মূৰ্তৰূপ। জীৱন স্থাপত্যৰ মূৰ্তৰূপ পৰিকল্পিত অক্ষয়ধাম সমগ্ৰ মানৱ জাতিৰ বাবে এক অনুপম উপহাৰ। ভাৰত সংস্কৃতিৰ শাশ্বত সত্যৰ আধুনিক উপস্থাপনৰ নিদৰ্শন ইয়াত বিদ্যমান হৈ আছে। ২৩ একৰ সু-বিস্তীৰ্ণ সেউজীয়া প্ৰান্তৰৰ মাজত অৱস্থিত এই ধাম "প্ৰভূ স্বামীনাৰায়ণৰ" নামত উৎসৰ্গীত, মূলত ই এক সাংস্কৃতিক প্ৰাণকেন্দ্ৰ, এই ধামত মূলত চাৰিটি অপৰিহাৰ্য্য অংগ আছে।

**(১) অক্ষৰধাম স্মৃতিসৌধ ঃ-** অক্ষৰধামৰ কেন্দ্ৰস্থলত পৰিস্ফুট হৈ আছে 'অক্ষৰধাম সৌধ'। ৰাজস্থানৰ পৰা সংগ্ৰহ কৰি অনা গুলপীয়া ৰংৰ শিল-বালিৰে নিৰ্মিত এই সৌধ স্থাপত্যৰ এক পৰম বিস্ময়। ১০৮ ফুট ওখ, ২৪০ ফুট দীঘল আৰু ১৩১ ফুট বহল সুবিশাল এই স্মৃতি সৌধটি ৬০০০ মেট্ৰিকটন গোলাপী আভাৰ বেলে পাথৰ দি ৮০,০০,০০০ ব্যক্তিৰ শ্ৰমদানেৰে ছয়বছৰত এই অক্ষৰধাম স্মৃতিসৌধ নিৰ্মিত হৈছিল। এই মন্দিৰৰ মাজত অৱস্থিত হ'লঘৰটোৰ আকষৰ্ণৰ কেন্দ্ৰবিন্দু হ'ল প্ৰভূ স্বামীনাৰায়ণৰ ৭ ফুট ওখ দেৱোপথ সোণৰ শ্ৰীমূৰ্তিটো। এই মন্দিৰ ভাৰতীয় ভাস্কৰ্য্যৰ অন্যতম সৰ্বশ্ৰেষ্ঠ নিদৰ্শন।

**(২) সদ্- চিত্ত আনন্দ ঃ-** 'সৰ্চ্চিদানন্দন্' - এক অভিনৱ প্ৰেক্ষাগৃহ। ইয়াতেই সৰ্বপ্ৰথম "ইনটিগ্ৰেভিশন" - মাধ্যমেৰে অক্ষয় আনন্দৰ বিশ্বজনীন বাৰ্তা প্ৰচাৰিত হ'ল। সচ্চিদানন্দ শব্দৰ অৰ্থ - সৎ, জ্ঞান আৰু আনন্দ। ই যদিও আধ্যাত্মিক বাৰ্তালাপ তথাপি ইয়াৰ মাজত বৈজ্ঞানিক দৃষ্টিভংগী পৰিস্ফুট হৈ আছে। এই মন্দিৰৰ আনটো দিশ নিত্যানন্দ নামেৰে পৰিচিত। অক্ষয়ধামত প্ৰদৰ্শিত এই আনন্দ উপভোগ কৰা দৰ্শকবৃন্দই ভাৰতীয় সংস্কৃ-তিৰ সনাতন সত্য বোৰৰ সন্ধান পাব পাৰে। কাৰণ ইয়াত ভাৰতীয় সংস্কৃতিৰ পৌৰাণিক কাহিনীবোৰৰ অংশবিশেষ অতি প্ৰাণবন্তভাৱে অংকিত আৰু খোদিত কৰা আছে। উপনিষদ, ৰামায়ণ, মহাভাৰতৰ বিভিন্ন কাহিনী ইয়াত সামৰিলোৱা দেখা যায়।

**(৩) আহমেদাবাদৰ অক্ষয়ধামৰ অন্য এক উপভোগ্য স্থান হৈছে ''সহজানন্দ বন''** - এই বন নয়নতৃপ্ত কৰিব পৰা এক সাংস্কৃতিক কানন, গছ-লতা, বন- জুৰিক মানুহৰ হাতৰ স্পৰ্শৰে সযতনে ইমান সুন্দৰ কৰি তোলা হৈছে যে তাক নেদেখিলে অনুভৱ কৰিবলৈকে অসুবিধা। যেনিয়েই চোৱা যায় তেনিয়েই প্ৰকৃতিৰ ৰূপেৰে ৰূপোৱালী পৰিৱেশ। এই কাননত আশ্ৰিত বিশেষ বস্তুকেইপদ হ'ল - ঔষধি গুণ বিশিষ্ট গছ-লতিকাৰ বাগান, মুকলি মঞ্চ আৰু শিশু উদ্যান, শিলত খোদিত মূৰ্তিৰ দ্বাৰা উপস্থাপিত পৌৰাণিক সমুদ্ৰ মন্থনৰ দৃশ্য এই বাগিছাৰ বিশেষ আকৰ্ষণ। বাগিছাখনৰ মনোৰম শান্ত পৰিৱেশে দৰ্শকৰ মন সহজেই অন্তমুখী কৰি তোলে। এই বাগিছাৰ বিভিন্ন প্ৰান্তৰ প্ৰস্তৰ মূৰ্তিৰ ভাস্কৰ্য্য দেখিলে সঁচাই স্তম্ভিত হোৱা যায়। এনেদৰে অক্ষয়ধামৰ বিভিন্ন দিশ চোৱাৰ পাছত আমি প্ৰৱেশ কৰিলো — আৰ্শঃআৰ্শ হ'ল সমাজ সমন্বয়নৰ ফলত সৃষ্টি হোৱা গৱেষণামূলক অক্ষৰ ধাম কেন্দ্ৰ যাক গৱেষণা কেন্দ্ৰ বুলি জনা যায়। শিক্ষা, সংস্কৃতি, চিকিৎসা, গ্ৰাম্য উন্নয়ন, সামাজিক দোষ দূৰীকৰণ, প্ৰাকৃতিক বিপৰ্য্যয়ৰ মোকামিলা আদি বহুবোৰ জনহিতকৰ কাম-কাজ এই গৱেষণা কেন্দ্ৰ দ্বাৰা পৰিচালিত হয়। গ্ৰন্থাগাৰ অধ্যয়ন গৃহ, কম্পিউটাৰ কেন্দ্ৰ আদি সকলো প্ৰকাৰৰ আধুনিক সুবিধাৰ মিলনক্ষেত্ৰ এই গৱেষণা কেন্দ্ৰ আৰ্শ। আধ্যাত্মিক দিশৰ পৰা যদি অক্ষৰধামক বিচাৰ কৰা যায় তেন্তে দেখা যায় প্ৰেম আৰু কৰুণাৰ মূৰ্তৰূপ প্ৰভূ স্বামীনাৰায়ণে হ'ল অক্ষৰধামৰ প্ৰাণ পুৰুষ। আমাৰ শংকৰ-মাধৱ মহাপুৰুষৰ দৰেই অষ্টাদশ শতিকাত মৃতপ্ৰায় জনজীৱনত প্ৰভূৰ আৰ্বিভাৱে নৱজীৱন দান কৰিছিল বুলি আখ্যান আছে। এইজনা মহাপুৰুষৰ মাত্ৰ এঘাৰ বছৰ (১১) বয়সতে গৃহ ত্যাগ কৰি অসংখ্য বিপদ সংকুলৰ মাজতো কঠোৰ সাধনাত লিপ্ত হৈ বোধ জ্ঞান লাভ কৰিছিল। এই দেৱোপম বালকে ৭ বছৰ কাল উত্তৰে হিমালয়ৰ পৰা আৰম্ভ কৰি উপত্যাকা আৰু অৰণ্যৰ মাজেৰে পদব্ৰজে প্ৰায় ১২,০০০ কিঃমিঃ পথ পৰিভ্ৰমণ কৰি ভাৰতবৰ্ষৰ গুজৰাট প্ৰদেশকে কৰ্মক্ষেত্ৰ বুলি নিৰ্বাচন কৰিছিল। তেখেতৰ প্ৰচেষ্টাৰ ফলশ্ৰুতি স্বৰূপে গুজৰাট প্ৰদেশত অতি কম সময়ৰ ভিতৰতে শান্তি, শৃংখলা, নৈতিকতা প্ৰকৃতি পুনঃ প্ৰতিষ্ঠিত হৈছিল। এইজনা মহাপুৰুষে মাত্ৰ ৪৯ বছৰ বয়সতে সত্যলোক ত্যাগ কৰি স্বৰ্গগামী হৈছিল।

সমস্ত গুজৰাট প্ৰদেশৰ সৰ্বজনপ্ৰিয় সাধু, এক আদৰ্শ তপস্বী এইজনা মহামানৱৰ বহুমুখী ব্যক্তিত্বৰ বৰ্ণনা দিয়াটো অসম্ভৱ। এইজনা মহামানৱ একেধাৰে দৰিদ্ৰৰ পালনকৰ্তা, দলিতৰ উদ্ধাৰকৰ্তা, দেশে-বিদেশে প্ৰচাৰিত ভাৰত সংস্কৃতিৰ প্ৰৱক্তা। আধ্যাত্মিকতাৰ পৰা আধুনিকতালৈকে অক্ষয়ধামে সমানেই জনপ্ৰিয়তা অৰ্জন কৰা দেখা যায়।

মোক ব্যক্তিগতভাৱে এই দৰ্শনে আধ্যাত্মজ্ঞান দীপেৰে আলোকিত কৰাৰ লগতে অনুভৱ হ'ল অক্ষয়ধাম পৰিভ্ৰমণ আচলতে এক দুৰ্লভ তীৰ্থ পৰিভ্ৰমণহে। মই ভাবো অক্ষয়ধামৰ স্বৰ্গীয় অভিজ্ঞতাই প্ৰতিজন দৰ্শনাৰ্থীক এক অৰ্থবহ জীৱনৰ নতুন দিগন্তৰ সুচনা যোগাব।❑❑



গল্প

# সৰা ফুল মৰহি যা

✍ খগেন কোঁৱৰ
স্নাতক দ্বিতীয় বৰ্ষ
(ৰাজনীতি বিজ্ঞান)।

অকস্মাতে বলা মলয়া বতাহজাকে ঘৰৰ সন্মুখৰ ফুলনিবাৰীখনৰ ফুলবোৰক যেন নাচিবলৈ অনুৰোধ কৰিছে। ফুলনিৰ ফুলবিলাকো মলয়া বতাহজাকৰ অনুৰোধ ৰক্ষা কৰি হালি-জালি নাচিব ধৰিছে। এনেকুৱা আবেলিত অনন্ত কোঁৱৰে সাধাৰণতে ক'লৈও ওলাই নাযায়। কাৰণ এনেধৰণৰ আবেলি তাৰ বাবে বৰ প্ৰিয় আছিল। এনে আবেলিবোৰতে সি ফুলনিৰ মাজৰ চকীখনত বহি ভৱিষ্যতৰ সপোন দেখাত ব্যস্ত আছিল। এনেকুৱা আবেলিত সি গীতিমালাৰ লগত ফুলনি ৰোৱাৰ কথা ভাৱিছিল। সময়ত গোলাপজোপাই যিদৰে ফুলৰ সৈতে ফুলনি বাৰীখনক শুৱনি কৰিব; তেনেদৰে গীতিমালা আৰু তাৰ সংসাৰখনে ঘৰখনক শুৱনি কৰিব বুলি কল্পনা কৰিছিল। কিন্তু তাৰ সকলো কল্পনা বিপথে গৈছিল। কাৰণ সেই গীতিমালাই এতিয়া কি কৰিছে। তাৰ সহপাঠী দিগন্তৰ দুবাহুৰ মাজত নিশ্চিন্ত মনে বসন্তৰ আমেজ উপভোগ কৰিছে। সঁচাকৈ আজি তাৰ মনটো উদাস উদাস লাগি গ'ল আৰু এনে আবেলি তাৰ প্ৰিয় হ'লেও মনটো ভাল লাগিবলৈ মূল আলিলৈ অলপ আগবাঢ়িছে।

অধ্যয়নৰ প্ৰতি বৰ ৰাপ আছিল অনন্তৰ। সেইঘৰৰ পাঁচজনীয়া দৰিদ্ৰ পৰিয়ালটোৰ পিতৃয়ে তাৰ মনোভাৱক বুজি খেতি কৰা মাটি বন্ধকত থৈ তাৰ অধ্যয়নৰ প্ৰয়োজনীয় সামগ্ৰীবিলাক যোগান ধৰিছিল। এনেদৰে সি মাক-দেউতাকৰ প্ৰেৰণাত ওচৰৰ গাঁৱলীয়া ক'লেজখনৰ পৰাই ফাৰ্ষ্ট ডিভিজনত হায়াৰ ছেকেণ্ডেৰী পাচ কৰি চহৰৰ মহাবিদ্যালয়ত স্নাতক পঢ়িবলৈ যায়। সেই মহাবিদ্যালয়তেই সি অৰ্থনীতিক মূল বিষয় হিচাপে বাচি স্নাতক অধ্যয়নৰ পাতনি মেলে। কিন্তু কেইদিনমান ক্লাছ কৰাৰ পিছতেই তাৰ বন্ধু জীৱনে একেই বিভাগৰ অনন্তক গীতিমালা মহনৰ লগত চিনাকী কৰাই দিয়ে। প্ৰথম চিনাকীত অনন্তই তাইক সিমান গুৰুত্ব দিয়া নাছিল। কাৰণ সি ছোৱালীৰ চকুত চকু থৈ খুলা-খুলিকৈ কথা পাতিবলৈ অসুবিধা পাইছিল। সেয়ে সি তাই সোধা প্ৰশ্ন কেইটাৰ উত্তৰ দি আন কোনো প্ৰশ্ন তাইক নকৰিলে। কিন্তু এমাহমান ক্লাছ কৰাৰ পিছত এদিন সি পাছফালৰ পৰা তাৰ নাম কাঢ়ি মতা এটা নাৰীকণ্ঠ শুনি পিছলৈ ঘূৰি ছোৱাত দেখে গীতিমালা তাৰ ফালে আগুৱাই আহিছে। ...............

ঃ কালি বৰুৱা চাৰে কৰা ক্লাছটোৰ নোটখিনি



মোক এদিনৰ বাবে দিবা নেকি? বিশেষ কাৰণ এটাত কালি মই ক্লাছ কৰিব নোৱাৰিলো। গীতিমালাই বৰ দুখ মনেৰে তাক কথাষাৰ কৈছিল।

ঃ হ'ব বাৰু, মই বহীখন কালিলৈ আনি দিম। কাৰণ কালি নোট লিখা বহীখন আজি মই আনিবলৈ পাহৰিলো। অনন্তই বহীখন দিবলৈ টান পাইছিল যদিও তাইৰ সেমেকা চকুযুৰি দেখি উপায়হীন হৈও এনদেৰে কৈছিল।

ঃ ধন্যবাদ। ময়ো সময়ত তোমাক সহায় কৰিম। — গীতিমালাই এই কথাষাৰ চঞ্চল মনেৰে তাক কৈছিল।

ঃ হ'ব, যদিও অনন্তই এই শব্দটো সহজভাৱেই কৈছিল তাৰ মনত বৰ খং উঠিছিল। কাৰণ সি নাৰীৰ পৰা সহায় আৰু ধন্যবাদ পোৱাটো কোনো পধ্যেই গ্ৰহণ নকৰে।

এনেদৰে ক্ৰমে গীতি মালাই তাৰ নোটবিলাক বিচাৰিছিল আৰু অনন্তইয়ো উপায়বিহীন হৈ নোটবিলাক তাইক দিবলৈ বাধ্য হৈছিল। প্ৰথমতেই অনন্তই তাইৰ এনে কাৰ্যত ভাল পোৱা নাছিল যদিও অধ্যয়নৰ প্ৰতি থকা তাইৰ ৰাপ দেখি তাইৰ লগত দুই এষাৰ কথা পাতি ক্ৰমে দুয়ো ওচৰ চাপিছিল। কাৰণ সি এনেধৰণৰ বন্ধু প্ৰায় বিচাৰে। এনেদৰে উভয়ৰ মাজত সম্পৰ্ক গভীৰ হৈ মনত এক প্ৰেমৰ শিহৰণ জাগি উঠিছে। কিন্তু কোনেও কাৰো আগত প্ৰকাশ কৰিব নোৱাৰিছিল।

কিন্তু, বিধিয়ে অনন্তৰ এনে কাৰ্যক ঈৰ্যাৰ দৃষ্টিৰে চালে। ফলত হঠাত তাৰ জীৱনলৈ দুৰ্ভাগ্য নামি আহিছিল। যিদিনা নিশা বাৰ বজাত যক্ষ্মা ৰোগত দেউতাক ঢুকুৱা খবৰটো পালে সি ৰাতিয়েই বলিয়াৰ দৰে মেচৰ পৰা ঘৰত ওলাই ছিলগৈ । বাপেকৰ মৃতদেহটো বগা কাপোৰে ঢাকি থোৱা দেখি সি হিয়া উবুৰিয়াই কান্দিছিল ; কাৰণ বাপেকে তাৰ বাবে টকা যোগান ধৰোঁতে ধৰোঁতে নিজৰ বেমাৰটোক ভালদৰে চিকিৎসা কৰিবলৈ টকা যোগাব নোৱাৰিছিল। সিদিনা অনন্তই চিঞৰি চিঞৰি কান্দিছিল, কৈছিল পিতাই তই কিয় মোৰ বাবে মৃত্যুক সাৱতি ল'লি। মোক পঢ়াবৰ বাবে কিয় তই নিজৰ জীৱনটোক বেচিলি। তোৰ মৃতদেহটো গা-ধুৱাই জ্বলাই দিয়াৰ পৰিৱৰ্ত্তে একো কৰিব নোৱাৰিলো। মোক ক্ষমিবি পিতাই, মোক ক্ষমিবি।

দেউতাৰ শ্ৰাদ্ধলৈ অনন্তই দুমাহ দিন ঘৰত থাকিব লগীয়া হ'ল। দুমাহৰ পিছত সি সোমবাৰৰ দিনা প্ৰথম মেজৰ ক্লাছটো পাবলৈ ৰাতিপুৱাই আঠ বজাতে ক'লেজত উপস্থিত হৈছিল। সি পোনে-পোনেই নিজৰ মেজৰ ৰুমটোলৈ যাঁওতে হঠাতে ফুচ-ফুচকৈ এটি নাৰীকণ্ঠ শুনিবলৈ পায়। মেজৰ ৰুমটোৰ দৰ্জাখন ফাক কৰি সি যিটো দৃশ্য দেখিবলৈ পালে সেই দৃশ্যই নাৰীৰ প্ৰতি থকা বিশ্বাস পুনৰ নাইকিয়া কৰি দিলে। সি দেখে গীতিমালাই দিগন্তৰ দুবাহুত আবদ্ধ হৈ আছে। কোনো শব্দ নকৰি আঁতৰি আহি সি পোনে-পোনে ঘৰলৈ আহি দিয়ে। ঘৰত অনন্তই বিচনাত পৰি পাৰে মানে কান্দিলে আৰু সমষ্ট নাৰী জাতিটোৰ প্ৰতি তাৰ মনত ঘৃণা উপজিছে। সি মনতেই চিঞৰি চিঞৰি কৈছিল - -

এয়ে নাৰী জাতি নেকি? যিয়ে কেৱল ক্ষমতাসম্পন্ন, ধনী মানুহৰ লগত সম্পৰ্ক ৰাখিব বিচাৰে, যিয়ে দুখীয়া সৰল-সহজ ল'ৰাক প্ৰতাৰণা কৰে। এয়ে প্ৰেম নেকি? যাৰ কোনো সীমা নাই। একে সময়তেই এজন নহয় দুজনৰ লগতো এগৰাকী নাৰীয়ে প্ৰেম কৰিব পাৰে।

তাৰ মনৰ এনে অৱস্থাক ঘৰৰ আন কাকো বুজিবলৈ সুযোগ নিদি পিছদিনা পুনৰ মনটো আগৰ দৰে সুস্থিৰ কৰি ক'লেজলৈ যায়। ক'লেজত অনন্তই জীৱনৰ লগত দুই-এষাৰ কথা পাতি প্ৰয়োজনীয় ক্লাছকেইটা কৰে আৰু সময়ত ঘৰলৈ উভতিবলৈ বাছৰ অভিমুখে ৰাওনা হয়। কিন্তু তৎক্ষণাত সি লক্ষ্য কৰে যে দিগন্তৰ বাইকৰ পিচত বহি গীতিমালা হাঁহি ধেমালিৰে কথা পাতি ৰাজ পথত অতিক্ৰম কৰিছে। অনন্তই সিহঁতৰ সন্মুখীন হ'বলৈ অসুবিধা পোৱাত কিতাপ এখন কিনাৰ উদ্দেশ্যেৰে কাষৰ দোকানখনত সোমায়। সিদিনাৰ পৰা তাৰ মনত প্ৰেম নামৰ শব্দটোৰ প্ৰতি এক তীব্ৰ ঘৃণা ভাৱ জাগি উঠে আৰু জীৱনৰ পথ হিচাপে অধ্যয়নক উচ্চস্থান দিলে। এতিয়া সি মাক, ভায়েক, ভনীয়েকক সুখী কৰাৰ সিদ্ধান্ত লৈছে। সি দেউতাকৰ শেষ ইচ্ছা পুৰণ কৰিবলৈ, এজন কলেজৰ প্ৰৱক্তা হ'বলৈ অশেষ কষ্ট আৰু ত্যাগ স্বীকাৰ কৰিবলৈ সাজু হৈছে। এতিয়া গীতিমালাক মৰহি যোৱা ফুলৰ দৰে ত্যাগ কৰিবলৈ প্ৰতিজ্ঞা কৰিছে। ❑❑

**তথ্যকোষ**

- প্ৰাচীন কালত মিছৰীয় লোকসকলে ঘৰিয়ালক অলংকাৰ পিন্ধোৱাৰ নিয়ম প্ৰচলিত আছিল।
- ফ্ৰেন্স পলিনেছিয়াত কোনো বিষাক্ত সাপ বা পোক নাই।





গল্প

# নাম থলো তোমাৰ জোনালী

করণ থাপা
স্নাতক ২য় বৰ্ষ (ৰাজনীতি)
সোণাৰি কলেজ।

নাম থলোঁ তোমাৰ জোনালী,
তোমাৰ ওঁঠত ফুলে জোনাকৰ ধেমালি।

এখন সৰু গাঁও। ভলোকাগুৰি গাঁও। এই গাঁৱৰেই এঘৰৰ পদূলী উদুলি-মুদুলি, সাতখন নে আঠখন গাঁৱৰ মানুহ গোট খাইছিল। এখন বিয়া, উফন্দি উঠিছে গাঁওখনৰ বুকু, গাঁওখনৰ প্ৰতিজন মানুহেই আনন্দৰ সমভাগী হৈছে, ৰজন জনাই উঠিছে আকাশ আৰু বতাহ।

বিয়াৰ পিছত এনিশা জ্বলিছিল সৃষ্টিৰ চাকি। তেনেতে এদিন দহ মাহ দহদিনত পৃথিৱীলৈ নামি আহিল এক দেৱ শিশু মাক-দেউতাকৰ প্ৰেমৰ সাক্ষী তেজৰ চিনাকী। তাই জোনালী

এটাই দিন। শুভ দিন
জোনালীৰ জন্ম দিন
পোহৰৰ জন্মৰ পিছত জোনালীৰ জন্ম
উলাহত হাঁহিছিল ধাননী পথাৰ
ঢৌ খেলি নাচিছিল দিচাং নদীৰ পানী
উজানৰ বগা মাছে
ৰূপোৱালী কৰিছিল দিচাঙৰ বুকু
মিঠা সুৰ আৰু শব্দৰ জোনালী
নাম থলো তোমাৰ জোনালী
তোমাৰ ওঁঠত ফুলে জোনাকৰ ধেমালি

দাঁত গজিছিল, মাত ফুটি ছিল, বহিছিল, চুচঁৰিছিল, খোজ কাঢ়িছিল, দৌৰি ফুৰিছিল। দিচাংৰ বুকুত সাঁতুৰি-নাদুৰি তাই ডাঙৰ-দীঘল হৈছিল। তাই ধুনীয়া জোনাকৰ দৰে, সেয়ে তাইৰ নাম জোনালী থোৱা হৈছিল। নাম থলোঁ তোমাৰ জোনালী, তোমাৰ ওঁঠত ফুলে জোনাকৰ ধেমালি।

ক্ৰমান্বয়ে জোনালী ডাঙৰ হৈ আহিছিল। তাইৰ দেহত, মুখত গুণ-গুণ গান। তাই ফ্ৰক পিন্ধিবলৈ এৰিলে। বুকু তাইৰ আঁচলেৰে ঢাকে। ল'ৰাবোৰে তাইৰ লগত চুপতি মাৰিবলৈ ধৰিলে। সমনীয়াৰ সৈতে নেখেলা হ'ল তাই। সপোন দেখে আশাৰ, সপোনত আকাশে আহি আমনি কৰে। ক্লাছৰুমত, খেলা-ধুলা আৰু বেল আদিত আবদ্ধ হৈ গৈছিল তাইৰ জীৱন। আন সকলোৰে দৰে তাইৰ জীৱনো এই জীৱনত সহজ হৈ পৰিছিল। হাঁহি কান্দোনৰ মাজেৰেই তাই পাৰ কৰিছিল যোল্লটা বছৰ। বৰ্তমান তাই সেই আগৰ জোনালী নহয় যি অলপ কথাতেই কান্দিছিল। আজিকালি তাই খুব কমেই কান্দে।

জোনাকৰ গীত গাই ভালপোৱা আকাশ। আকাশ গাঁৱলীয়া ল'ৰা। নাঙলৰ মুঠিতে হাত থৈ আপোন পাহৰা হোৱা। সময় পাখি লগা কাঁড়ৰ দৰে। সময়ে কাৰো বাবে ৰৈ নাথাকে, ৰৈ থকা নাছিল আকাশৰ বাবেও। ই পাখি লগা কাঁড়ৰ দৰে গতি কৰিছিল অজান মুলুকলৈ বুলি। কিছু তিতা-মিঠা অনুভূতিৰ সৈতে সি জীৱনৰ ১৬ টা বসন্ত গৰকি যৌৱনত ভৰি দিছিল। সুখ্যাতিৰে হাইস্কুলৰ শিক্ষান্ত পৰীক্ষাত উত্তীৰ্ণ হৈছিল টিমন হাইস্কুলৰ পৰা আৰু মাহমৰা ডিপ্লিং উচ্চ মাধ্যমিক বিদ্যালয়ত নাম ভৰ্ত্তি কৰিছিল। আকাশে জোনালীক প্ৰথম দেখিছিল ডিপ্লিং হায়াৰ ছেকেণ্ডেৰীত। জোনালীৰ লগত তৰা, ফুল, চিম্পি, গায়ত্ৰী, শ্যামন্তিকা স্কুললৈ আহি ছিল। জোনালীয়ে লগত লৈ আহিছিল টলবল সপোন। তাই কেতিয়াবা হাঁহিছিল, হাঁহিত শেৱালী সৰিছিল আৰু আকাশে দৃষ্টিতে বুটলিছিল বেগতে ভৰাই। তাইৰ খোজত উঠিছিল ৰুণ-জুন গুঞ্জন। মুখৰিত হৈছিল 1st year ক্লাছ। এনেদৰে আকাশে জোনালীক চিন্তিত অৱস্থাত টিমন শাৰদীয় মেলাত আকৌ দেখা-দেখি হ'ল। জোনালীয়ে মূৰ তল কৰি চাওঁনে নেচাওঁ কৰি চোৰ-চোৰকৈ চাইছিল। তাই ধৰা পৰিছিল লগৰ কিজনীৰ পৰা। জোনালীৰ চকুৰে আকাশৰ চকুৰ সৈতে কথা পাতিছিল। আকাশে হৃদয়ৰ অবুজ টানত চিনাকী দিলে মই আকাশ। আকাশে "পাপু" (সিং) দোকানৰ

পৰা জোনালীৰ বাবে কিনিছিল এটা নীলা বেলুন। সি নীলা কাগজত এখন চিঠিও লিখিলে। এটা সময়ত জোনালী যাবলৈ ওলাল মেলাৰ পৰা। কিন্তু আকাশে অবোধ শিশুৰ দৰে চাই থাকিল। হাত দাঙি চিঞৰিবৰ মন গ'ল 'এদিন জোন আহিব'। ফালি উৰুৱাই দিলে চিঠিখন। জোনালীৰ লগত আকাশৰ চিনাকী হ'ল আৰু গঢ়ি উঠিল আন্তৰিকতা। জোনালী আৰু আকাশে হৃদয়ৰ কথা পাতিবলৈ ধৰিলে। সপোন দেখে ভৱিষ্যতৰ। জোনালীৰ প্ৰেমত আকাশ পাহাৰতকৈ ওখ হ'ল, মতলীয়া হ'ল। আকাশ জোনালীৰ সুখত সুখী আৰু দুখত দুখী হ'বলৈ ধৰিলে। এখন চিঠিত লিখিছিল 'ভালপোৱা একো পাপ নহয় জোনালী, যদি শৰীৰত উমলে সেউজীয়া গান।'

সেই নিৰ্মল আকাশৰ তলত পবিত্ৰ স্থানত পতা শাৰদীয় মেলালৈ আকাশ, দেৱ, ৰৱত, মনোজ, মাধুৰ্য্য, ৰাজীৱহঁতৰ লগত আহিছিল শাৰদীয় মেলাৰ ৰঙীন উৎসৱ উপভোগ কৰিবলৈ।

ঃ কিয় কান্দিছা জোনালী?

ঃ তুমি চিন্তা নকৰিবা মই কেই মাহ মানৰ পিছতে আকৌ ঘূৰি আহিম।

ঃ জোনালীয়ে মেলাত তোলা ফটো একপি উলিয়াই ক'লে এয়া লোৱা আকাশ (কান্দোনৰ সুৰতে কথাষাৰ ক'লে)। আকাশে জোনালীৰ অবিহনে একো নেদেখা হৈছিল। অৰ্থাৎ ক'তো যেন জোনৰ পোহৰ নাই কেৱল চাৰিওফালে আন্ধাৰ। সি বিচাৰিছিল জোনালীক সি চিৰদিন কাষত ৰাখিবলৈ। তথাপিও সি যাবলৈ বাধ্য। এসময়ত আকাশ ... পোহৰৰ দেশলৈ, কাৰণ জোনালীৰ ভৱিষ্যত জীৱন উজ্জ্বল কৰিব লাগিব। আকাশ যোৱাৰ পাছত জোনালীৰ যেন ক'তো স্থিৰতা নাই, ঘৰতো মন নাই, দুখ-যান্ত্ৰনাতে বাট চাই আছিল আকাশ অহালৈ। এবছৰ নহয় দুবছৰ নহয় সম্পূৰ্ণ সাত বছৰ হ'ল নাই আকাশ নাহিল। জোনালীৰ ঘৰত বিয়াৰ কথা চলিল। জোনালী একেবাৰে ভাগি পৰিল। আকাশৰ চিন্তাত। কাৰণ দুয়োজন সঁচা প্ৰেমত আবদ্ধ আছিল। জোনালীয়ে মুখ খুলি ক'ব নোৱাৰিলে আকাশৰ কথা, কাৰণ আকাশ যে বৰ্তমান কাষত নাই।

আকাশে অকলে অতি দুখ যান্ত্ৰণা সহ্য কৰি তেজক পানী কৰি কিছু পোহৰ লৈ উভতি আহিছিল জোনালীৰ অৰ্থাৎ দুয়োজনৰ ভৱিষ্যত জীৱন উজ্জ্বল কৰিবলৈ। আকাশৰ আশা আশা হৈয়ে ৰ'ল। সাত বছৰৰ আগৰ দিন এটাৰ পৰা আকাশ বাস্তৱলৈ ঘূৰি আহিল। পুনৰ কিতাপৰ মাজৰ পৰা জোনালীৰ ফটো কপিত সি মৰমেৰে ওঁঠযোৰ বুলাই গ'ল আৰু ক'ব নোৱাৰাকৈ তাৰ দুটুপাল চকুলো বৈ আহিল। ফটোকপি বুকুত সাৱতি লৈ জেপৰ পৰা মোবাইল উলিয়াই জোনালীৰ লগৰ তৰালৈ নাম্বাৰ ডাইল কৰিলে।

ঃ হেল্ল' তৰা।

ঃ ইয়ে।

ঃ মই আকাশ।

ঃ অ' আকাশ দা।

ঃ কোৱাচোন খবৰ?

ঃ জোনালী

ঃ জোনালী, কি?

ঃ জোনালীৰ কথা গম পোৱা?

ঃ পাওঁ

ঃ কি কৰি আছে তাই, কেনে আছে, তাই বিয়া কৰালে নে?

ঃ ভালেই। নাই, নাই, বিয়াৰ কথা ন'কবা। তাই আৰু বিয়া নকৰাইব। তাই বিয়া নকৰোৱাকৈয়ে থাকিব বোলে।

ঃ মোৰ কথা কিবা কয় নে?

ঃ নাই।

ঃ একোৱেই কোৱা নাই?

ঃ আপুনি মোক বেয়া নাপাব আকাশ দা। তাই আপোনাক পাহৰি পেলাইছে আৰু আপুনিও পাহৰি গ'লেই তাই ভাল পায়।

আকাশে কলম এটা উলিয়াই লিখিলে —

হেৰুৱাইছিলো বাট
মাত দিলা তুমি
থমকি ৰ'লো
তোমাকেই পালো

কাষলৈ আহি
সিঁচি দিলো অকৃত্ৰিম আন্তৰিকতা
ন-কৈ গজি উঠিল ভাল পোৱা
পাহৰিছিলো নিজকেই, চিনিলা তুমি
তোমাক হেৰুৱাই মই কোন বাটে যাম।

আকৌ তৰাই কোৱা কথাষাৰ মনত পৰাৰ লগে লগে আকাশৰ বুকুখন চিৰাচিৰ হৈ যোৱা যেন লাগিল আৰু কাষত থকা বিচনা খনত ঢলি পৰিল।

□□□



গল্প

# প্ৰেম .....! মাথো অনুভৱ .....

✍ জোনালী বিশ্বকৰ্মা
স্নাতক ১ম বৰ্ষ মহল
বুৰঞ্জী বিভাগ, সোণাৰি কলেজ।

সময় গতিশীল। সময় যেনেদৰে দ্ৰুত গতিত আগবাঢ়ে মানুহৰ মনটোও হয়তু ঠিক তেনেকৈ আগবাঢ়ি যায়। সময়ৰ পৰিৱৰ্তনৰ লগত, সময়ৰ গতিশীলতাৰ লগত খোজ কাঢ়োতে হয়তু ক'ৰবাত খুন্দা খাইয়ো যাব লগা হয়। তথাপিও মানুহে এদিন কণা ফৰমুটিতো সজ পথ বিচাৰি পায় ...........।

ঃ এক্সকিউজ মি ..........?

— কাৰোবাৰ মাতত শিল্পী শিখাই মূৰ তুলি চালে।

ঃ ওঁ .........। তাই চকুলো মচি মাত দিলে। আগবাঢ়ি যোৱা বগা ইণ্ডিকাখন কেতিয়ানো আহি তাইৰ ওচৰত ৰৈছিলহি তাই গমকে পোৱা নাছিল।

ঃ তুমি কিয় কান্দিছা? তাৰ বিষয়ে জানিব পাৰো নে .....? এজন সুন্দৰ-সুঠাম শৰীৰৰ হিষ্ট-পুষ্ট যুৱক। তাই যেন অবাক। ইমান ডাঙৰ গুৱাহাটী টাউনত অচিনাকী যুৱক এজনে এনেদৰে প্ৰশ্ন কৰাত তাইৰ বুকুৰ ঢপ-ঢপনি বেছিকৈহে বাঢ়িল।

ঃ যদি বেয়া পাইছা, তেনেহ'লে Sorry. তাইৰ অন্যমনস্কতা ভাঙি আকৌ তাইক উদ্দেশ্যি ক'লে।

ঃ শুনক। — ষ্টাৰ্ট দিয়া গাড়ীখন ৰখাই শিল্পী শিখাই বহাৰ পৰা উঠি বিনীত সুৰত ক'লে।

ঃ প্ৰকৃততে মই নগাঁও ক'লেজৰ পৰা এচকাৰছনৰ বাবে শিলঙলৈ আহিছিলো। কিন্তু গুৱাহাটীত নামি অলপ ফুৰাত লগৰবোৰ কেতিয়ানো গ'ল গমকে নাপালো। মোৰ পাৰ্চ, ম'বাইল সকলো তাতে আছিল। অচিনাকী ঠাই বাবে ক'ত যাওঁ কি কৰো একো ভাবি পোৱা নাই। — তাই অলপ লাজে-ভয়ে কথাবোৰ সেই ভদ্ৰ যেন লগা ২৭-২৮ ৰ দেওনা পাৰ কৰা যুৱক জনক ক'লে। তাই কিছু অপ্ৰস্তুত ভংগী প্ৰকাশ কৰিলে।

ঃ যদি তুমি বেয়া নোপোৱা তেনেহ'লে মোৰ লগতে যাব পাৰা। বিশেষকৈ এনেকুৱা ঠাইত অকলে থকাটো উচিত নহয়। — যুৱকজনে পৰিৱেশটোলৈ চাই কিছু নম্ৰভাৱে ক'লে।

যুৱকজন খুউব গহীন আৰু ভদ্ৰ যেন লগাত একো উপায় নাপাই আৰু ক্ৰমে আন্ধাৰত বিলীন হৈ যাব খোজা বেলিটোলৈ চাই অৱশেষত মই ইন্দিকাখনৰ ফ্ৰন্ট চিটত গৈ বহিলো। নাজানো ভগবানে ৰক্ষা কৰেই বা নকৰে আজি মোক ....?

ৰাষ্টাত লুণ্ঠন আৰু ধৰ্ষণকাৰীৰ হাতত পৰাতকৈ ভদ্ৰযেন লগা সেই যুৱকজনৰ লগতেই অলপ সহায়ৰ ভিক্ষা মাগি তেওঁৰ ঘৰলৈকে গুচি আহিলো। হঠাত মহা নগৰীৰ পৰা কিছু আঁতৰত তিনি মহলীয়া বিল্ডিং এটাৰ ওচৰত গাড়ীখন ৰখোৱাত মোৰ সম্বিত ঘূৰি আহিল। প্ৰকাণ্ড ডাঙৰ ঘৰটো দেখি কিছু আচৰিত হ'লো। একেবাৰে ওপৰৰ মহলাত আহি তেওঁ কম এটা



খুলিলে। চাৰিওফালে চকু ফুৰাই দেখিলো ওচৰতে ডবল বিচনা এখন, কিনাৰতে এছ কালাৰৰ ছয়-সাত ফুটৰ এটা গড্ৰেজ। কিনাৰত আৰু এটা ৰুম লাগি আছে। হয়তু সেইটো পাকঘৰ। ৰুমটোৰ ক্ৰমে বাওঁফালে আৰু এখন দৰ্জা মাৰি থোৱা চকুত পৰিল। সেইটো ঠিক বাথৰুম। ৰুমটো খুউব চিজিল কৰি থৈছে। ওচৰৰ টেবুল

এখনৰ ওপৰতে কালাৰ টি.ভি. এটা। কিন্তু খুউব আচৰিত হ'লো, ঘৰটোত কোনো সদস্য নেদেখি।

ঃ বহা। – তেওঁৰ মাতত হে উচপ খাই পৰিলো।

ঃ ঘৰৰ আন সদস্যবোৰ ...? লাজে-ভয়ে প্ৰশ্ন কৰিলো।

ঃ ইয়াত মই অকলে থাকোঁ। ঘৰ মোৰ বোকাখাতত। ইয়াত কন্ট্ৰেক্ট কৰি থকাৰ বাবে ইয়াৰ স্থায়ী বাসিন্দা হৈ পৰিলো। .... আৰু তোমাৰ পৰিচয়? তেখেতে কোনো ভাৱ-ভংগী প্ৰকাশ নকৰাকৈয়ে ক'লে।

ঃ মোৰ নাম শিল্পীশিখা গোস্বামী। নগাঁও কলেজৰ জীৱ-বিজ্ঞান বিভাগৰ এইবাৰ লাষ্ট ইয়েৰ। ঘৰ নগাঁওতে। – তেওঁৰ কথাত বৰ ভয় খালো, কিন্তু মোৰ উপায় নাছিল।

ঃ তুমি ইয়াত একো চিন্তা কৰিব নালাগে। ইয়াত তোমাৰ একো অসুবিধা নহয়।

— ভাতৰ কাঁহীখন টেবুলত আগবঢ়াই হয়তু মোৰ ভয় দেখিয়েই ক'লে।

ঃ Oh Sorry, মোৰ নামটো মানৱ জ্যোতি সন্দিকৈ। তেওঁ কিবা পাহৰি মনত পৰাৰ দৰেই কৈ উঠিল।

তেওঁ অকলে থকাৰ বাবে এখনেই মাত্ৰ বিচনা। মোক তাত শুবলৈ দি তেওঁ হয়তু কিট্‌চনৰুমৰ পকাতে বিচনা এখন পাৰি শুই পৰিল। মই খুউব ভয় খাইছিলো। নাজানো অচিনাকী ঠাইত, তেজ-মঙহেৰে গঢ়া এজন যুৱকৰ লগত কেনেদৰে কটাওঁ চিন্তা কৰি নাপালো। ভৰ যৌৱনত উতলা আৰু চঞ্চলতাৰ অধিকাৰিণী যিকোনো এজনী ছোৱালীয়েই তেওঁৰ প্ৰতি আকৰ্ষিত হ'ব পাৰে।

ওখ-পাখ, সুন্দৰ-সুঠাম শৰীৰ, জোঙা নাকটো, মাগুৰ বৰণীয়া বৰণ, কথাৰ অংগী-ভংগী ....... সকলো। এজনী ছোৱালীক সহজতে আকৰ্ষণ কৰিব পৰা গুণ। বিশেষকৈ তেওঁৰ চৰিত্ৰটো .....।

....... ৰাতিটো টুপনি নধৰাত খুব সোনকালে শুই উঠি গা-পা ধুই চাহ কাপ নিজেই বনালো।

ঃ গুড মৰ্নিং ...। আৰে চাহ তুমি বনালা ..? .... তেওঁ এটা মিচিকীয়া হাঁহিৰে সম্ভাষণ জনালে।

ঃ ওঁ ........। ময়ো অলপ হাঁহিলো।

তেখেতৰ ডাঙৰ কন্ট্ৰেক্ট থকাৰ বাবে মোক নগাঁওলৈ আনিব নোৱাৰাত আৰু দুই-তিনি দিনমানতাতে থাকিবলগীয়াত পৰিলো। পিছে, থাকি মই বেয়া পোৱা নাছিলো। খুব সোনাকালে তেওঁৰ লগত মিলি গৈছিলো।

ভাবিলে আচৰিত লাগে নাজানো কেনেধৰণৰ স্বভাৱ এই মানুহজনৰ। থকা তিনি-চাৰিদিন মানেই হ'ল কিন্তু কোনো ধৰণৰ অসুবিধা পোৱা নাছিলো মই তেওঁৰ লগত। একেই নম্ৰ, ভদ্ৰ ব্যৱহাৰ। হয়তো মই তেওঁৰ প্ৰতি আকৰ্ষিত হৈছিলো। হয়তু তেওঁৰ প্ৰেমতো .....? নাই ইমান দুৰ্বল নহঁও। মোৰ ল'ৰাৰ প্ৰতি ইমান দুৰ্বলতা নাই। তেওঁৰ আদৰ যত্নক এইটো ৰূপ দিব নোৱাৰো ........।

নেজানো বিচনাত পৰিলৈ কিমানপৰনো এইবোৰ কথা ভাবি আছিলো। কলিং বেল বজাতহে সাৰ পালো।

তেওঁ খাবলৈ খোৱাবস্তু ডাইনিংখনতে সজাই তেওঁৰ লগতে ময়ো বহিলোঁ। আহোঁতে তেওঁ মোৰ বাবে দুযোৰ চুৰিদাৰ লগত লৈ আনিছিল। খুব সুন্দৰ চইছ্ তেখেতৰ।

ঃ শিল্পী, বেছ ধুনীয়াকৈ ৰান্ধিছা দেখোন .....।



তেওঁ মুখত মিচিকীয়া হাঁহি এটা লৈ মোক প্ৰশংসা কৰিলে।

ঃ থেংকছ্....। মই লাজে-লাজে ক'লো।

ঃ তোমাৰ ৰন্ধা খাই আজিকালি মোৰো অভ্যাস হৈ পৰিছে। তোমাৰ ৰন্ধাত ঘৰুৱা সোৱাদ এটা পাইছো। ঘৰ এৰি স্থায়ী হোৱা ইয়াত বহুদিনেই হ'ল। .... তেওঁ খোৱা এৰি নিজ ভাৱত বিভোৰ হৈ পৰিছিল।

মই একমাত্ৰ তেখেতৰ চঞ্চল চকুলৈ চাই আছিলো। নাজানো কেতিয়াৰ পৰানো মই তেখেতৰ প্ৰেমত পৰিছিলো। তেওঁ মোক ভাল পাইছিল নে পোৱা নাছিল ক'ব নোৱাৰো কিন্তু মই তেওঁৰ চৰিত্ৰৰ প্ৰতি যথেষ্ট আকৰ্ষিত হৈ পৰিছিলো। হয়তু তেওঁ মোক ভাল পাইছিল। কাৰণ যুগ যুগ ধৰি ঘহনা খাই থকা শিলৰ মাজতো প্ৰেম হয়। আমিতো সফল যুৱক-যুৱতী। আমাৰ মাজত সৌন্দৰ্য্য আছে। যৌৱন আছে, প্ৰেম কৰিব পৰা এটি সুন্দৰ হৃদয় আছে। তেনেহ'লে আমাৰ মাজত .....? নিশ্চয় .....।

বহুদিন ধৰি একেটা ৰুমতে থকাৰ ব্যবে তেওঁ হয়তো মোৰ সিৰা-উপসিৰাত সোমাই পৰিছিল। তেজে-তেজে মিলি গৈছিল।

ঃ এজনী ছোৱালীয়ে একমাত্ৰ এজনৰ লগতহে



জীৱন গঢ়াৰ সপোন দেখে। মইও হয়তু তেওঁৰ লগতহে দেখিছিলো। মই মানৱ দাৰ প্ৰতি বেছিকৈ দুৰ্বল হোৱাৰ কাৰণ আছিল যে তেওঁ মোৰ শৰীৰক সন্মান কৰিছিল। "ছোৱালীৰ ওপৰত ল'ৰাই কৰা শাৰীৰিক সন্মানটোৰেই হৈছে ছোৱালীৰ ল'ৰাৰ প্ৰতি হোৱা দুৰ্বলতা।" মানৱ দাইও হয়তু মোক খুব ভাল পাব ধৰিছিল। মোৰ প্ৰতি আকৰ্ষিত হৈছিল। সেই বাবেই হয়তু তেওঁ মোক আৰু মোৰ শৰীৰক বচাই ৰাখিব পাৰিছিল। তেখেতৰ চৰিত্ৰৰ বিষয়ে ভাবিলে মই বেছিকৈহে আকৃষ্ট হৈছিলো। এজনী ছোৱালীয়ে সদায় সৎ পুৰুষৰ প্ৰতিহে আকৃষ্ট হয়। এনেকুৱা লাগিছিল যেন মই মানৱ দাক পাঁচদিন নহয় পাঁচ হাজাৰ বছৰৰ আগৰ পৰা চিনি পাঁও।

— কিন্তু মই ভয় খাইছিলো, যদি তেওঁ মোক গ্ৰহণ নকৰে .... তেতিয়া....?

তেখেতৰ বিজিনেছৰ বাবে মই আৰু এমাহ থাকিব লগীয়া হ'ল। এদিন তেওঁক কাবৌ কৰি কামাখ্যালৈ গ'লো। নাজানো কিয় জানো মন্দিৰৰ প্ৰতিটো খোজতে মানৱ দাক পাবলৈকে প্ৰাৰ্থনা কৰিলো। সেই পবিত্ৰ স্থানত তেখেতক মই এজন দেৱতাৰ দৰে দেখিছিলো। খুব ভাল লাগিছিল তেখেতৰ স্বভাৱবোৰ। ছোৱালীয়ে কলেজীয়া জীৱনত ল'ৰা ভাল পালে Boyfriend বুলি আখ্যা দিয়ে। কিন্তু তেখেতক মই সেইটো আখ্যা দিব খোজা নাছিলো। হয়তু মানৱ দাক মই প্ৰাণে-প্ৰণে স্বামী ৰূপে ভাবিবলৈ লৈছিলো। তেওঁক মই পৱিত্ৰ অন্তৰেৰে ভাল পাইছিলো বুলি মই জানো। কাৰণ, যি ছোৱালীয়ে মন্দিৰৰ প্ৰতিটো খোজতে অন্তৰত তেওঁক স্থাপন কৰি ভগৱানক সাক্ষী কৰি তেখেতকে পাবলৈ অনুভৱ কৰে ইয়াক পবিত্ৰ প্ৰেম বুলিব নোৱাৰিনে ....?

তথাপিও মোৰ ভয় হৈছিল নাজানো মানৱদাই মোক কি ভাৱে .......? কাৰণ, "এজন পুৰুষ এগৰাকী নাৰীৰ বাবে সমগ্ৰ অস্তিত্ব। কিন্তু এগৰাকী নাৰী এজন পুৰুষৰ এটি অংশ মাথো।" সেইবাবে মই খুব ভয় খাইছিলো। কিন্তু মানৱদাক একোৰে সন্তেদ দিয়া নাছিলো।

কিন্তু তেখেতৰ এটা সৰল চাৱনিতেই মই বুজিছিলো যে তেওঁ মোক পৃথিৱীৰ সকলো বস্তুতকৈ অধিক ভাল পায়। নাজানো তেখেতৰ গাত কি গুণ আছিল যে তেওঁৰ প্ৰতি মই ইমান দুৰ্বল হৈ পৰিছিলো।

......... সঁচাকৈয়ে প্ৰেমৰ গভীৰতা বহুত গভীৰ। ইমানহে গভীৰ যে ইয়াক কেতিয়াও স্পৰ্শ কৰিব নোৱাৰি। প্ৰেম মাত্ৰ অনুভৱ ......।

তাৰে দুদিনৰ পাছত মানৱদাই মোক নগাঁওলৈ আনিবলৈ ঠিক কৰিলে।

ঃ শিল্পী, তুমি হয়তু কেনেবাকে মোৰ পৰা কিবা অসুবিধা পাইছিলা। তেনেহ'লে মোক ক্ষমা কৰিবা। – তেখেতৰ কপাঁ-কপাঁ মাতত মই অধিক দুৰ্বল অনুভৱ কৰিছিলো।

ঃ প্লিজ মানৱদা ...। মোক তেনেকৈ নক'ব। মই আপোনাৰ পৰা একো অসুবিধা পোৱা নাই। অথচ পাইছো অশেষ আদৰ, যত্ন আৰু সন্মান। তাৰ বাবে আপোনাক মই কি বুলি ধন্যবাদ দিম একো ভাষা বিচাৰি পোৱা নাই।

--- নাজানো তেখেতক ঈশ্বৰে কি পদাৰ্থৰে গঢ়িছিল। মোৰ এনেকুৱা অনুভৱ হৈছিল যে তেওঁক সাৱতি ধৰি তেওঁৰ বুকুৰ মাজত যেন বিলীন হৈ যাম।

অচিনাকী ঠাইৰ পৰা মোৰ প্ৰিয় ঠাই পাই খুব সুখী হ'লো। মা-দেউতাক দেখি মই আনন্দত আপোন-পাহৰা হৈ পৰিছিলো। কিন্তু তাতোতকৈ দুখী হৈছিলো মানৱদাক এৰিবলগীয়া হোৱাৰ দুখত।

ঃ খুৰী, একো চিন্তা কৰিব নালাগে। তাই মোৰ লগত একেবাৰে Safty হৈ আছিল। তাই এতিয়াও সেই আগৰ পবিত্ৰ শিল্পীয়ে হৈ আছে।

-- এই কথাত যেন মোৰ বুকুত বজ্ৰপাতহে পৰিছিল। মায়ে মাথো মানৱদালৈ চাই আছিল।

ঃ শিল্পী, পাৰিলে কেতিয়াবা ক'ল কৰিবলৈ নাপাহৰিবা।

— তেওঁ মোৰ ফালে আগুৱাই আহি বেজাৰ মনেৰে কৈছিল। মই মুখেৰে একো মাতিব পৰা নাছিলো। মাথো চকুলো বাগৰি আহিছিল।

মায়ে এবাৰ মোৰ ফালে চাইছিল আৰু এবাৰ মানৱদাৰ ফালে। সঁচাকৈয়ে মায়েও বুজি পাইছিল যে এয়াই প্ৰেম। যিটো মই আৰু মানৱে বুজা নাছিলো। সেয়া মা আৰু দেউতাই বুজিছিল।

ঃ শিল্পী তোক মানৱে ভাল পায় আৰু তইও তাকে ভাল পাৱ। ই মান দিন থকাৰ পাছতো তোক মানৱে বচাই ৰাখিছে তেনেহ'লে এয়াই প্ৰেম .......।

যা শিল্পী, মানৱৰ লগতে। মানৱ তোৰ বাবে .......।

মায়ে বুজনিৰ সুৰত কৈছিল, দেউতাইও চকুৰে ইংগিত দিছিল। ...... মা-দেউতাৰ কথা শুনি মই অবাক হৈ পৰিছিলো।

ঃ মানৱ দা ......। মোৰ মাতত তেওঁ গাড়ীৰ ষ্টাৰ্ট বন্ধ কৰিছিল। তেওঁৰ চকুও সেমেকিছিল।

--- মোক নি-নিয়াকে অকলে যাবানে ........?

--- মোৰ কথাত তেওঁ খুব আচৰিত আৰু সুখী যেন লাগিল।

ঃ শি ... শিল্পী মানে তুমিও।

— তেওঁৰ কথাৰ মাজতে ময়ো উত্তৰ দিছিলো।

ঃ হয় মানৱ দা। মই খুব ভাল পাঁও আপোনাক। আপোনাৰ অবিহনে থাকিব নোৱাৰো। — এয়াই আমাৰ প্ৰেম, মানৱ দা ! মোৰ ভয় হৈছিল জানোচা আপুনি মোক .......।

ঃ শিল্পী ......। তেওঁ মোৰ চকুলো মচি কৈছিল।

-- ল'ৰাবোৰে মুখ ফুটাই ক'ব নোৱাৰে। কিন্তু ছোৱালীয়ে বুজি পায় যে তাতেই আমি ল'ৰাবোৰ ধন্য। কিন্তু জনা নাছিলো যে ছোৱালীৰ বুকু ফাটি যায় তথাপিও মুখ নাফাটে বুলি?

-- তেওঁ অলপ মিচিকীয়াই হাঁহি মাৰিছিল। লগতে মই ও অলপ হাঁহিছিলো। মা-দেউতায়ো আমাৰ প্ৰেম দেখি চকুলো টুকিছিল। মা-দেউতাক বাই-বাই দি আমি দুয়ো বগা ইণ্ডিকাখনত গুৱাহাটীলৈ অগ্ৰসৰ হ'লো। আমাৰ গাড়ীখন আঁৰ নোহোৱালৈকে মা-দেউতাই আমাৰ দাম্পত্য জীৱনৰ সুখ কামনা কৰিলে। ..... ।। .....।। .......। ❑❑

**তথ্যকোষ**

◆ ইংলেণ্ডৰ ৰাণী প্ৰথম এলিজাবেথৰ টুপিৰ প্ৰতি আছিল অসাধাৰণ দুৰ্বলতা। তেওঁৰ শাসন কালত প্ৰতি দেওবাৰ আৰু অন্যান্য বন্ধত ৭ বছৰৰ ওপৰৰ ছোৱালীয়ে টুপি পৰিধান কৰাটো বাধ্যতামূলক কৰিছিল। এনে নিয়ম ভঙ্গ কৰিলে জৰিমনা বিহাৰো ব্যৱস্থাও ৰখা হৈছিল।



গল্প

মোৰ খুড়া
শ্বহীদ তিলেশ্বৰ গগৈ'ৰ
সোঁৱৰণত

# বৃন্তচ্যুতা শেৱালী

✍ ডৱিণ গগৈ
উঃ মাঃ প্ৰথম বৰ্ষ।
বিজ্ঞান শাখা

অ' মন তৰা
টেকেলি আনোগৈ পদূলিৰ পৰা
পদূলি মূৰতে অ' মন তৰা
....... উলুলু ......... উলুলু।

জাউৰীয়ে জাউৰীয়ে উৰুলীৰ শব্দই বিয়াঘৰৰ ৰভাতল উৎসৱমুখৰ কৰি পেলাইছে। আজি নমিতা শইকীয়াৰ বিয়া। দেউতাক নাগেশ্বৰ শইকীয়াৰ নুমলীয়া জীয়েক। অতি ধুম-ধামেৰে বিয়াখন পাতিছে। এটা মূৰত বেণ্ডপাৰ্টী আৰু ৰভাখনৰ আনটো মূৰত ডেকত ডেকামখাই নতুনকৈ ওলোৱা হিন্দী গীতৰ কেছেত লগাই বিভিন্ন ভংগীত নৃত্য কৰিছে। মুঠতে পদূলিৰ পৰা ঘৰখনৰ ভিতৰে বাহিৰে উদুলি-মুদুলি। সকলো ব্যস্ত।কোনোৱে আলহী আদৰিছে, কোনোজনে কাৰিকৰক বিভিন্ন দৃঢ় পৰামৰ্শ দিছে। কোনোজনে আকৌ বহুদিনৰ মূৰত আত্মীয়ক দেখি আনন্দতে চকুলো টুকিছে। ছোৱালীবোৰে দেখনিয়াৰকৈ নিজকে সজোৱাত ব্যস্ত। ভিডিঅ' কেমেৰাত উঠিব লাগিবতো! আলহীৰ আদৰ-অভ্যৰ্থনা পূৰ্ণোদ্যমে চলি আছে। মুঠতে লক্ষণীয় ভাৱেই নাগেশ্বৰ শইকীয়াৰ প্ৰশংসাত সকলো পঞ্চমুখ।

চাকৰি সূত্ৰে নাগেশ্বৰ শইকীয়া নগৰতে থাকিবলগীয়া হোৱাত নমিতা,ভায়েক আৰু মাক নগৰতে থাকিছিল। সেয়েহে নগৰীয়া কৃত্ৰিম পৰিবেশে তাইক বৰ আমনি কৰিছিল। সৰুৰে পৰাই তাইৰ এটা হাবিয়াস যে, তাই গাঁৱৰ পৰিবেশৰ ল'ৰাক বিয়া কৰাব। নাগেশ্বৰ শইকীয়াই তাইৰ ইচ্ছা অনুসৰিয়েই বাস্তৱ বৰুৱাৰ লগত বিয়া ঠিক কৰিলে। নামটো শুনিলেই আপোন যেন লগা বাস্তৱ সঁচাকৈয়ে নমিতাৰ উপযুক্ত পাত্ৰ। শইকীয়াই অনুভৱ কৰিলে, বাস্তৱৰ লগত নমিতা নিশ্চয় সুখী হ'ব।

আশা কৰা মতেই এটা সুন্দৰ পৰিবেশৰ স্বামীৰ ঘৰখন পাই নমিতা সুখী হ'ল। শাহু-আই পূৰ্ণকান্তি এগৰাকী সহজ, সৰল সাদৰী তিৰোতা। নমিতাক বুকুত সুমোৱাই ল'বলৈ তেওঁৰ সৰহ সময় নালাগিল। এফালেদি শাহুৰ বুকু উপচা মৰমে তাইক যেনেকৈ মাকৰ কথা পাহৰাই ৰাখিলে, ঠিক তেনেকৈ দেউৰেক অসীমৰ মৰমেও তাইক ভায়েকৰ কথা পাহৰাই ৰাখিলে। অসীমৰ গুণাৱলী যেন আকাশৰ দৰেই সীমাহীন অসীম। অতি সোনকালেই নমিতা নতুন পৰিয়াটোৰ সৈতে অভিন্ন হৈ পৰিল। সুখ আৰু আনন্দত দিনৰ পিছত দিন, মাহ আৰু বছৰবোৰ বাগৰিল। এদিন ঘৰখনত অসীমৰ বিয়াৰ কথা ওলাল আৰু ছোৱালী নিৰ্বাচনৰ দায়িত্ব পৰিল বাস্তৱ আৰু নমিতাৰ ওপৰত। অসীম ছাত্ৰ সংগঠন এটিৰ লীডাৰ। সি এতিয়াই বিয়া কৰাব নিবিচাৰে। নমিতাৰ জেদ -

-"ছোৱালী পছন্দ কৰি ঠিক কৰি ৰখাত তোমাৰ আপত্তি কিহৰ?" এদিন বুদ্ধিৰে তাক ৰূমলৈ মাতি আনিলে --

ঃ "এইখন চোৱা আৰু কি দেখিছা সোনকালে কোৱা।"

তাই ফটো এখন অসীমৰ হাতত গুজি দিলে।

ঃ "কি?" সি ক'লে।
ঃ কি, কি! ছোৱালী আক'।
ঃ "ওঁ" সি উচ্চাৰণ কৰিলে।
ঃ "কি হ'ল ছোৱালী দেখি মুখৰ মাত সৰিল হ'বলা!"

নমিতাৰ ভ্ৰূকুটি। কাষ চাপি তাই লাহেকৈ ফুচফুচাই সুধিলে -- "কেনে লাগিছে?"
ঃ "বেয়া নহয় দেই বৌ! তোমাৰ দেউৰৰ লগত বেছ ধুনীয়াকৈ মিলিব।" সি হাঁহি হাঁহি নিজৰ ফালে আঙুলিয়াই দেখুৱালে।
ঃ "তাৰমানে ...... ?"
ঃ "ছোৱালী পচন্দ হৈছে।"

"কিন্তু বৌ প্লিজ, এতিয়াই জোৰ নকৰিবা। সংগঠনৰ কাম-কাজবোৰ সম্পূৰ্ণ কৰি ল'ব লাগিব। কিছুদিনৰ বাবে বাহিৰলৈ যাব লগা আছে। ঘূৰি আহি তোমাৰ একান্ত বাধ্য দেওৰেৰাই এই কন্যাটিকে বিয়া কৰাব।" সোঁহাতখন বুকুত ৰাখি সি তললৈ মুৰটো সলাই এক বিশেষ ভংগীমাত থিয় হ'ল।
ঃ "অ'কে" -- শেৱালীৰ ফটোখন চাই নমিতাই লাহেকৈ উচ্চাৰণ কৰিলে।



মাজতে শেৱালীক এদিন অসীমে চাই আহিলগৈ। এটা নিৰ্দ্দিষ্ট দিনত সি যাবলৈ ওলাল। শেৱালী নামৰ ছোৱালীজনীৰ শিশুসুলভ হাঁহিৰে তাক অভিবাদন জনোৱা মুখখন তাৰ সন্মুখত জিলিকি উঠিল। তাই উপহাৰ দিয়া ৰুমালখন আলফুলে জেপত ভৰাই সি ঘৰৰ পৰা ওলাই গ'ল। যাবৰ সময়ত সি বিয়াৰ যা-যোগাৰ কৰিবলৈ কৈ গ'ল। শেৱালীক দেখাৰ পিছত আৰু সি বিয়াখন পলম কৰিব নিবিচাৰিলে।

সেই অসীম গ'ল যে গ'লেই। মাহৰ পিছত মাহ সি ঘৰলৈ উভতি নাহিল। ইতিমধ্যেই বিয়াৰ সকলো যা-যোগাৰ স্তব্ধ হৈ পৰিল। শেৱালীৰ ঘৰখন অধিক ব্যাকুল হৈ পৰিল। ছোৱালীজনীৰ ভৱিষ্যতক সাঙুৰি লোৱা অসীমটো ক'ত হেৰাল! দুয়োখন ঘৰৰ উপৰিও বন্ধু-বান্ধৱ, ওচৰ-চুবুৰীয়াই ল'ৰাটো বিচাৰি চলাথ কৰিলে। পুলিচতো খবৰটো জনালে। নাই নাই বোলোতেই ল'ৰাটো নোহোৱা হ'ল। পুত্ৰৰ মঙ্গলাৰ্থে পূৰ্ণকান্তিয়ে নামঘৰে-মন্দিৰে শৰাই আগবঢ়ালে। নাই অসীমতেই হেৰাই গ'ল অসীম।

এদিন ডাঙৰ ডাঙৰকৈ বাতৰি প্ৰকাশ হ'ল -- উজনি অসমত "গণ কবৰ" ওলাইছে। প্ৰকাণ্ড প্ৰকাণ্ড গাঁতত বত্ৰিশটাকৈ নাৰী-পুৰুষৰ দেহ! এই খবৰে উজনি-নামনিত খলকনি লগালে। পূৰ্ণকান্তিক বাদ দি বাস্তৱৰ লগত সকলো যাবলৈ ওলাল। ধমকনিৰ সুৰত বাস্তৱে ক'লে -- "বিহু মাৰিবলৈ ওলোৱা নাই। কোনো যাব নালাগে। মই যাম আৰু আহিম।"

গণ কবৰৰ কাষত থিয় দি বাস্তৱ কিংকৰ্তব্য বিমূঢ় হৈ পৰিল। গলিত অৰ্ধগলিত মৃতদেহবোৰ প্ৰকাণ্ড মাংসৰ টোপোলালৈ ৰূপান্তৰিত হৈছে। ভেঁকেটা-ভেঁকেট গেলা গোন্ধত পৰিৱেশ বিসাক্ত হৈ পৰিছে। মৃতদেহৰ আত্মীয়ৰ বিলাপত এক অবৰ্ণনীয় দুখদায়ক পীড়া উপস্থিত সকলোৱে অনুভৱ কৰিছে। কোনোৱে



গোন্ধত ওকালি পাৰিছে। কিন্তু সেই পৰিৱেশটো বাস্তৱ নিথৰ হৈ পৰিল। তাৰ চাৰিওফালে কেৱল আন্ধাৰ। "এইটো অসীম!!" অসীমক নি কোন সতে মাকৰ আগত ৰাখিবগৈ! অতি নিষ্ঠুৰ সময়। সি অসীম ধৈৰ্যৰে নমিতালৈ ফোন লগালে।

-- "মই গৈ আছো, লগত অসীমো।" লগে লগে সি ফোনৰ কানেক্চনো কাটি দিলে। এইবাৰ সি ব্যস্ত হৈ পৰিল। তাৰ মৰমৰ অসীমৰ হাত ভৰিবোৰ গাত লাগি থকা নাই। সুন্দৰ দাঁতযোৰি এবাই গৈছে। মুৰৰ এটা ফালে চুলিৰে সৈতে নাই। "কোনে এনে বীভৎস মৰণ দিলে মোৰ ভাই!" সীমাহীন আবেগ আৰু শোকত শোক-শোকাই বাস্তৱে কান্দি পেলালে।এটা জীৱন্ত ল'ৰাৰ আঁঠু কাঢ়ি পেলোৱা পিশাচবোৰলৈ মনত পেলাই সি শিয়ঁৰি উঠিল। "দেহি ঐ, কত কষ্টত মৰিল মোৰ ভাই! অংগবোৰ গোটাই লৈ সি গাড়ীত ভৰালে। মৃতদেহৰ মৰনোত্তৰ পৰীক্ষা চলিল। তাৰ পিছত ঘৰলৈ বাস্তৱৰ উভতনি যাত্ৰা। দৌৰি দৌৰি দাদা দাদাকৈ ব্যস্ত কৰি ৰখা অসীম যি তাৰ ছাঁৰ দৰেই লাগি ফুৰিছিল, আজি কিন্তু ডিকীত নিৰ্বাক হৈ ঘূৰি আহিছে! কি নিদাৰুণ বাস্তৱ! তাৰ নিজৰ নামটোলৈকে খং উঠিল।

খেলি-মেলি মনটোৰ সৈতে গাড়ীত মৃতদেহটো লৈ সি আৰু তাৰ খবৰ লবলৈ উপস্থিত হোৱা তাৰ আন দুজনমান বন্ধুৰ সৈতে ঘৰলৈ উভতি আহিছে। ঘৰত নমিতাহঁত অধীৰ আগ্ৰহেৰে বৈ আছে বহু আশাৰে, বাস্তৱহঁত গাড়ীৰ পৰা নামি আহিব, লগতে বহু প্ৰত্যাশাৰে অসীমো!

এটা সময়ত গাড়ীখন পদুলিৰ মুৰত ৰ'লহি। সকলো দৌৰি গাড়ীখনৰ কাষত ৰ'লহি অসীমক আগুৱাই নিবলৈ। অসীম নামি আহিল। কিন্তু আনৰ কোলাত। হাঁহি হাঁহি নহয়, পলিথিনৰ বেগত টোপোলা হৈ। এইয়া কি দেখিছো বুলি পূৰ্ণকান্তি মুচকচ গ'ল। নমিতাক দুদিন চেলাইন দি ৰখা হ'ল। ছাত্ৰ সংগঠনটোৱে অসীমক এটি বিশেষ জাতিৰ প্ৰথম "জাতীয় শ্বহীদ"ৰ সন্মান যাঁচিলে। আদৰ্শ ব্যক্তি আৰু লীডাৰ হিচাপে অসীমক স-সন্মানেৰে মৈদাম দিয়া হ'ল।

দিনবোৰ চকৰীৰ দৰে ঘূৰিল। মানুহৰ মনবো পৰিৱৰ্তন দ্ৰুত গতিত ঘটিল। ভয়ানক দিনবোৰৰ কথা সকলো আত্মীয়ৰ স্মৃতিত মনিকোঠাৰ পৰা লাহে লাহে আঁতৰি গৈছে। বাস্তৱৰ ডাঙৰ ল'ৰাটোৱে বাচিয়াত ডাক্তৰী পঢ়িবলৈ গ'ল। পূৰ্ণকান্তিয়ে নাতিনীয়েক লোচেনক লৈয়ে ব্যস্ত হৈ থাকে। দুখৰ অন্তত যেন পৰিয়ালটোলৈ নামি আহিছে সুখৰ বন্যা। কিন্তু শেৱালী? বৃন্তচ্যুতা শেৱালীৰ দৰেই যেন তাই! কি লৈ জীৱনৰ বাকী দিনবোৰ তাই শেষ কৰিব? তাই বাৰু সঁচাকৈ জীয়াই আছেনে? মৈদামত জিক-মিকাই থকা চাকিগছি তায়েই নজ্বলায় জানো? বুকুত বহি যোৱা কেঁচা তেজৰ চেকুৰাবোৰৰ দাগ কেতিয়াবা মচ খাবনে? তাইৰ অনুভৱ হ'ল -- তাই যেন সকলোৰে অলক্ষিতে পুষ্প বৃন্তৰ পৰা সৰি পৰা এপাহি শেৱালী! ❑❑

**তথ্যকোষ**

- উদ্ভিদ বিজ্ঞানৰ ভাষাত কল তৃণ আৰু বিলাহী ফল।
- বিলাহীৰ বৈজ্ঞানিক নামটোৰ অৰ্থ হৈছে উলফ পিচ।
- গাজৰত শূণ্য শতাংশ চৰ্বি থাকে।

গল্প

# অক্টোপাছ

মহেন্দ্র বড়া
স্নাতক তৃতীয় বৰ্ষ
(অসমীয়া বিভাগ)

(১)

বহুতেই বুঢ়াজনক হাইপা বুঢ়া বুলিয়ে কয়। চাৰি আলিটোৰ উত্তৰ-পূৰ কোণত হাইপা বুঢ়াৰ ঘৰ। কলেজৰ ল'ৰা-ছোৱালীয়ে হওক বা আন মানুহেই হওক, গাড়ীলৈ অপেক্ষা কৰি বুঢ়াৰ অকলশৰীয়া পঁজাটোত এবাৰ নহয় এবাৰ পদাৰ্পন কৰিবই। কাঠি-কামি কৰি থকাৰ পৰাই বুঢ়াই মাত লগাই -- "আহ বহহি।" তামোল থাকিলে এখন আগবঢ়ায়। বেছিভাগ মানুহেই চহৰলৈ যোৱা। কথা-বতৰা হৈ থাকোঁতে কেতিয়াবা বুঢ়াৰ লাগি ধৰে আৰু তেতিয়া বুঢ়াই হাইপা .... হাইপা ..... বুলি কৈ কথাটো স্পষ্ট কৰিবগৈ নোৱাৰে। ঠিক খোনা বুলিও ক'ব নোৱাৰি।



বুঢ়াৰ আচল নাম হেমকান্ত। তেওঁৰ লগত মোৰ খুব ওচৰ সম্পৰ্ক। দৰাচলতে বুঢ়ামোৰ দেউতাৰ নিজ মোমায়েক। মইয়ে, চহৰলৈ যাবলগীয়া হ'লে তাতে এবাৰ সোমাই তামোল এখন খাইহে যাওঁ। ককাৰ দুই-এপদ বস্তু আনিব লগা হ'লে মোকে আনিবলৈ দিয়ে। ঠিক ককাৰ ঘৰটো জিৰণি চ'ৰা বুলিয়েই ক'ব পাৰি। গাড়ীৰ বাবে অপেক্ষা কৰি মই বুঢ়াৰ লগত ঘন্টা জুৰি সুখ-দুখৰ কথা পাতো।

এনেকৈয়েএদিন মই কলেজলৈ বুলি ওলাই আহিলো। ১৫ আগষ্টলৈ মাত্ৰ দুদিন বাকী। মই গাড়ীলৈ অপেক্ষা কৰি ৰৈ আছো। মনতে ভাবিলো, 'আজি যেতিয়া বৰষুণ দি আছে, গাড়ীত বহি যাবলৈ নাপালে বৰষুণত তিতি ওলমি যোৱাটো সম্ভৱ নহয়। এখন গ্ৰাম্য (ট্ৰেকাৰৰ) চিতত বহি যোৱাৰ ক্ষমতা ১৫ জনতকৈ বেছি হ'ব নোৱাৰে।

এনেদৰে ৰৈ থাকোঁতে গাড়ী আহি পালে। গাড়ীখনৰ চাৰিটামান চিট খালী আছিল যদিও মই যাব নোৱাৰিলো। মোৰ দৰে চাৰি গৰাকীমান মহিলা ৰৈ আছিল। গতিকে মহিলা থাকিলে পুৰুষে চিটত বহিবলৈ পোৱাটো কঠিন কাম। এই খিনিতে মহিলাই চিটত বহিবলৈ পোৱা সম্পৰ্কত বিহু সন্মিলন বা অন্যান্য ফাংচনৰ কথা মনত পৰে। আমি যেতিয়া বিহু সন্মিলনত বিহু মাৰিবলৈ যাওঁ তেতিয়া বিহু মাৰি শেষ কৰি বিহু চাবলৈ বুলি সকলোৰে ধুতি সলাই আহোঁ, তেতিয়া মঞ্চলৈ আমি বেঙা মেলি চাব লগা হয়। মানুহৰ সমাগম বাঢ়ি অহাৰ লগে লগে কমিটিৰ মানুহে পুৰুষসকলক চকীৰ পৰা উঠাই দি মহিলাসকলক বহিবলৈ দিয়ে। এনদৰে নিশাৰ অনুষ্ঠানবোৰতো। গতিকে মই বা অন্য এজনে চিটত বহি গ'লেও মহিলাসকলে -- 'আপুনি উঠি দিব নেকি, আপুনি মতা মানুহ থিয় হৈ যাব পাৰিব, মোক বহিবলৈ দিয়ক" বুলি পেন-পেনাবলৈ ধৰে। কেঁচুৱা থকা মহিলাৰ কথা আৰু নকওঁৱেই। সেয়ে মই কলেজলৈ নোযোৱাটোকে ঠিক কৰিলো।

ঘৰলৈ নগৈ আকৌ বুঢ়াৰ কুটীৰতে সোমালো। বুঢ়াই চাউল চলা চালনিখন সাজিয়ে আছিল। মোক দেখি বুঢ়াই ক'লে -- "ক'লেজলৈ নগলি যে?"

ঃ কিনো ক'বা! তিৰিক আসন নিদি মই বহি যোৱা হ'লে যাব পাৰিলোহেঁতেন। ওলমি যাবলৈ বৰষুণ, তাতে বাটত কেনেবাকৈ পুলিছৰ চেকিং বৰষুণত তিতি জ্বৰ হোৱাটো বাদেই, বন্দুকৰ খুন্দাত ক'লা জ্বৰ হয় বুলিহে বিপদ।

ঃ মৰিবলৈ ইমান ভয় নে?

ঃ মৰিবলৈ ভয় নথকা হ'লে কাহানিবাই দুৰ্নীতি, ঠগবাজী, ঘোচখোৰহঁতক গুলিয়াই মাৰিলোহেঁতেন।

ঃ এইবোৰ সব নৰকত পৰিব বুইছ, সবে নৰকৰ যন্ত্ৰণা ভূঞ্জিব। এইবোৰে পাপ কৰি কৰি মুখত ৰাম নাম লবলৈ পাহৰিলে। ইমান মহান কলি যুগত জন্ম লাভ কৰি পাপৰ ফল ভূঞ্জিব। এনেয়ে ভাগৱতত কোৱা নাই --

"হৰি নাম লৈলে মুখে মুকুতি পায়।
বৈকুণ্ঠৰ মহাসুখ হাততে মিলয়।।
হেন কলি যুগ মহা পৰম উত্তম।
সত্য, ত্ৰেতা, দ্বপৰেও নুহিকয় সম।"

ককাৰ কথাৰ পাক গৈ শাস্ত্ৰ ভাগৱত পায়গৈ। নেপাব গৈ বা কিয়? ভেকুলীয়েও যদি বোপা ককাৰ "সাজটি এৰিমনো কিয়" বুলি কয়, তেনেহ ককাইনো এৰিব কিয়?

ককাৰ মতে সংসাৰখন অৰ্থহীন। ইয়াত একো নাই শূণ্য। ইয়াত কোনো কাৰো আপোন নহয়। মানুহ জন্মিলে মৃত্যু অনিবাৰ্য। মানুহে জন্ম হওঁতে কাকো লগত লৈ নাহে আৰু কাকো লগত লৈ যাব নোৱাৰে। এই সংসাৰত ধন-জন, পাৰ্থীৱ সুখ-দুখ সকলো ক্ষন্তেকীয়া। এই সংসাৰত মানুহে মায়া মোহত পৰি মোৰ ঘৰ, মোৰ ল'ৰা, মোৰ বাৰী, মোৰ সম্পত্তি বুলি মিছায়ে গৰ্ব কৰি ফুৰে। আচলতে এই বিষয় সুখে মানুহক অন্ধ কৰি ৰাখে।

সঁচাকৈ ককাৰ কথাবোৰে মোক চিন্তাৰ সাগৰত ডুবাই ৰাখিছিল। মই হৃদয়ংগম কৰিছিলো ককাৰ কথাবোৰ।

তাৰ পিছত ককাই জুৰ দৰি চাহপানী কৰিছিল। জুইত ফু দিওঁতে ককাৰ সেই পুৰণি কাহটো উক্ দিলে। বহুতে ককাৰ এইটো শুকান টি.বি. বুলি কয় আৰু ঘৃণা কৰে। মই ককাক বহিবলৈ দি মই নিজে চাহ কৰিলো। চুৱা কাঁহি-বাতি কেইটা ভালকৈ খাৰ মাৰি ধুই ললো। তাৰ পাছত চাহ কৰি ককাক এবাটি দিলো আৰু মইয়ো এবাটি খালো। চাহপানী খাই ককাই মোক শলাগিলে -- "বৰ ধুনীয়া চাহ বনালি। মই এনেকুৱা চাহ বনাই খাম বুলি ভাবো কিন্তু নহয়গৈ।" সঁচাকৈ ডাৱৰীয়া বতৰত তেনে এটোপা কাঢ়া চাহপানী খাই বৰ আমেজ লাগে।

তাৰ চাহপানী বাতি খাই ককাই আকৌ কাহিব ধৰিলে। "বুইছ এই কাহটো মোৰ লগতে যাব যেন পাইছো।" ককাই চকুকেইটা ১২০° মান ওপৰলৈ তুলি আলিবাটৰ ফালে চাই ক'লে। "হ'ব দে, চিন্তা কৰিব নালাগে। জীৱন নাটক শেষ হ'লে দুখ যাতনা সকলো নাইকিয়া হ'ব -- মই ক'লো।

(২)

থাকোতে ককাৰ সকলোৰেই আছে। মাটি-বাৰী, ধন-সম্পত্তি, পাঁচটাকৈ পুতেক, চাৰিজনী ছোৱালী উলিয়ায়ো দিলে। কিন্তু এই সকলো থাকিয়ো নথকাৰ দৰে অকলশৰীয়া ককাই কেতিয়াবা হুমুনিয়াহ এৰি মোক কথাবোৰ কৈ যায়।

ককাৰ সৰু জীয়েক দীপালী পুষ্পিতা হোৱাই নাছিল তেতিয়াই তাই মাউৰী হয়। তাৰ পাছত ককাৰ চাকৰি মানে পি.ডব্লিউ.ডি বিভাগৰ আলি কাম কৰা চতুৰ্থ শ্ৰেণীৰ চাকৰি। তাতে

ককাই চাকৰিৰ পৰা অৱসৰো ল'লে। কিন্তু কিবা কাৰণত পাঁচ বছৰ ধৰি পেন্‌চন্ পোৱা নাছিল। সেই খিনি সময়ত ককাৰ বহু লটি-ঘটি হ'ল। চাকৰিৰ পৰা অৱসৰ লোৱাৰ পিছত কোনো দৰমহা নোহোৱাত পাঁচটা পুতেকে লেই-লেই, চেই-চেই কৰিবলৈ ধৰিলে। সময়ত ভাত-পানী নাই। খাবৰ সময়তো কেটেৰা-জেঙেৰা মাতে। দীপালীক লৈ ককাৰ মহা চিন্তা। কেনেকৈ তাইক উলিয়াই দি পশু সমাজখনৰ পৰা মুক্তি পায় তাৰেই চিন্তা। অৱশেষত শাৰীৰিক ভাৱে অক্ষম হোৱা যুৱক এজনলৈকে ফুল কুমলীয়া দীপালীক বিয়া দিব লগা হ'ল। য'ত বাপেকৰ আলৈ-আঠানি দেখি জীয়েকে অনিচ্ছাস্বত্বেও কোনো আপত্তি নকৰিলে। জীয়েকক উলিয়াই দি সেইবাৰ ককা ঘৰৰ পৰা বাহিৰ হৈ গ'ল। অনাই-বনাই মিতিৰ-কুটুমৰ ঘৰে-ঘৰে দুই এদিন আলহী হৈ দিন নিয়াবলৈ প্ৰস্তুত হৈছিল।

এনেদৰে এমাহমান যোৱাৰ পাছত ককাৰ পেন্‌চনৰ খবৰ আহিল। তেতিয়া ককাই পৃথিৱীত ভগৱান আছে বুলি বিশ্বাস কৰিলে। পিছে ভগৱানেও বান্দৰৰ নাচ চাই ভাল পায় বুলিয়েই হয়তো বান্দৰ নামে এবিধ জন্তু সৃষ্টি কৰিছিল। ককাৰ পেন্‌চনৰ খবৰ পোৱাৰ মাত্ৰকে পাঁচোটা পুতেকৰ মাজত তৰ্ক-বিতৰ্ক লাগিল। ডাঙৰটো পুতেকে কয় -- "পিতাই মোৰ লগত থাকিব।" দ্বিতীয়টোৱে কয় -- "পিতাইক মইহে চাম। গতিকে মোৰ লগত থাকক।" মাজুপুতেকে কয় -- "নহয় পিতাই মোৰ লগত থাকিব।" সৰু মাজোটোৱে নেৰে -- "পিতাই মোৰ লগত থাকিবই লাগিব। নহ'লে কথা বেয়া হ'ব।" সৰু পুতেকে কয় -- "পিতাই মৰিলে মইহে পিণ্ড দিব লাগিব। গতিকে মোৰ লগত পিতাই থাকিবই লাগিব।" মুঠতে এটা জীয়া পঞ্চক কেন্দ্ৰ কৰি পাঁচটা পুতেকৰ থৈয়া নথৈয়া ৰণ। ইয়াৰ আগত 'পিতাই' কি বস্তু এটায়ো উপলব্ধিয়ে কৰা নাছিল। মুক্তিৰ আশাত এতিয়া পাঁচোটা ভুতৰ মুখতেই ৰাম নাম।

অৱশেষত ককাই সৰু পুতেকৰ লগতে থকাৰ সিদ্ধান্ত ললে।

ককাই মাহে দুই হাজাৰ টকাকৈ পেন্‌চনন পাইছিল আৰু আজি এবছৰ আগৰ পৰা তিনি হাজাৰ হ'লগৈ। হ'লৈইবা হ'ব কি? মাহেকৰ মূৰত টকাকেইটা চুৰলৈহে পায়। টকা পোৱা দিনাই গধুলি পাঁচ ভাগ হয়। সেইবাবে সৰু পুতেকে বাপেকক দেখিব নোৱাৰা হ'ল। ফলত এদিন পুতেকৰ লগত কাজিয়া হৈ দ্বিতীয় জন পুতেকৰ ঘৰত থাকিবলৈ ল'লে। তাতো সেই একেই দশা। এনেদৰে মাজুটোৰ ঘৰত কিছুদিন, সৰু মাজুটোৰ ঘৰত কিছুদিন থাকি অৱশেষত চাৰিআলিটোৰ উত্তৰ-পূৱ চুকটোতে ককাই পঁজা সাজি থাকিব লগা হ'ল।

অকলশৰীয়া পঁজাত অকলশৰে থাকিলেও জানো তেজপিয়াই তেজৰ গোন্ধ পালে নহাকৈ থাকে? তাতো ককাৰ নিস্তাৰ নোহোৱা হ'ল। তেজ গোট খালেই তেজপিয়াবোৰে আহি শুহি শুহি ককাৰ তেজ কেইটুপি খায় যায়হি। এতিয়া তেজপিয়াবোৰৰ পোৱালীবোৰেও ককাক শুহি খাবলৈ আৰম্ভ কৰি দিছে।

ককাৰ হাফানি ৰোগটো থকাৰ বাবে খোজ কাঢ়িব বৰকৈ নোৱাৰে। ফলত পানী অনা, খৰি গোটোৱা কামবোৰ কৰিবই নোৱাৰে। সকলো বাকী থকা টকা কেইটাৰে টানি-টুনি কাম হয়গৈ। কোনোবাই পানী টিং আনি দিবলৈও পাঁচ টকা লয়। খৰিৰ কথা নকওঁৱেই।

বুঢ়াই কি খাইছে, নাখাইছে বা কেনেকৈ চলিছে, পাঁচোটা পুতেকৰ এটাৰো খবৰ নাই। মাথো মাহেকৰ মূৰত টকা কেইটা বিচাৰি ওলাবগৈ। যেন ষ্টেট্ বেংকহে! কেতিয়াবা পইচা নিদিলে কাঢ়ি-আজোৰি আটাই কেইটা খালাচ। তাৰোপৰি ওচৰ-চুবুৰীয়া মানুহবোৰৰো সেই কেইটা দিনত ককাৰ ঘৰত অভাৱ নহয়। টকা শেষ হ'লে ৰামো নাই, অযোধ্যাও নাই। হাতত টকা নোহোৱা দিন কেইটা হাতৰ বিদ্যাৰ বলত এসাজ খাই এসাজ নোখোৱাকৈ থাকে। আজিও মই কলেজলৈ ওলাই আহি ককাৰ পঁজাটোত সোমালোহি। দেখিলো ককাই মন মাৰি জুহালৰ কিনাৰত বহি আছে। "ককা আজি কি হ'ল, মুখত দেখুন ৰাম নাম নাই" -- মই মাত দিলো।

ঃ এহ কিনো কবি, কালিৰ পৰা চাউল নাই। পেটত ঠাণ্ডা পানী অকনো নাই।

মোৰ বুজি বলৈ বাকী নাথাকিল। তাৰমানে বুঢ়াৰ হাতত ফুটা কড়ি এটাও নাই। নহ'লে পানীকনো পেটত নপৰাকৈ থাকেনে? লগে লগে মই-দুশ মিটাৰ আঁতৰত উত্তৰলৈ যোৱা আলিটোৰ কাষতে থকা মানুহ ঘৰৰ পৰা এবাল্টি পানী আনিলো। চাহ অকণ বনাওঁ বুলি ললো। ককাই চাৰি আলিটোৰ দক্ষিণ-পশ্চিম কোণত থকা ভায়েকৰ দোকানৰ পৰা বিস্কুট ধাৰলৈ আনিবলৈ গ'ল। দোকানত ডাঙৰ ডাঙৰ মাত শুনি দুৱাৰ মুখলৈ ওলাই চালো, দোকানী ভায়েকৰ যাত্ৰা হোৱা নাই বুলি বিস্কুট নিদিয়ে। লগে লগে মই আগবাঢ়ি গলো আৰু বিস্কুট একপেটি, জাহাজীকল পাঁচোটা কিনি ময়ে পইছা দিলো। চাহ বনাই ককাক খাবলৈ দিলো। ককাই একো মাত নামাতিলে।



চাহ খাই ককাই এটা উগাৰ মাৰিলে। কাৰণ চাৰিটা জাহাজী কলে তেওঁৰ পেট ইতিমধ্যে ভৰাই পেলালে।

মই কলেজলৈ বুলি চল্লিশ টকা লৈ গৈছিলো। অহা-যোৱা কৰিবলৈ গাড়ী ভাড়া লাগে ত্ৰিশ টকা আৰু চাহ খাবলৈ বুলি দহটকা। ইতিমধ্যে বুঢ়াৰ কুটীৰত চাহ খাওঁতে বিশ টকা খৰচেই হ'ল, বাকী থাকিল বিশ টকা। এতিয়া কি কৰা যায় ..........! বিশ টকা লৈ কলেজলৈ যাবটো নোৱাৰি। মই চিন্তা কৰি কৰি ককাৰ মুখলৈ চালো। ককাৰ মুখত এটা ক্ষীণ হাহিঁ বিৰিঙিছিল যদিও ক্ষন্তেকতে আকৌ ম্লান পৰি গ'ল। "কি হ'ল ককা, বেলিৰ আগত দেখুন আকৌ ডাৱৰ? ভোকত খাবলৈ নাপায় মৰালৈ ভয় কৰিছ নেকি?"

ঃ নহয় অ', তই তই আহিলি বুলি মোৰ এইসাজ এনেকৈয়ে গ'ল। পিছে ......

মই বুজি পালো, ইয়াৰ পিছত নিশ্চয় ককাই আকৌ ভোকত থাকিব লাগিব। "ভয় নাই বুইছ, ভয় নাই। বেলি যেতিয়া ওলালে গোটেই পৃথিৱীখনেই পোহৰ কৰিব। এই বিশ টকা ল। এক কেজি চাউল আৰু পাঁচ টকাৰে আধা কেজি আলু। ভাতৰ লগত এটা এটা পুৰি পিটিকা কৰি খাই নমৰাকৈ জীয়াই থাক?"

ককাই পইচা ল'বলৈ সংকোচ কৰিলে। কাৰণ ককাই জানে মোৰ ঘৰৰ অৱস্থা। মই জোৰ কৰি টকা কেইটা দিলো। "এক কেজি চাউলে তোৰ কেইদিন যাব?" -- মই সুধিলো।

ঃ চাৰি-পাঁচ সাজ সাজ হ'ব। যেনে-তেনে দুদিন।

ঃ তোৰ পেন্‌চনৰ টকা কেইটা পাবলৈ আৰু কেইদিন আছে?

ঃ আৰু আঠ দিন।

মই চিন্তা কৰিলো আৰু ছয়দিন কি কৰা যায়? মনতে ভাবিলো কিবা এটা কৰিব লাগিব। মই ঘৰলৈ যাবলৈ ওলালো। ইতিমধ্যে গাড়ীখনো পাবহৈ গ'ল। ককাই সুধিলে -- "কলেজলৈ নাযাব নেকি?" "যাম ঘৰত লাইব্ৰেৰিৰ কিতাপ দুখন থাকি আহিল।"

মোৰ উত্তৰটো ককাৰ বাবে হয়তো সঁচা আছিল, হয়তোবা মিছা। ..... ❑❑

গল্প

# অন্ধকাৰৰ উচুপনি

✍ *Ansing Panging*
(H.S. II yr. Sc.)

বিক্ৰম আজি বজাৰৰ পৰা অলপ সোনকালে উভতিল।

ঃ অহ্ আহিলি। আজি অলপ সোনকালে পালিগৈ যে?

-- প্ৰণয়ে সুধিলে, কাৰণ আনদিনা সি বজাৰ কৰা সময়টোকেই মুক্ত সময় বুলি লগৰবোৰৰ লগত আড্ডা দিয়ে। প্ৰণয় আৰু বিক্ৰম একে ক্লাছৰে, একেখন মেচতে থাকে।

ঃ নাই, আজি ভাল বস্তু একোৱেই নাই, যি টি লৈ আহিলো আৰু । ........ ঐ প্ৰণয় আজি কথা এটা ভাবিছো নহয়।

ঃ কি কথা?

ঃ ব'ল আজি জানক চাবলৈ যাঁও। বহুতদিন হৈ গ'ল নহয় তাক নেদেখা, বিৰাট মনত পৰিছে।

ঃ অ ময়োতো সেইটোকে ভাবি আছিলো কিন্তু দিনটোহে ঠিক কৰিব পৰা নাছিলো। বাৰু ভাত-পানী খাই -মেলি যাম হ'বতো?

ঃ অ হ'ব। ...... দুয়ো খোৱা-বোৱাৰ কামত লাগিল।

ঃ ঐ বিক্ৰম, জানৰ কেলেই এনেকুৱা হ'ল মই সঁচাকৈ ভালকে' নাজানো। তই মোক ভালদৰে কৈ দে' না।

ঃ এহ্ ...... এইবোৰ কথা ক'বলৈকে মন নাযায় অ'।

ঃ ঐ প্লিজ ক' না।

ঃ বাৰু ঠিক আছে। ....... কামৰ মাজতে বিক্ৰমে আৰম্ভ কৰিলে। জানে কলেজত এজনী ছোৱালী মনে-প্ৰাণে ভাল পাইছিল। জান উ. মা. দ্বিতীয় বৰ্ষৰ অৰ্থাৎ ছোৱালীজনীতকৈ এক শ্ৰেণী ডাঙৰ। জানে ছোৱালীজনীক প্ৰথমে দেখিছিল নৱাগতা আদৰণী সভাত। সেই প্ৰথম দেখাৰ পৰাই তাইৰ প্ৰতি জানৰ কিবা এটা ভাল লাগি গৈছিল। এদিন জানৰ বিৰাট ফূৰ্ত্তি লাগিছিল যেতিয়া সি গম পাইছিল যে যিখন বাছত সি অহা-যোৱা কৰে বেছিভাগ সেইখন বাছৰেই যাত্ৰী সেই ছোৱালীজনীও। তাইৰ লগত কথা পাতিবলৈ জানৰ খুউব মন যায়, কিন্তু সি সাহস বিচাৰি নাপায়। সময় যোৱাৰ লগে লগে ছোৱালীজনীক লগ পাবলৈ বিচৰাতো জানৰ অভ্যাসত পৰিণত হৈছিল। কেতিয়াবা জানেও অনুভৱ কৰিছিল যে ছোৱালীজনীয়েও মাজে-মাজে তালৈ মিচিক-মাচাক্‌কৈ চায়। ছোৱালীজনীৰ চকুৰ চাৱনিতে জানৰ অন্তৰখন কিবা লাগি যায়। তাৰ লগতেই আৰম্ভ হৈছিল জানৰ শৈক্ষিক পতন। যাৰ মূল কাৰণ জানৰ অন্তৰৰ লগত ছোৱালীজনীক গাঁথিব বিচৰাটো। যাৰ নাম প্ৰেম নেকি বুলি জানে ভাবিছিল।

এনে পৰিস্থিৰ মাজতে এদিন ঘটনাতো হৈছিল। সেইদিনা দুয়ো একেখন চিটতে বহিব লগা হৈছিল। বাৰ্তা আৰম্ভ কৰিছিল তায়েই .......

ঃ দাদা আপুনি ঘৰৰ পৰাই অহা-যোৱা কৰে নেকি?

ঃ অ ! ঘৰৰ পৰাই অহা-যোৱা কৰো আৰু ....... তুমিও অহা-যোৱা কৰা চাগে'?

ঃ অ হয়। ........... দাদা আপোনাৰ নামটো ........?

ঃ তুমি জান বুলি জানিলেই হ'ব। ........ তোমাৰ .......?

ঃ প্ৰণামী। মিছ্ প্ৰণামী গগৈ।



ঃ কি কথা চলিছে অ' প্ৰণামী, আমিও অকণমান শুনাকে ক আক'!

-- পিছফালৰ লগৰজাকৰ এজনীয়ে চিঞৰিছিলে।

জানৰ লাজ লাগি গৈছিল, তাই হাঁহিছিল।

এই প্ৰথম চিনাকীৰ পৰাই দুয়ো সহজ হৈ পৰিল। দুয়ো যেতিয়াই মুখা-মুখি হয় দুয়ো লাহেকৈ হাঁহে যেন দুয়ো দুয়োৰে মনৰ কথা বুজি পায়।এনেকৈয়ে এদিন প্ৰণামীয়ে চিঠিৰ যোগেদি জানলৈ প্ৰেমৰ প্ৰস্তাৱ আগবঢ়ালে। সেইদিনা জানৰ সুখৰ সীমা নাইকিয়া হৈছিল।তেওঁ যেন সকলোকে কথাটো কৈ দিব। সহৃদয়েৰে তেওঁ সেই প্ৰস্তাৱ গ্ৰহণৰ প্ৰত্যুত্তৰ দিছিল। দুয়োৰে মৰমৰ এনাজৰীডাল প্ৰকট হৈ পৰিছিল। এদিন জানে লগৰ ছোৱালীবিলাকৰ পৰা গম পাইছিল যে দুদিনৰ পাছত প্ৰণামীৰ বাৰ্থদে। জানে তাইক কি দিব একো ভাবি উলিয়াব পৰা নাছিল। শেষত "মিৰি জিয়ৰী" নামৰ উপন্যাসখনিকে দিয়াটো ঠিক কৰিলে। সেইদিনা তাইৰ বাৰ্থদে, জান কলেজলৈ নাহিল তাইক গিফট্‌তো দিবলৈ অলপ বেলেগকৈ সাজি-কাচি আহিল। সি সকলো ফালৰ পৰা সাজু হৈ বহি থাকিল তাইৰ অপেক্ষাত, বিভিন্ন কথা ভাবি। টিঁ.... টিঁ...... ট; গাড়ীৰ হৰ্ণত সি বাস্তৱলৈ ঘূৰি আহিল, এনেকৈ সি কিমান সময় কটালে গমেই নাপালে। ওৱা! গাড়ীখন যাবলৈ হ'লেই প্ৰণামী এতিয়ালৈকে আহি পোৱা নাই যে! জানৰ মনটো হতাশাৰে ভৰি পৰিছিল। গাড়ীখনে গতি ল'লে জানে মাথো ৰাস্তাৰ ফালেই চাই থাকিল প্ৰণামীৰ আশাত। সৰু-সুৰা থেকেচনিৰে গাড়ীখন আগবাঢ়ি গৈ থাকিল। জানে হাতত লৈ থকা কিতাপখন এবাৰ নতুন দৃষ্টিৰে স্পৰ্শ কৰি চালে। হঠাতে গাড়ীৰ ঠেকেচনিত হাতৰ পৰা কিতাপখন সৰি পৰি খিৰিকীৰ বাহিৰ হৈ দলঙৰ ফাকেদি গৈ পানীত পৰিল। জানে উচপ খাই ধৰিবলৈ চেষ্টা কৰিও নোৱাৰিলে। সি মাথো পানীত উটি যোৱা কিতাপ খনলৈহে চাই থাকিল নিৰৱে.... যেন নৈখনে তাৰ বুকুৰ পৰা মৰমৰ প্ৰণামীক আজুৰি লৈ গুছি গ'ল। জানে ভাবিলে যদি পিছদিনা প্ৰণামীয়ে তাক সোধে বাৰ্থদেত একো নিদিলাযে বুলি? জানে কি বুলি ক'ব। প্ৰণামীয়ে যদি বেয়া পায় বুলি তাৰ ভয়ো লাগিছিল। পিছদিনা সি সেইকাৰণেই কলেজ নাহিল। ঘৰতো তেওঁৰ সময়বোৰ নাযায়-নোপোৱাই যেন লাগিছিল। দুপৰীয়া ভাত পানী খাই চকীখনত অলপ জিৰালে, ওচৰতে বাতৰি কাকত খন পৰি থকা দেখি তুলি ল'লে আৰু চকু ফুৰালে। প্ৰথমেই দেখা পালে -- "সোণাৰিত গাড়ীৰ খুন্দাত কলেজৰ ছোৱালী নিহত।" সি একো গুৰুত্ব নিদিলে, ভাবিলে আজিকালি দিনবোৰ যে কি হৈ গৈছে ; পেপাৰটো চাবই নোৱাৰি -- অ'ত চালেই গুলিয়াগুলি, ত'ত চালেই এক্সিডেন্ট, হত্যা-মৃত্যু, মৃতদেহ উদ্ধাৰ ......। সি বাতৰি কাকতখনো তাতে থৈ অকণমান শুই লঁও বুলি ৰুমলৈ সোমাল। পিছদিনা জান কলেজলৈ আহিল কিন্তু তাতো অকনো ভাল নালাগিল। যাবৰ সময়ত গাড়ীত বহিল প্ৰণামীৰ অপেক্ষাত .... কিন্তু প্ৰণামী নাহিল। বিষাদে আৱৰি ধৰিছিল জানক, প্ৰণামীৰ লগৰকেইজনীও নহা হৈছিল। প্ৰণামীৰ খবৰ ল'বলৈ তাৰ মন উৎফুল্লিত হৈছিল কিন্তু তাৰ হাতত একো উপায় নাছিল। দুই-তিনিদিন এনেকৈয়ে পাৰ হ'ল কিন্তু প্ৰণামী আৰু তাইৰ লগৰ কাকোকে জানে লগ নাপালে। কলেজলৈ অহাটো এই কেইদিন জানৰ মূল্যহীন যেন লাগিল।

এদিন প্ৰণামীৰ লগৰ এজনীক জানে লগ পালে। জানে ততাতৈয়াকৈ আহি প্ৰণামীৰ খবৰ সুধিলে --

ঃ মামু শুনাচোন শুনা, এই কেইদিন প্ৰণামী কেলৈ কলেজলৈ অহা নাই তুমি ক'ব পাৰিবা নেকি? তাই মোক বেয়া পালে নেকি বাৰু?

ঃ জান তুমি প্ৰণামীৰ কথা সঁচাকে নাজানানে?

ঃ ওহোঁ! প্ৰণামীৰ কি হৈছে? কিবা হ'ল নেকি?

-- মামুৰ মাত হেৰাই গৈছিল।

ঃ মামু প্লিজ্ কোৱানা। প্ৰণামী কিয় অহা নাই?

ঃ জান ........, জান প্ৰণামীয়ে এক্সিডেন্টত প্ৰাণ হেৰুৱালে।

ঃ হাঃ হাঃ তুমিওযে আৰু দেই, কি যে ধেমালীবোৰ কৰা জানো ......

ঃ মই ধেমালী কৰা নাই জান, প্ৰণামীৰ

সঁচাকৈ এক্সিডেন্ট হ'ল। প্ৰণামী এতিয়া আৰু নাই জান; তাই আমাৰ মাজলৈ কেতিয়াও নাহে জান ........ কেতিয়াও নাহে ........।

লগে লগে জান নিথৰ হৈ গৈছিল, যেন তাৰ মূৰত বিষাদৰ বজ্ৰপাত পৰিল। সেই তেতিয়াৰ পৰাই জানে মানসিক ভাৰসাম্যও হেৰুৱালে। কলেজলৈ অহাও বাদ দিলে, নিসংগতা হৈ পৰিছিল তেওঁৰ প্ৰিয় সংগী। খোৱা-নিদ্ৰা সকলো পাহৰি গৈছিল। মাজৰাতিলৈকে অকলে অকলে কান্দি থাকিছিল নিশব্দে আৰু নীৰৱে। জান মানসিক আৰু শাৰীৰিকভাৱে অত্যন্ত দুৰ্বল হৈ পৰিছিল। সেই কিতাপখন, হাঁহিবোৰ তেওঁৰ চকুৰ আগত ভাঁহিবলৈ ধৰিছিল। সেই চালকজনৰ সাধাৰণ ভুলতে প্ৰণামীয়ে প্ৰাণ হেৰুৱালে কিন্তু সেইভূলৰ পৰিনাম ভোগে বহুজনে যাৰ স্বীকাৰ হ'ল অজলা-নিচলা জান।

ঃ সঁচাকৈ .....। মানুহবোৰে কেনৈ গাড়ী-মটৰবোৰ তেনেকৈ চলাই জানো ভাবিয়েই নাপাওঁ পাই। খোৱাৰ মাজতে প্ৰণয়ে ক'লে।

--- খাই বৈ দুয়ো জানৰ ঘৰলৈ ওলাল। প্ৰায় এঘন্টামানৰ পাছত দুয়ো সিহঁতৰ ঘৰ পালেগৈ। সিহঁতক দেখি মাক ঘৰৰ পৰা ওলাই আহিল আৰু ভিতৰলৈ মাতি জানৰ ৰুমটো দেখুৱালে। দুয়ো ভিতৰলৈ সোমাই দেখে জান মনে মনে বহি আছে। সিহঁতক দেখাৰ লগে লগে সি জাপ মাৰি উঠিল আৰু সিহঁতৰ গাত ধৰি জোকাৰি জোকাৰি তৃতীয়জনক বিচাৰিবলৈ ধৰিলে।

ঃ এ প্ৰণয় প্ৰণামী নাহিল নেকি? বিক্ৰম প্ৰণামী কিয় নাহিল প্ৰণামী নাহিব নেকি? প্ৰণামী তুমি ক'লৈ গ'লা প্ৰণামী, ক'ত আছা তুমি? কিয় গুচি গ'লা তুমি? প্ৰণা..... কিয় গুচি গ'লা? .....

-লগে লগে কোঠালিটোৰ পৰা জানৰ উচুপনি চাৰিওফালে ভাঁহি আহিল। .... □□

## কুইজ

সংগ্ৰাহকঃ *মনচুৰ আহমেদ*
উঃ মাঃ ২ য় বৰ্ষ
(বিজ্ঞান শাখা)

১। জ্ঞানপীঠ বঁটা বিজয়ী প্ৰথম ভাৰতীয় মহিলা কোন?
২। তেজৰ দৰে ৰঙা ৰঙা নদী ক'ত আছে?
৩। মকৰাই একো নোখোৱাকৈ কিমান দিন জীয়াই থাকিব পাৰে?
৪। বিশ্বৰ সবাতোকৈ ধনী খেলুৱৈজন কোন?
৫। অস্কাৰ এৱাৰ্ডটোৰ উচ্চতা আৰু ওজন কিমান?

উত্তৰ
১। আশা পূৰ্ণা দেৱী, ২। স্পেইনৰ টিয়ুটিনত, ৩। ১০ বছৰ, ৪। টাইগাৰ উড়্ছ (আমেৰিকাৰ গলফ্ খেলুৱৈ), ৫। উচ্চতা ১৩ ইঞ্চি আৰু ওজন ৩.৫০ কিলোগ্ৰাম।



## কুইজ

সংগ্ৰাহকঃ *জোনালী মুছাহাৰী*
উঃ মাঃ ১ ম বৰ্ষ
(কলা শাখা)

১। মানুহৰ দাঁত কিহেৰে গঠিত?
২। বিশ্বৰ প্ৰথম ক'ত ক্ৰিকেট খেলা আৰম্ভ হৈছিল?
৩। সাহিত্য একাডেমী পুৰস্কাৰ পোৱা প্ৰথম মহিলা কোন?
৪। পৃথিৱীৰ ভিতৰত আটাইতকৈ বেছি প্ৰচাৰ হোৱা গ্ৰন্থখনৰ নাম কি?
৫। বিশ্বৰ আটাইতকৈ দৰিদ্ৰ দেশ কোনখন?

উত্তৰ
১। চূণ জাতীয় পদাৰ্থৰে, ২। ইংলেণ্ডত, ৩। অমৃতা প্ৰীতম, ৪। বাইবেল, ৫। ভূটান।



**গল্প**

# অপৰাহ্নৰ অনুভৱবোৰ

✍ *সংগীতা গগৈ*
স্নাতক প্ৰথম বৰ্ষ।
(ৰাজনীতি বিজ্ঞান)

"দুবৰী, দুবৰী কোন আছিল বাৰু?" ৰাজীৱ শইকীয়াই ফুলনীখনত পানী দি দি ভাৱিবলৈ ধৰিলে। "প্ৰখ্যাত লেখিকা দুবৰা বৰবৰাৰ জি.এম.চি. ত শেষ নিস্বাস ত্যাগ" -- ৰেডিঅ'টোত এইমাত্ৰ পোৱা বাতৰিটোৱে শইকীয়াক কিছু সময় ভাৱিবলৈ বাধ্য কৰালে। কিন্তু ৬২ বছৰীয়া শইকীয়াৰ স্মৃতিশক্তি হ্ৰাস পোৱা বুলি তেওঁ এতিয়াহে বুজি পালে, কাৰণ দুবৰী বৰবৰা কোন আছিল তেওঁ মনত পেলাব নোৱাৰিলে।

দেউতা চাহকাপ চেচাঁ হ'ল কিজানি? কি ভাৱি আছানো অথনিৰে পৰা। মই গৰম কৰি দিওঁ দিয়া। জীয়েক সুনন্দাৰ মাতত শইকীয়াই পাছফালে ঘুৰি চালে।



অ' হয়তো চাহকাপ খাবলৈকো দেখোন পাহৰিলে তেওঁ। হ'ব মাজনী গৰম হৈয়ে আছে বুলি তেওঁ চাহকাপ হাতত তুলি ল'লে। শইকীয়াৰ একমাত্ৰ জীয়ৰী সুনন্দা আৰু নাতিল'ৰা মুন্না এইকেইদিন ঘৰতেই আছেহি, জোঁৱাই দীপকে কামৰ বাবে হায়দৰাবাদলৈ যোৱাৰ বাবে। শইকীয়ানী নাতিল'ৰাক লৈ কাৰোবাৰ ঘৰলৈ ওলাই গৈছে। তেওঁ ভিতৰৰ পৰা কুৰ্টাটো সলাই স্কুটাৰখন লৈ ক'ৰবালৈ ওলাই গ'ল। বজাৰৰ পৰা আহি পাওঁতে সন্ধ্যাই হ'ল। শইকীয়ানীয়ে ইতিমধ্যে ধূপ-ধূনা দিলেই। এই ধূনাৰ গুন্ধটোৱে তেওঁক সৰুৰে পৰাই আকৰ্ষণ কৰি আহিছে। বাহিৰত আৰামি চকীখনত বহি হৰিনাম এটা গাই বহি থকা এই সময়কণ তেওঁৰ বাবে বৰ প্ৰিয় সময়। এই কেইদিন তেওঁৰ কোলাত নাতিল'ৰাকো বহুৱাই লয়।

মুখ-হাত ধুই মুন্নাক লৈ তেওঁ বাহিৰলৈ আহিল আৰু তাক ওমলাবলৈ লাগিল। মুন্নাটো একোবাৰে সুনন্দাৰ দৰে হৈছে। তাই কেঁচুৱাতে এনেকুৱাই আছিল। নাকটো মুন্নাতকৈ জোঙা আছিল। তাইকো শইকীয়াই গধূলী সময়ত এনেকৈয়েই সাধু কথা কৈছিল। সেইজনী কণমানি সুনন্দাই আজি এখন ঘৰৰ ল'ৰা-ছোৱালীৰ দায়িত্ব ল'ব পৰা হ'ল। সঁচাকৈয়ে দিনবোৰ বৰ সোনকালে পাৰ হৈ গৈছে। মৃত্যুৰ মুখলৈ আগুৱাই গৈ আছে, অতি সংগোপনে। শইকীয়াই ভাৱত তন্ময় হৈ থাকোঁতেই মুন্না টোপনি গ'ল। সুনন্দাই তেওঁক ভাত খাবলৈ মাতি মুন্নাক শুৱাই থৈ আহিবলৈ গ'ল। ভাত-পানী খাই উঠি তিনিও শুবলৈ ল'লে।

পিছদিনা ৰাতিপুৱা আন দিনাৰ দৰে প্ৰাতঃভ্ৰমণৰ পৰা আহি বাতৰি কাকতখন হাতত তুলি লৈ শইকীয়াৰ দৃষ্টি ৰৈ গ'ল। যাক মনত পেলাবৰ বাবে যোৱা কালিৰ পৰা তেওঁ চেষ্টা কৰি আছিল সেই দুবৰীৰ ফটোখন দেখি তেওঁ লগে লগে চিনি পালে আৰু তেওঁৰ মন উৰা মাৰিলে অতীতৰ সেই দুবৰীৰ কাষলৈ যাক তেওঁ নিজতকৈও বেছি ভাল পাইছিল। যিজনী দুবৰীয়ে তেওঁৰ বাবে আজীৱন ৰৈ থকাৰ প্ৰতিশ্ৰুতি দিছিল, যি প্ৰতিশ্ৰুতিক সাৰথি কৰি তেওঁ ওলাই গৈছিল জীৱিকাৰ সন্ধানত।

যোৰহাটৰ অতি ভিতৰুৱা গাঁও ৰতনপুৰত

পাৰ হৈছিল ৰাজীৱ শইকীয়াৰ বাল্যকাল। সৰুৰে পৰা তীক্ষ্ণ বুদ্ধিৰ পৰিচয় দিয়া ৰাজীৱক পঢ়োৱাবলৈ যথেষ্ট কষ্ট স্বীকাৰ কৰিছিল মাক-দেউতাকে। তেওঁৱেই আছিল ৰতনপুৰৰ ভৱিষ্যত। ৰতনপুৰ প্ৰাথমিক বিদ্যালয়ৰ পৰা বৃত্তি পৰীক্ষাত উত্তীৰ্ণ হোৱাৰ দিনাই তেওঁক শুভেচ্ছা জনাবলৈ আহিছিল ৰতনপুৰ প্ৰথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক অতুল হাজৰিকা। লগত তেওঁৰ জীয়েক দুবৰী। টাউনৰ মোমায়েকৰ ঘৰত থকা দুবৰী ৰাজীৱতকৈ সৰু আছিল যদিও সেইদিনাৰ পৰা দুয়ো বন্ধুৰ দৰে হৈ পৰিছিল। হাই স্কুল শিক্ষান্ত পৰীক্ষাত সুন্দৰ ফলাফলেৰে ৰাজীৱে জগন্নাথ বৰুৱা মহাবিদ্যালয়ত নামভৰ্ত্তি কৰিছিল কলা শাখাত। অৰ্থনীতিত স্নাতক পৰীক্ষা পাছ কৰি ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ পৰা প্ৰথম শ্ৰেণী লৈ তেওঁ স্নাতকোত্তৰ পৰীক্ষা পাছ কৰিছিল। সেই সুদীৰ্ঘ সময়ছোৱাত তেওঁৰ কাষে-কাষে আছিল দুবৰী। প্ৰথম বন্ধু, তাৰ পাছত হৈছিল প্ৰেম। তেওঁ বিশ্ববিদ্যালয়ৰ পৰা ওলোৱা বছৰ দুবৰী আছিল জগন্নাথ বৰুৱা মহাবিদ্যালয়ৰ স্নাতক মহলাৰ ছাত্ৰী। চিঠিৰে যোগাযোগ চলিছিল দুয়োৰে মাজত। দুবৰীয়েই প্ৰথমতে তেওঁক বিয়াৰ প্ৰস্তাৱ আগবঢ়াইছিল। কিন্তু ঘৰৰ একমাত্ৰ সন্তান হিচাপে পিতৃ-মাতৃক চোৱাটো তেওঁৰ প্ৰথম কৰ্তব্য আছিল। গতিকে চাকৰি এটা পালেই তেওঁ দুবৰীক বিয়া কৰোৱাৰ আশ্বাস দিছিল। দুবৰীয়ে অভিমান কৰিছিল।

এম.এ. কৰাৰ এবছৰৰ পাছতেই তেওঁ গুৱাহাটীৰ বি.বৰুৱা মহাবিদ্যালয়ত অৰ্থনীতিৰ প্ৰৱক্তাৰূপে যোগদান কৰিছিল। চাকৰিত জইন কৰা ছয়মাহৰ পাছত ঘৰলৈ আহি তেওঁ গম পালে যে, দুবৰীৰ ইতিমধ্যে আঙুঠি পিন্ধোৱা হৈ গৈছে নগাঁওৰ ডাঃ বিৰিঞ্চি বৰবৰাৰ সতে। তেওঁৰ চকুৰ সন্মুখতে তেওঁৰ কল্পনাৰ পৃথিৱীখন যেন উলট-পালট হৈ গ'ল। সঁচাকৈ দুবৰীয়ে অভিমান কৰিয়েই তেওঁৰ জীৱনৰ পৰা আঁতৰি গ'ল। এবাৰ হোষ্টেলৰ আড্ডাত বন্ধু এজনে কৈছিল, "ছোৱালীৰ মনটো পানীৰ দৰে, যি পাত্ৰতে থোৱা হয় সেই আকাৰেই লয়।" সঁচাকৈ দুবৰীয়ে টকাৰ বাবেই তেওঁক এৰি গ'ল নেকি? ৰাজীৱে আৰু ভাবিব নোৱাৰিলে। মাক-দেউতাকে বিয়া কৰাবলৈ ক'লে তেওঁ কথাষাৰ এৰাই চলে। কিন্তু তেওঁ ভাবি নাপায় যিজনী ছোৱালীয়ে তেওঁৰ নিস্বাৰ্থ মৰমক উপেক্ষা কৰি মহা সুখেৰে আছে সেইজনী ছোৱালীৰ বাবে তেওঁ নিজৰ জীৱনটো শেষ কৰিব কিয়?

তেওঁ মাক-দেউতাকৰ পচন্দমতে যোৰহাটৰ পূৰ্ণিমাক বিয়া কৰালে। দুবৰীৰ কোনো খবৰ লোৱাৰ প্ৰয়োজন অনুভৱ নকৰিলে। ইতিমধ্যে মাহ, বছৰ বাগৰিল। মাক-দেউতাকৰো মৃত্যু হ'ল। গুৱাহাটীত ঘৰ-দুৱাৰ কৰি একমাত্ৰ ছোৱলীজনীক বিয়া দিলে। চাকৰিৰ পৰাও অৱসৰ ললে। কিন্তু হঠাৎ আজি দুবৰীৰ স্মৃতিয়ে মানসপটত ভূমুকি মাৰিলে কিয়? হয়তো জীৱনৰ প্ৰথম প্ৰেমৰ অনুভৱ তেওঁৰ হৃদয়ৰ কোনোবা একোণত এতিয়াও বিৰাজমান।

দেউতা অথনিৰেপৰা কি কৰি আছানো, মিটিঙলৈ নোযোৱা? সুনন্দাৰ মাত শুনি খপ-জপকৈ চকু দুটা মোহাৰি চচ্মাযোৰ পিন্ধি ল'লে। পূৰ্ণিমা অৰ্থাৎ তেওঁৰ পত্নীয়ে সকলো গম পায় কাৰণ তেওঁ কোনো দিনে দুবৰীৰ কথা লুকুৱাই ৰখা নাই। আজি দুবৰীৰ মৃত্যুৰ বাতৰিয়ে শইকীয়াৰ লগত পূৰ্ণিমাকো বিচলিত কৰিছে। সেইকাৰণে তেওঁ শইকীয়াক আমনি কৰা নাই।

সঁচা প্ৰেমৰ মিঠা অনুভূতিবোৰ তেঁৱো বুজি পায়, যিটো নেকি তেওঁ আজীৱন পাই আছে শইকীয়াৰ পৰা, তেওঁৰ স্বামীৰ পৰা। ❑❑

## নীতি বাক্য

**চাৰিৰ চাৰিটা কথা**

চাৰিটা বস্তুৱে জীৱন মহান কৰে - সৎ চিন্তা, পৰিশ্ৰম অধ্যয়ন আৰু সহায়।
চাৰিটা বস্তুৱে জীৱনৰ আয়ুস কমায় - অসৎ চিন্তা, পৰৰ অনিষ্ট, পৰচৰ্চা আৰু শত্ৰুতা।
চাৰিটা বস্তুৱে জীৱনত এবেৰাহে পোৱা যায় - পিতৃ, মাতৃ, ল'ৰালি আৰু যৌৱন।
চাৰিটা গুণ আয়ত্ব কৰিব লাগে - ধৈৰ্য্য, ভদ্ৰতা, সৰলতা আৰু বিশ্বাস।

সংগ্ৰাহক ঃ *দীপিকা তাঁতী* (উঃ মাঃ ১ম বৰ্ষ)



গল্প

# "যৌতুক" এটা বিভীষিকা

✍ *শ্ৰীমতী ময়ুৰী দেৱী*
স্নাতক তৃতীয় বৰ্ষ
(অসমীয়া বিভাগ)

সপোন সকলোৰে থাকে, প্ৰতিজনী ছোৱালীৰে। সেইয়া শিক্ষিত, উচ্চ শিক্ষিত বা অশিক্ষিতেই হ'ওক। কিন্তু সকলোৰে সপোন দিঠকত পূৰ্ণ নহয়। অভিলাসাৰ সপোনো পূৰ্ণ নহ'ল। উচ্চ শিক্ষিত অথচ নিম্ন মধ্যবিত্ত শ্ৰেণীৰ জীয়ৰী অভিলাসা। মুক্ত বিহংগৰ দৰে স্নিগ্ধ বতাহৰ মাজত ঘূৰি ফুৰা অভিলাসাৰ কিবা এটা কৰাৰ কত সপোন কত আশা। সকলো পাহৰি মাক-দেউতাকৰ কথাকে মানি ল'লে। মানি ল'লে পৰিপূৰ্ণ ঘৰ এখনৰ সপোন এটাহে। সমাজৰ নিয়ম অনুসৰি শাহু-শহুৰ, ননদ-দেউৰ আদিৰে পৰিপূৰ্ণ এখন ঘৰ।

অভিলাসাৰ মনৰ দুখ মনতে লুকুৱাই যন্ত্ৰবৎ কামবোৰ কৰি যোৱাৰ সিদ্ধান্ত ল'লে কেৱল মাক-দেউতাকৰ মনত অকণমান সুখ দিবলৈ। তাই যেন সময়ৰ গতিত নিজকে এৰি দিলে। পূৰ্বে ঠিক হোৱাৰ দৰে বিয়াৰ বন্দবস্ত হ'ল। দেউতাকে সাধ্য অনুসৰি ছোৱালীৰ লগত দিবলৈ বস্তুৰ যোগাৰ কৰিলে। মত নাথাকিলেও তাই যেন মানি লৈছিল নিজৰ ভাগ্যক। তাই ভাবিলে জীৱনত কিবা এটা সংস্থাপন লাভ কৰি নিজৰ ঘৰখনৰ বাবে কিবা এটা কৰি উপাৰ্জনৰ টকা কেইটা মাক-দেউতাৰ হাতত তুলি দিম এয়াই আছিল মোৰ সপোন। কিন্তু মা-দেউতাই কিয় মোৰ সপোনক দিঠকত পূৰ্ণ হ'ব নিদিলে, নাজানো।

কিন্তু বিয়া দিয়াৰ মাক-দেউতাকৰ সপোনটোও কিয় ভাঙি গ'ল, কিয়। সকলো ঠিক হৈ যোৱাৰ পাছতো বিয়া কিয় ভাঙিব লাগে। যৌতুক, পুনৰ যৌতুকৰ বাবে নিশ্চিত বিয়াখন ভাগিব বিচাৰিছে। তাই খিৰিকিৰে ঘৰৰ বাহিৰলৈ চাই পঠিয়ালে। চোতালত অভিলাসাৰ দেউতাকে দৰাৰ দেউতাকক অনুনয় বিনয় কৰি আছে বিয়াখন নাভাঙিবলৈ। কিন্তু সিহঁত যে অলৰ-অচৰ। অভিলাসাৰ সহ্যৰ সীমা পাৰ হৈ গ'ল। তাইৰ কি শিক্ষা, তাইৰ সংসাৰৰ কোনো মূল্য নাই এই যৌতুকৰ আগত? তাইৰ মনটো মাক-দেউতাকৰ বাবে বান্ধি ৰাখিছিল। কিন্তু এতিয়া সেইয়া নহ'ব। মাক-দেউতাকৰ সন্মান এইদৰে দৰাঘৰীয়া মানুহে মাটিত মিলাই দিব তাই কি সহ্য কৰি থাকিব। সেইয়া কেতিয়াও সম্ভৱ নহয়। তাই লগে লগে পুলিচলৈ ফোন কৰিলে। তাই এইদৰে বহি থাকিব কেতিয়াও নোৱাৰে। তাই ভাবিলে এনেলোকক শাস্তি দিলেহে শান্তি পাব। -- তাইৰ দৰে আন এজনী ছোৱালী যৌতুকৰ বলি হ'বলৈ দিব নোৱাৰে, কেতিয়াও নোৱাৰে। ..... ❑❑

ভুল আঁতৰাই সত্য প্ৰতিষ্ঠা কৰাটোৱেই শিক্ষাৰ মূল লক্ষ্য।
....... ছক্ৰেটিছ

গল্প

# ট্ৰেইনত লগ পোৱা বাদুলীজনী

শ্ৰী দেৱজিৎ চেতিয়া ফুকন
স্নাতক দ্বিতীয় বৰ্ষ
(বিজ্ঞান শাখা)

...২৪ অক্টোবৰ ২০০৭ ৰ এটি ৰঙীন আবেলি। পশ্চিম আকাশৰ পৰা সূৰুজে সোণালী আভা বিলাই কৃষকৰ সপোনৰ ধাননিডৰাক জক্‌মকাই তুলিছে। বিলত পৰি থকা চৰাইজাক ঘৰমুৱা হৈছে। .... অ'ত ত'ত সৰু সৰু ল'ৰাবোৰে ক্ৰিকেট, কাবাদী , মাৰবল আদি খেলি উলাহত কিৰিলি মাৰিছে .....

তেনে এটা নিৰিবিলি পৰিবেশ চাই চাই গৈ আছোঁ "কামৰূপ এক্সপ্ৰেছ"ৰ ৮ নম্বৰ দবাৰ এটা নিৰ্দিষ্ট কম্পাৰ্টমেন্টত "হাওৰা" অভিমুখে ..... উদ্দেশ্য ক'লকাতা, দীঘা আৰু ছিকিম ভ্ৰমণ। .....

মাজে মাজে পেটৰ ক্ষুধা নিবাৰণৰ বাবে চিঞৰি থকা কিছুমান শব্দ কাণত বাজি আছে .....

..... এই ল'ব ছাইন্টিফিক কেলকুটৰ (কেলকুলেটৰ), কেছিঅ', কেমেৰা, ইমাৰ্জেন্সি লাইট ......

...... এই নিবু চায় ..., এই চায়-কফি ...., চানা-বাদাম-চট্‌পতি ... পেপাৰ হ'ব, মেগজিন হ'ব .... ইত্যাদি ইত্যাদি ....

সিটো কম্পাৰ্টমেন্টত বৈৰাগী এজনে ফটা বীণা এখন লৈয়ে গাইছে ........

ৰাম - সীতা - ৰাম .....

জীৱৰ বিনে নাহি কেৱ .....

সঁচাকৈয়ে ভাৰতখনৰ ধনী-দুখীয়াৰ এটি থূলমুল ধাৰণা ল'বলৈ হ'লে কেইবাৰমান ট্ৰেইনত ভ্ৰমণ কৰক।

ঠাইখনৰ নাম মাইনাগুৰি, ৰাজ্য - পশ্চিমবংগ। হাঁহি-মাতি বেছ ফুৰ্তিৰে গৈ আছোঁ ......। হঠাতে মানুহবোৰৰ মাজত এটা মৃদু গুণ-গুণনিৰ সৃষ্টি হ'ল। "আহিছে ..... আহিছে ..... সাৱধান ...." ইত্যাদি কেইটামান শব্দ বাগৰিবলৈ ধৰিলে।

এজনে আনজনক কওঁতে ঘপহ কৰে শুনিলো "হিজ্‌ৰা" আহিছে সাৱধান। "হিজ্‌ৰা" শব্দটো শুনাৰ লগে লগে বহুত কথা মনলৈ আহি গ'ল। ... গাঁৱৰ বিহু ফাংচনত দেখা ছোৱালীজনীতকৈ ভাল নচা, ছোৱালীৰ দৰে কথা কোৱা, "এনিটাইম" ছোৱালীৰ লগত থকা ল'ৰাটোৰ পৰা ল'ৰাতকৈ ভালকৈ ঢোল বজোৱা, বাইক চলোৱা ছোৱালীজনীলৈকে ........

তেনেকুৱা ল'ৰা-ছোৱালীবোৰ প্ৰকৃততে সুখী নে অসুখী আমি অনুভৱ কৰিব নোৱাৰোঁ। আমি সিহঁতক অলপ "পুতৌ," "নেগলেট" কৰোঁ। হঠাৎ হিজৰাটোলৈ পুতৌ ওপজি গ'ল। সি জানো "বাদুলী"ৰ দৰে নহয়? বাদুলীৰ যিদৰে চৰাইৰ মাজতো স্থান নাই জন্তুৰ মাজতো স্থান নাই তাৰো তেনেকৈ ল'ৰাৰ মাজতো স্থান নাই, ছোৱালীৰ মাজতো স্থান নাই।



"হি জ্‌ ৰা" কেনেকুৱা? এই সম্পৰ্কে এটা ধাৰণা দিবলৈ এটা সঁচা উদাহৰণ দিব খুজিছোঁ, প্ৰিয় পাঠক সকলে যেন বেয়া-চেয়া নাপায় ....

২০০৪ চনত ডিব্ৰুগড়ত থাকোতে এবাৰ আমাৰ "ভগা-চিগা ল'জ"ৰ কাষৰ মানুহ ঘৰলৈ এজনী ছোৱালী ফুৰিবলৈ আহিল। যদিও মই ছোৱালী বুলি কৈছোঁ এদিনীয়া মানুহে কিন্তু তাইক ল'ৰা বুলিহে ক'ব আৰু এটা কথাত সাৱধান আপুনি তাইৰ আগত যদি ভুলটো 'ঐ ভন্টি,' 'ঐ ছোৱালী' জাতীয় লেডিজ সম্বোধন কৰে, তেন্তে আপোনাৰ সৰ্বনাশ, হানড্ৰেদ পাৰ্চেন্ট চিওৰ ....। ..... আপোনাক তাই আপোনৰ চৈধ্য গোষ্ঠী উজাৰি গালি পাৰিব ....। সমস্যাটো হ'ল তাইৰ লগত কথা পাতে কেনেকৈ? প্ৰকৃততে এনেকুৱা এটা হ'বলৈ পালে কেনেকৈ? ....

ছোৱালীজনীৰ বয়স চৈধ্যমান হ'ব। সিহঁতৰ ঘৰৰ পাঁচজনী ছোৱালীৰ ভিতৰত তাই নুমলীয়া। গোলমালটো তাতেই। যিহেতু দুৰ্ভাগ্যবশত সিহঁতৰ ভাই বা ককাই নাই, গতিকে তাইৰ বায়েক চাৰিজনীয়ে তাইকে সিহঁতৰ "ভায়েক" বনাই দিলে। ড্ৰেচ-পোছাক, চলন-ফুৰণ সমস্ত ল'ৰাৰ দৰে বনাই সিহঁতে তাইক "ভাইটি" বুলি মাতে। কেৱল স্কুলত ছোৱালীৰ সাজ পিন্ধে আৰু বাটতে বেগত সুমোৱাই নিয়া ল'ৰাৰ ড্ৰেচ পিন্ধি আকৌ ল'ৰা হৈ আহে। নেপথ্যত আমি তাইক নাম দিলো "মতা ছোৱালী"। অবিশ্বাস্য যদিও সত্য গতিকে লিখিলোঁ।

"হিজ্‌ৰা"ও ঠিক তেনেকুৱা এটা বস্তুৱেই। বস্তুটো "মতা ছোৱালী"। কিন্তু ট্ৰেইনত থকা মতা ছোৱালী সোপাক ভৰণ-পোষণ দিয়া দায়িত্ব ট্ৰেইনৰ যাত্ৰীসকলৰ।

ইতিমধ্যে হিজ্‌ৰা আহি আমাৰ আগৰ কম্পাৰ্টমেন্টত হাজিৰ। দুটামান বিশেষ ভংগীত হাত তালি। লগে লগে তৰ্কা-তৰ্কি, আশীৰ্বাদ আদি কিবা কিবি শব্দ। খিড়িকী কাষত বহা মোৰ লগৰ এজনী ছাৰসকলৰ মাজলৈ গ'ল। সুবিধাটো পাই মইও খিড়িকীখনৰ কাষলৈ আহি ভৰি-চৰি তুলি ভকত বহাদি বহি বংগৰ পথাৰলৈ দৃষ্টি নিক্ষেপ কৰিলোঁ। তাকে দেখি মই ভয় কৰা বুলি ভাবি ছোৱালীকেইজনীয়ে মোলৈ চাই খুউব হাঁহিলে।

পথাৰৰ পৰা দৃষ্টি আনি আগৰ কম্পাৰ্টমেন্টটোত দিলোঁ। "মেখেলা-চাদৰ পিন্ধা ওখ, শকত-আৱত চাৰিটা মানুহ। মতাও নহয়, মাইকীও নহয়। কিন্তু পিন্ধনত হ'লে মাইকী। তাত থকা ল'ৰা কেইটাক গালে-মুখে হাত বুলাই পইচা খুজিছে হিন্দীৰে। নাই বুলি ক'লেও মনা নাই।"

মোৰ হিজৰা কেইটাইৰ কাণ্ড-কাৰখানা দেখিয়েই খঙে চুলিৰ আগ পালেগৈ।

ঃ "........ তাৰাপ্‌ ......... তাৰাপ্‌ ..... তাৰাপ্‌ .... এই জ্যাদা সোচেগা নাহি, নিকালো, নিকালো, তুমকৌ আশীৰ্বাদ দুংগা।"

মেখেলা পিন্ধা ওখ-শকত উভয়লিংগটোৱে আহি মোৰ গাত জোকাৰি তাৰ "বিশেষ হাত তালি"টো মাৰি ক'লে।

ঃ "জাওঁ - জাওঁ মুঝকৌ তেৰা আশীৰ্বাদ নেহী চাহিয়ে" হিন্দীৰে ক'লো মইয়ো ....

ভাবিছোঁ ; আশীৰ্বাদ কিনিবলৈ পায় বুলিটো আজিলৈকে শুনা নাই। পালেও কিনা-নিকিনাটো গ্ৰাহকৰহে কথা। মোৰ পচন্দ হোৱা মাই বচ্‌ নিকিনিলো।

ঃ "......... তেৰা ভাই - বহন নেহী হে কিয়া? হম ভী তেৰা ভাই - বহন হেঁ। কিয়া তুম, তুমহাৰা ভাই - বহনো কৌ প্যাৰ নহী কৰতে হৌ? হমকৌ ভী জীনে কে লিয়ে কুচ মদদ কৰৌ। জল্দি নিকালৌ না জ্যাদা সৌচেগা নহী ...।"

মোক অলপ "তেল দি" কাতৰ সুৰত ক'লে যেনেকৈ আমাৰ ছোৱালীবোৰে তেলিয়াই ঃ - "তুমি মোলৈ ফোন এটাও নকৰা, ইমান বেয়া পালানে মুনদা?" ঠিক তেনেকৈ।

ঃ হাঁ জী, মেৰা ক'ই ভাই-বহন নেহী হে, অৱ মেৰে পাছ তুমকো দেনে কে লিয়ে ভী পইচা নেহী হেঁ। ইছলিয়ে তুম আগে জাওঁ।"

মই নম্ৰভাৱে ক'লোঁ।

ঃ "কিয়া নেহী হেঁ - নহী হেঁ বৌলা; তুমহাৰা পাছ পইচা নেহী হে তৌ তুম ট্ৰেইন মে কেইছে আতে হৌ? ঝুথ বৌলতে হৌ; জল্দি নিকালো।"

ইতিমধ্যে সি মোক তাৰ বয়ফ্ৰেণ্ডৰ দৰে গালে-মুখে হাত বুলাবলৈ ধৰিলেই।

ঃ "আৰে ভাই ; একবাৰ নেহী হে বোলা না; পইচা নেহী হেঁ তৌ তুমকো কেইছে ডুঁ? ৰুপয়া আসমান মে মিলতে হেঁ কিয়া? পকৰ কৰ তুমে ডে দুঁ? মুঝকৌ ডিছটাৰ্ব মত কৰৌ অৱ আগে জাওঁ।

অলপ খঙেৰে ক'লো।



ঃ "নেহী নিকালতে হৌ? এক ঘুঁচা ডুংগা কিয়া? চাল্লা ঝুথ বৌলতে হৌ? জল্দি নিকালৌ।" মোক ভয় খুৱাবলৈ পেটত এক খুঁচ দিলেই।

মোৰ খং ছেন্টি মিটাৰৰ পৰা মিটাৰ চুওঁ চুওঁ হ'ল। অৱশ্যে কাণে কাণে কৈছোঁ, ছোৱালী কেইজনীয়ে শুনিলে আকৌ হাঁহিব। "এইবাৰ অলপ ভয়ো

লাগিল।” তথাপি সেই ভয় লগাটোতে এটা মাদকতা আছে।

ইতিমধ্যে মোৰ হাতৰ আঙুলি কেইটাই ঘুঁচা ফিটিং কৰিলেই, আৰু অলপ তেৰি-মেৰি কৰিলেই হিজৰাটোৰ উপযুক্ত স্থানলৈ মোৰ ঘোঁচাটো অট'মেটিক গুছি যাব। চাল্লা ...... স্বাস্থ্যত অকণমানো খুঁট নাই, হিজৰা-মিজৰা যিয়েই নহওক লাগিলে শক্তি আছে কাম কৰি খা; ডকাইতি কৰিবলৈ ঠাই বিচাৰি নাপালি। তোক মই কিয় পইচা দিম? মইয়ো ভিক্ষাৰীহে, মা-দেউতাক খুজিহে পইচা আনো। খঙতে মাত-চাত মতা নাই, মনে মনে আছো সিফালে মুখ কৰি। ....

ঃ “এই দেখাও কিয়া? .........

সি মোক অশ্লীল ইংগীতত গালি দিবলৈ ধৰিলে। মই শুনিও নুশুনাৰ ভাও জুৰি আছোঁ। ইতিমধ্যে তাৰ লগৰ কেইটা বহুত আগবাঢ়ি গ'ল। সিও মোক কিবা-কিবি গালি দি গুছি গ'ল। ফেঁচাটোৰ দৰে .....।

দীঘল চাই উশাহ এটা ল'লোঁ। জীৱনত প্ৰথমবাৰৰ বাবে এটা নতুন অভিজ্ঞতা পালো। হিজৰাটো গ'ল কিন্তু ল'গে ল'গে চাৰ-মেমৰ বুজনি আৰম্ভ হ'ল ......

ঃ “..... যদি সিহঁতে তোমাক ঘোঁচিয়াই দিলেহেঁতেন কি কৰিলাহেঁতেন? ইয়াৰ আগৰবাৰ আহোঁতে এটা ল'ৰাক ইহঁতে নাকত নখেৰে আঁচুৰি সোৰা-সোৰে তেজ উলিয়াই দিলে। এটাকটো দাঙিয়েই লৈ গ'ল পইচা-পাতি লৈ ঘুৰাই দিলে। পুলিচেও সিহঁতক একো নকৰে। বাহিৰৰ ৰাজ্যত ইহঁতৰ কিমান ডিমাণ্ড তুমি নাজানা? ধনী-মানী মানুহে ইহঁতক নি পূজা কৰি আশীৰ্বাদ লয়; ইহঁতৰ আশীৰ্বাদ বুলে খুউব ফলিয়াই ... ইত্যাদি ইত্যাদি ...।”

মই বোবা মানুহৰ দৰে কথাখিনি শুনিলো। ওলোটাই ক'বলৈ ভাষা বিচাৰি নাপালো। ইয়াৰ পিছৰ গোটেই ক'লকাতা, দীঘা আৰু চিকিম যাত্ৰাত মুঠ ৫০-৬০ টকামান হিজৰাক দি দিছোঁ। বলে নোৱাৰা শিলক পৰি নমস্কাৰ। অসমৰ বাহিৰলৈ ট্ৰেইনত যাবলৈ ওলাইছে নেকি? এক মিনিট; হিজৰালৈ টকা কেইটামান ল'বলৈ নাপাহৰিব।

ঠিকেইটো, ইমান দূৰ ভ্ৰমণ কৰিছে কমচে কম “আশীৰ্বাদ” কেইটামান কিনি লওক। পূণ্য হ'ব। নে কি কয়????

এই যাত্ৰাত মোৰ লগত থকা দেৱজিৎ, চিৰন্তন, চিৰঞ্জীৱ, পুনিলাল, প্ৰতীম, সুকুমাৰদা, মীনাক্ষী, জেচমিন আৰু পাৰবিনবাৰ হাতত বন্ধুত্বৰ কৃতজ্ঞতাৰ চিন স্বৰূপে মোৰ এই ক্ষুদ্ৰ অস্পৃশ্য লেখাটি দিলোঁ। লগতে পালচাৰ, ভূপেনদাৰ আৰু ৰীনা মেমৰ কৃতজ্ঞতা স্বীকাৰ কৰিছোঁ। ❑❑

## কৌতুক

সংগ্ৰাহক ঃ *মিছ ৰোকচানা বেগম*
(উঃ মাঃ ১ম বৰ্ষ)

মিৰাজ ঃ আমাৰ ভাইটিৰ স্বভাৱ বৰ বেয়া। এক ঘন্টাত চাৰি পাঁচ বাৰ পেন্ট বদলাব লাগে।
মনচুৰ ঃ তাৰ বয়স কিমান?
মিৰাজ ঃ ২ বছৰ।

শিক্ষক ঃ অই তোৰ আজি ইমান দেৰি কিয় হ'ল?
ছাত্ৰ ঃ ছাৰ, আমব্ৰেলা ইজ নাথিং, ৰেইন ইজ কামিং, অ'ত পিছলিং, ত'ত পিছলিং, হাউ কেন আই আৰলি কামিং?

ৰোগী ঃ ডাক্টৰ এই ফুলৰ মালাডাল কাৰ বাবে?
ডাক্টৰ ঃ অপাৰেচন ছাকছেচ হ'লে মোৰ বাবে, যদি নহয় আপোনাৰ ফটোখনৰ বাবে।

স্বামী ঃ হে ৰা, তুমি অকণমান বাহিৰতে ৰোৱা। মই অকলে বেংকৰ ভিতৰৰ পৰা আঁহো।
পত্নী ঃ আও! অতদিনে দুয়োচোন লগতে সোমাইছিলোঁ, আজি আকৌ কিহৰ নাটকহে?
স্বামী ঃ নাটক-ফাটক নহয় অ'! সৌখন কি লিখি থৈছে চোৱাচোন।
পত্নীয়ে ঃ কাষৰ বোৰ্ডখনলৈ চালে। তাত লিখা আছিল - “বিস্ফোৰক সামগ্ৰী লৈ ভিতৰত প্ৰৱেশ নিষেধ”।





# কবিতা



কবিতা

# বন্ধুত্ব

শ্ৰীমতী মুনমী গগৈ
স্নাতক প্ৰথম বৰ্ষ
কলা শাখা
(ৰাজনীতি বিজ্ঞান)



মই বিচাৰোঁ এনে বন্ধুত্ব
যি বন্ধুত্বই আনি দিব পাৰে
ক্লান্তিময় জীৱনলৈ, আকণমান সকাহ
আৰু একাঁজলি আশা

বিচাৰোঁ তেনে বন্ধুত্ব
যাৰ সঁহাৰিত ফুলি উঠে
মৰহা কুসুম কানন পাওঁ যেন
এটি আশাৰ কিৰণ উদিত সুৰুযৰ
ৰাঙলী ৰহণত।

মোক লাগে সেই বন্ধুত্ব,
যি দেখুৱাই জীৱনক ন-সাজেৰে
সজোৱাৰ এটি সোণোৱালী পথ
সেই পথেৰেই যাতে আগুৱাই
মোৰ সফলতাৰ ৰথ।

য'ৰ পৰাই আৰম্ভ হ'ব এক
বাস্তৱ নৱৰূপ, মনৰ সেউজ
পথাৰত সিঁচৰতি হৈ থকা
আলসুৱা সপোনবোৰ।

বন্ধুত্বৰ এনে চানেকিৰে হয়তু
লগ হ'ম
হঠাৎ তেওঁৰ লগত যাৰ স'তে
গঢ়ি উঠিব আন্তৰিকতাৰ এক সম্পৰ্ক
সঁচা বন্ধুত্বৰ।

বিশ্বাস আৰু প্ৰতিশ্ৰুতিৰে যি বৈ
থাকিব হৃদয়ৰ পৰা হৃদয়লৈ
আজীৱন।
মই বিচাৰো এনে বন্ধুত্ব

কবিতা

# আশা

✍ মৃদুলা চুতীয়া
স্নাতক তৃতীয় বৰ্ষ



মাজ নিশা কেতেকীজনী বিনালে
হৃদয় মোৰ উচুপি উঠে।
দুখত ভাহি আহে
এটি বেজাৰৰ হুমুনিয়াহ।
অবুজন মন মোৰ
উৰি যাব খোজে
দূৰ আকাশলৈ।
দিচাঙৰ পাৰৰ বিৰিণা জোপাই
মৌলৈ চাই মিচিকি-মিচিকি হাঁহে
নদীৰ কুলু-কুলু শব্দই
কঢ়িয়াই আনে এটি বিষাদৰ জোৱাৰ

মৰহি যোৱা
ফুলৰ পাহিবোৰৰ দৰে
আশাবোৰ মৰহি যায়
নুফুলে আকৌ জীৱন জুৰাই।

□□

# স্মৃতিৰ ছাঁ

✍ নমিতা ফুকন
স্নাকত তৃতীয় বৰ্ষ
কলা শাখ
(ৰাজনীতি বিজ্ঞান)

মই এতিয়া জীৱনৰ আটাইতকৈ
স্পৰ্শকাতৰ সময় অতিবাহিত কৰিছো।
য'ত নেকি আবেগ আৰু নিসংগতাই
বিৰাজ কৰে বাবে বাবে
তোমাৰ প্ৰতিচ্ছবি সোঁৱৰাই।



পুৱাৰ টোপনিৰ পাছত
তোমাৰ কথাই মনলৈ আহে
কিয় বাৰু এৰি গ'লা তুমি?
আহিবানে "সৰুকা" তুমি।
দিঠকত নহ'লেও সপোনত
মাতিবানে "সৰুকা"
তোমাৰ সেই মৰম আকলুৱা মাতেৰে
এবাৰ মোক "পিটকনি" বুলি

জানা সৰুকা,
তোমাৰ সেই নিৰহংকাৰী স্বভাৱটোৰে
তোমাক জানিবলৈ দিনে দিনে বাঢ়ি অহা
মোৰ মনটোৰে তোমাৰ যেন
নৈকট্য বিছাৰি আতুৰ হৈছে।
কাৰণ তুমি যে মোৰ মৰমৰ "সৰুকা"।
মোৰ বাবে তুমি এতিয়া "এপিটাফ"।

□□

(১৯৯৫ চনত মৃত্যু হোৱা মোৰ সৰু দাদাৰ সোঁৱৰণত)



কবিতা

# বিধস্ত প্ৰহৰ

✍ শ্ৰীমতী পৰী গগৈ
স্নাতক তৃতীয় বৰ্ষ
কলা শাখা
(অসমীয়া বিভাগ)



অতীত মধুৰ স্মৃতি
এটা জীয়া যন্ত্ৰণা

ইমান কাষত
অথচ বহু দূৰত

হেৰুৱা আশা
ভূলুণ্ঠিত সপোন

আহিবনে ঘূৰি?
ক্ষমা কৰিব জানো
আমাৰ অপৰাধ?

পুনৰ বিচাৰিছো কাষত
কিন্তু এই বেদনা
ইমান যন্ত্ৰণাদায়ক।

তুমি জানো অনুভৱ কৰিবা
নোপোৱাৰ বেদনাতকৈ
পাই হেৰুৱা বেদনা
কিমান দুখদায়ক হ'ব পাৰে?

হৃদয়খন যদি চালা হেঁতেন
তেতিয়া দেখিলাহেঁতেন
এসাগৰ চকুলো আৰু
অজস্ৰ দুখৰ কণিকা।

চকুপানীৰে যদি
এখন সাগৰ হ'লহেঁতেন
তেতিয়া উটুৱাই দিলোহেঁতেন
মোৰ দুখবোৰ
আশাৰ বুকুত এবুকু সপোন
আজি ভূলুণ্ঠিত।

□□

কবিতা

# গোপন ব্যাধি

✍ প্ৰাৰিতা সন্দিকৈ
স্নাতক তৃতীয় বৰ্ষ
কলা শাখা
(অসমীয়া বিভাগ)



মোৰ হৃদয়ৰ সমগ্ৰ সত্তাক
তুমি আৱৰি আছা
তুমি আছা বাবেই
মোৰ বিষন্ন শেতেলীত
সপোনৰ উদুলি-মুদুলি
তোমাৰ কথা ভাবিলেই জানা
মোৰ সপোনবোৰে সেউজীয়া ৰং লয়।
ঠিক তোমাৰ
সেউজীয়া হৃদয়খনৰ দৰে।
তোমাক দেখিলেই
ইহঁতবোৰে বাগৰ সলাই।
তুমি চুলেই
ইহঁতে বাস্তৱ হ'ব বিচাৰে।
বালিৰে সজা কল্পনাৰ
কাৰেংবোৰো
লাহে লাহে সঁচা হৈ পৰে
'আৰু এদিন'
কোনেও গম নোপোৱাকৈ
লাহে লাহে
মৰুভূমি আহে
উত্তপ্ত মৰুভূমি
কোনো গোপন ব্যাধিয়ে
মচি নিয়ে হৃদয়ৰ
সমস্ত ৰং সেউজীয়া।
আঁকি দিয়ে হৃদয়ত
এখন কাঁইটীয়া বাস্তৱ পৃথিৱী
যিয়ে পুৰি নিয়ে
মোৰ হৃদয়ৰ ইপিঠি-সিপিঠি। □□

# মৃদু অনুভৱ

✍ মৃদুল শৰ্মা
স্নাতক তৃতীয় বৰ্ষ
কলা শাখা
(অসমীয়া বিভাগ)



খিৰিকিখন খুলি নিদিবা
তোমালোকৰ হাঁহিবিলাক বাহিৰলৈ ওলাই যাব
সাৰ পাই উঠিব
নিদ্ৰাৰত ৰজনী

এতিয়া আঘোণৰ বতৰ
জোনাকী পৰুৱাৰ টিমিক-টিমাক পোহৰত
শালি, লাহী ধানৰ প্ৰতিযোগিতা
মোৰ বুকুত এতিয়া দোঁ খাই আছে
এবেলা আঘোণ।
পুৱা হ'লে সিহঁতবিলাকো আঁতৰি যাব।
হাড়কঁপা ঠাণ্ডাত দুবৰিৰ বুকুত উম লোৱা
নিয়ঁৰৰ কণিকাবিলাক
কাৰোবাৰ ভৰিৰ ঢপ-ঢপনিত সৰি পৰিব
তলসৰা শেৱালীৰ স্নিগ্ধ বুকু গৰকি
মাথো ভাঁহি আহিব
আঘোণৰ পথাৰত
এজাক ধুমুহা।

□□



কবিতা

# বিষাদৰ চকুলো

✍ আনচিং পাংগিং



জীৱনৰ বিফলতাত আশাৰ ৰেঙনি হৈ
যাচিছিলা মিচিকিয়া হাঁহি ,
দুগালে বাগৰি আহে চকুলো দুধাৰি
মুখখনি যেতিয়া আহে ভাঁহি।
মায়াবী জগতখনিৰ মোহতে ভোল গৈ
বলতে বলি হৈ গুছি গ'লা,
এখুজি-দুখুজিৰে বুঢ়া অজলা বাটৰুৱা
আন্ধাৰত চাকিও নুমুৱালা।
আশা দিলা তুমিয়েই কথা দিলা তুমিয়েই
বাটো দেখুৱালা তুমিয়েই,
উদ্যমত জয়ী হোৱাৰ আশাত বঢ়ালো খোজ
হেৰালাহি সেই পুৱাতেই।
বাট চাই ৰ'লো মই মাথো তোমালৈ
আন্ধাৰত দিশহাৰা হৈ,
সাত সাগৰ হ'লেও আহিবাগৈ ঘূৰি বুলি
পোহৰৰ চাকিগছি লৈ।
গুছি গ'ল দিন কত জঁয় পৰিল জোনটিও
পাহি মেলা গোলাপো সৰিল ,
তথাপিও নাহিলা তুমি সদৌ শেষতো
মনৰ আশা মনতেই মৰিল।
ৰিণিকি-ৰিণিকি সৌৰা নিয়তিয়ে জানা
মাতিছেহি হাত বাউলি,
যাবগৈ লাগিব এৰি সকলো থিতাতে
হেৰুৱাই চিনচাব সমূলি।
হৃদয়ত বাজি থকা যোৱাৰ আগতে তোমাক
কম বোলা সেই কথাটি,
নোৱাৰিলো ক'ব আজি, তুমিও নাপালা বুজি
জানা কঁপি উঠে ওঁঠ দুটি।
কবিতাৰে লিখি ল'লো পঢ়িবা সময়ত
"মই তোমাক ভাল পাইছিলো,"
জীৱন সাগৰৰ নিয়তিৰ নাঁৱত উঠি
শেষৰ নিশ্বাস পেলালো,
বিফলেৰে আঁতৰি আহিলো,
বিষাদেৰে টুকি চকুলো।

□□





# কবিতা

✍ চিৰন্তন গগৈ
স্নাতকদ্বিতীয় বৰ্ষ
(জীৱ বিজ্ঞান)

কেতিয়াবা ভাবো,
তোমাক লৈ কবিতা লিখিম
তোমাৰ কথা ভাবি শব্দৰ সতে খেলিম
ৰাতি এপৰলৈকে
মনে কঢ়িয়াই ফুৰা আশা, সপোনৰ দীঘল হুমুনিয়াহবোৰ।
আটোমটোকাৰিকৈ সজাম
ফুলৰ শাৰীৰ দৰে
এশাৰী এশাৰী কৈ ........

নিৰ্বিবাদে প্ৰকাশ হ'ব মোৰ হৃদয়ৰ পৃষ্ঠাত
আনে বুজি পাওক বা নাপাওক
মোৰ বাবেই সেইটোৱেই এক অভিন্ন কবিতা।

জীৱন অনন্য ..........
কেতিয়াবা ভাবো
আৰু কিমান বাকী
মোৰ অধ্যেষিত জীৱনৰ সপোনবোৰ ফলিয়াবলৈ
য'ত তুমি নায়িকা হোৱা
আৰু মই ......

কবিতাৰ বাহিৰে যে তোমাক একোৱেই দিব নোৱাৰিম
উকা হাতৰ হেঙুলীয়া সপোন কিমান দৃঢ় হ'ব
মন'ৰ জানো মূল্য আছে
তোমাৰ আচুতীয়া ডাক ঘৰত
ম'বাইলৰ ইনবক্সত,
আটোমটোকাৰিকৈ সজাবলৈ
ফুলৰ শাৰীৰ দৰে, এশাৰী এশাৰী কৈ .........
মনে কঢ়িয়াই ফুৰা আশা, সপোন
দীঘল হুমুনিয়াহবোৰ ....... ❑❑

# জীৱনটোৱেই টো এটা সপোন

✍ যুগান্ত দ্বীপ গগৈ
স্নাতক দ্বিতীয় বৰ্ষ
(ৰাজনীতি বিজ্ঞান)

জীৱনটোৱেইটো এটা সপোন
ভাঁজ লগা, অকোৰা-পকোৰা বাটৰ দৰে
কিছু ৰসাল, কিছু নিৰস
সুখ আৰু দুখ,
ৰং-বিষাদেৰে ভৰা
স্তিমিত পোহৰৰ দৰে
ধিমিক-ধামাক কৰি জ্বলা অপ্ৰস্ফুটিত ৰশ্মি
চকুৰ পানীৰে গাৰু তিতা মুহূৰ্তক সাক্ষী কৰি
তুমিও আগুৱাব লাগিব লক্ষ্যলৈ বুলি
বুকুত থকা সেউজীয়া সপোনৰ টুকুৰাবোৰ
আলফুলকৈ লগত ৰাখি
মনক দৃঢ় কৰি
কিছু সাহসেৰে .......



দুপৰনিশা কন্দা চৰাইটোৱেও হয়তো ভাবে
মই নিসংগ
কিন্তু সিও জানো নিদিয়ে
হিয়া পমি যাব খোজা এটি মিঠা সুৰ
আবেগত উঠলি উঠা গভীৰ আশাৰ ৰেঙনি
মনে পাহৰিব নোৱাৰা বিষাদৰ কিছু মিঠা স্মৃতি
ধিমিক ধামাককৈ .......

সপোন জানো এদিন সঁচা নহ'ব
আশাবোৰ বাগৰি গৈ ক'ত জিৰণি ল'ব
সময়ৰ পকনীয়া গতিত?
তোমাতেই হয়তো বিলীন হৈ তোমাতেই পমিব
হিয়াৰ গুপুত কোণত
তুমি মাথো উটি যোৱা
সপোনৰ দুৰ্বাৰ বানত
নিৰৱে .......। ❑❑





# তোমাৰ শূণ্যতাত

✍ চিৰঞ্জীৱ কটকী
স্নাতক প্ৰথম বৰ্ষ
বিজ্ঞান শাখা



তুমি নামৰ শব্দ এটাই খেদি ফুৰে
পুৱাৰ পৰা গধূলীলৈ
দুচকুৰ পৰা অস্থিৰতালৈ
কিমান যে শূণ্যতা!

তোমাৰ উশাহৰ অৰণ্যত
হৃদয়খন এৰি আহিলো
কিবা এটা পোৱাৰ হেঁপাহত
ছাইৰঙীন সপোনবোৰ
সুমথিৰা হোৱাৰ হেঁপাহত

এটা ভাগৰুৱা হেঙুল আবেলিৰ দৰে
তোমাৰ বৈ পৰা হালধীয়া নদীত
ডুব মাৰি
জীয়াই থাকিম
মৰি মৰি!

মই সাৰে থাকিম ওৰেটো নিশা
তোমাৰ সম্ভাৱনাত
হেঁপাহবোৰ মৰি নোযোৱালৈকে
আশাবোৰ তৰা হৈ
নুফুৰালৈকে .................! ❑❑

# এন্ধাৰ

✍ সুৰুজ বড়া
স্নাতক তৃতীয় বৰ্ষ

শৰতৰ আগমনত শেৱালি জুপিৰ অজস্ৰ কলিয়ে
সাৰ পাই উঠিছিল
ফুলাৰ আবেশত
সুগন্ধি বিলাই
উপচাই দিব চোতালৰ আগ
হয়তো ..........



মোৰ হৃদয়ৰ চোতালত
তলসৰা শেৱালিৰ সুবাসেৰে
উপচাই দিম কাৰোবাক ভালপোৱাৰ হেঁপাহত
কিন্তু আশাবোৰ হেৰাই গ'ল সংগোপনে
নিৰিবিলি গধূলীত .............

প্ৰতিজন মানুহৰ হৃদয়ত বাজে
ভালপোৱাৰ স্বৰ্গীয় সুখানুভূতিৰ অনুৰাগ
তোমাৰ হৃদয় চোতালত
ভৰাই পেলাম বুলিয়েই
মৰমেৰে ফুলিছিল মোৰ হৃদয়।

তুমি মোৰ প্ৰেমত পৰিবা বুলিয়েই
খুলি দিছিলো খিৰিকি
পুৱাৰ একাজলী ৰ'দে
পোহৰাই পেলাব বুলিয়েই
দিলো সঁচা অন্তৰৰ
এখন দাপোনৰ উপহাৰ
যাক তুমি মোহাৰি ভাঙিলা
মৰহাই পেলালা আশাৰ কলি
বিনিময়ত যে ই এটা অসফল জীৱন
মোৰ প্ৰথমটো উপহাৰৰ বাবে
মইয়েই দায়ীনে?
হয়তু তুমি!! ❑❑

## আতংকৰ এদিন

মৃদুল শৰ্মা
স্নাতক তৃতীয় বৰ্ষ
কলা শাখা
(অসমীয়া বিভাগ)



অষ্টমী জোনটোৱে সিদিনা
ভাও ঘৰ পোহৰাই দিছিল
দুশাসনৰ অট্টহাস্যত
হাজাৰ তিৰোতাই
বুকুৰ আঁচল খামুচি ধৰিছিল

আইতাই কোৱা সেয়া যে ..........
সাধু নাছিল

আইৰ হাতৰ অমলা ধানৰ ভাত
সিহঁতবিলাকে উদৰ পুৰাই খাইছিল
শাওনৰ চনপৰা মাটিত
সিহঁতৰ তীখা আঙুলিৰ বোলত
তুলিকাখন যে তেজাল হৈ পৰিছিল।
মই জনাত, বুঢ়া লুইত সেইদিনা
গভীৰ নিদ্ৰাত
জয়াৰ উচুপনিত সাৰ পাই উঠা
নগা পাহাৰটো
মোৰ দুচকুৰ বেদনাই যে
চাব পৰা নাছিলো
ধুমুহাই খেদি ফুৰা শব্দবিলাকত
মোক মাথো চিঞৰি কৈছিল
পলোৱা পলোৱা .... পলোৱা!! ❑❑

## জীৱনটোৱেই টো লক্ষ্য হেৰুৱা নাঁও

পুলীন কোঁৱৰ
স্নাতক দ্বিতীয় বৰ্ষ
কলা শাখা



উত্ৰাৱল সাগৰৰ টৌবোৰৰ মাজত
ভাহি ফুৰিছে মোৰ নাওঁ
হেৰাই গৈছে মোৰ দিশ
মোৰ লক্ষ্য।।

সাগৰৰ টৌবোৰে পুতি পেলাব বিচাৰিছে
ঠেকা খুৱাইছে, আঘাত কৰিছে মোৰ নাওঁ
নিশ্চিহ্ন কৰিব বিচাৰিছে মোক
অকলে কৰিছো অবিৰাম যুদ্ধ মই।।

আশা এৰা নাই মই সোণালী সপোনৰ
টুলুং-ভুটুং নাৱঁত উঠিও দেখো সোণালী সপোন
যেতিয়া প্ৰকাণ্ড টৌৱে বগৰাই পেলাব বিচাৰে
ভাগি পৰে মোৰ বালিঘৰ যেন সপোনবোৰ।।

সাগৰৰ মাজত আঁউসী ৰাতিও বিচাৰে
মোৰ আত্মাই পূৰ্ণিমাৰ জোনাক
পুৱতি নিশা সূৰ্য উদয়ৰ দিশে আগুৱাই যাঁও
বিচাৰি যাঁও জেউতি বিচাৰি যাঁও আত্ম পৰিচয়।।

অলপ আশা নিজৰ অলপ আশা ওপৰৱালাৰ ওচৰত
আত্মাই কয় নাকান্দিবা, নকৰিবা ভয়
আছে সকলো তোমাৰ ওচৰত
পাবা এদিন তুমি আত্ম পৰিচয়।।

সাগৰৰ টৌ ফালি এদিন উপনীত হ'ম
সোণালী সপোনৰ লক্ষ্যত।। ❑❑





## দুঃস্বপ্ন

কল্পশ্ৰী বুঢ়াগোহাঁই
স্নাতক প্ৰথম বৰ্ষ
কলা শাখা (অসমীয়া বিভাগ)

কিমান ৰাতি হ'ল
কোনো উৱাদিহ নাই
এতিয়া চাগে গোটেই
পৃথিৱীয়েই নিদ্ৰামগ্ন
কেৱল উজাগৰী নিশাবোৰ
পাৰ কৰিছো মই
কিজানি কবা তুমি
আকৌ মোৰ কাষলৈ ঘূৰি আঁহা!
দুচকুত কেৱল তোমাৰ
প্ৰতিচ্ছবি আছে ভাঁহি
বাগৰিছে দুগালে দুধাৰি
তপত নিজৰা
জানোচা সেয়া তোমালৈ
থকা অকৃত্ৰিম ভালপোৱা
তুমি জানো এতিয়া
মোৰ দৰে বহু উজাগৰী
ৰাতি পাৰ কৰিছা
কাৰোবাক পোৱাৰ বিৰহত
হয়তো তুমিও চাগে ইমান পৰে
নীলা আকাশৰ তলত বহি
নীৰবে জীৱন পাহাৰৰ
সপোন দেখিছা।

❑❑



## ৰঙীন সপোনবোৰ

ডলী ৰাণী বৰুৱা
উচ্চ মাধ্যমিক
প্ৰথম বৰ্ষ।

দুচকু মেলিয়েই সি দেখিছিল
এখন সুবিশাল আকাশ
য'ত সি বিচাৰিছিল
জীয়াই থকাৰ ৰং আৰু সুবাস
দুচকুত চিকমিকাইছিল তাৰ
অলেখ সপোন আৰু হেঁপাহ।

সেউজীয়াবোৰ যেন হেৰাই গ'ল
ৰামধেনুৰ সাতোৰঙৰ পৰা
দেখিছিল মাথো সি
চকু মেলিয়েই
তেজৰ ডোঙা আৰু বাৰুদৰ ধোঁৱা
দুচকুৰ পৰা ক্ৰমান্বয়ে তাৰ
সপোনবোৰ হেৰাই গৈছিল
বন্দুকৰ গুলিৰ মাতত, বাৰুদৰ শব্দত
সি মূক হৈ পৰিছিল
শব্দহীন তাৰ মুখৰ ভাষা
ভাবলেখহীন এযুৰি চকু
মুখখনিত লাগি থাকে মাথো যন্ত্ৰণাৰ চাপ
নিৰৱে বৈ থাকে বেদনা ভৰা চকুলো
একৈশ শতিকাৰ আধুনিক পৃথিৱী
জন্মই যে তাৰ অপৰাধ
য'ত মৰুভূমিৰ মৰীচিকা যেন
সেউজীয়া অৰণ্য আৰু ৰঙীন আকাশ।

❑❑

কবিতা

# কেৱল তোমাৰ বাবেই

✍ সবিতা মহান্তী
উচ্চ মাধ্যমিক
প্ৰথম বৰ্ষ।

কেৱল তোমাৰ বাবেই সলনি কৰিছো নিজক
সলনি কৰিছো পুৰণি বহু বাট
সলনি কৰিছো জীৱন ধাৰণৰ বহুতো প্ৰক্ৰিয়া।
এই যে নদীখন নিতৌ বৈ থাকে নিঃশব্দে,
এই যে চৰাইবোৰ আপোন মনে গুনগুণাই থাকে,
এই যে সদায় অহাৰ দৰে আহে প্ৰভাতৰ প্ৰথম কিৰণ
এওঁলোকক সুধি চালেই গম পাবা মোৰ পৰিবৰ্তনৰ কথা।
যদি তোমাক পাবলৈ ঘৃণা কৰিব লাগে প্ৰকৃতিক
পাহৰি পেলাব লাগিব ফুলৰ অমিয়া সুবাস
যদি তোমাক পাবলৈ, নালাগে চাব দূৰৈৰ নীলময় আকাশ
মোক ক'বা পাহৰি যাম,
যিদৰে শুকান পাতে গছৰ মমতা পাহৰি যায়।
প্ৰথম প্ৰেমৰ চিঠিখনি পোৱাৰ উল্লাসৰ দৰে
তোমাক পাম নে নাপাম নাজানো,
তোমাৰ প্ৰেমৰ নদীত উত্তাল ঢৌ হৈ থাকিম নে নাই
সেইয়াও নাজানো, কিন্তু এটা কথা
জোনাকৰ নিৰ্মলতাখিনিৰ দৰেই প্ৰৱিত্ৰ মোৰ ভালপোৱা।

□□



খং নকৰিবা পিছত ক্ষতি হব– অহংকাৰ নকৰিবা পতন হ'ব।

—স্বামী বিবেকানন্দ



কবিতা

# অন্ন



✍ মুনমী বৰুৱা
স্নাতক, তৃতীয় বৰ্ষ।

তেজ মঙহ আৰু হাড়েৰে গঠিত আমাৰ শৰীৰ
হয়তো এটা যন্ত্ৰ,
ইয়াকো প্ৰয়োজন হয় ইন্ধনৰ
আৰু অন্ন হৈছে ইয়াৰ প্ৰয়োজনীয় ইন্ধন
অন্যান্য যন্ত্ৰৰ দৰেই।
ইন্ধনৰ অবিহনে ইয়ো অচল
সেয়ে ইন্ধন আহৰণৰ বাবে
চলিছে অবিৰত সংগ্ৰাম
কোনোবাই কৈছে সংগ্ৰাম শাৰীৰিক
কোনোৱে কৈছে মানসিক
কিন্তু সকলোৱেই কৰিছে সংগ্ৰাম
এমুঠি অন্নৰ বাবে
যিহেতু অন্নৰ অবিহনে অচল
শৰীৰ নামৰ আমাৰ যন্ত্ৰটো
যি কৰিব পৰা নাই সংগ্ৰাম
পাতিছে সহায়ৰ হাত, খুজিছে ভীক্ষা
কেতিয়াবা পাইছে কাৰোবাৰ কুকুৰে নোখোৱা ভাত
আৰু কেতিয়াবা পাইছে চৰ লাঠি ভুকু।
কেতিয়াবা পায় কিছুমান কৰ্কশ মাত
তেনেকৈ যে তেওঁলোকৰ সংগ্ৰাম অব্যাহত
অন্ন আহৰণৰ
যিহেতু তেওঁলোকৰ আছে
শৰীৰ নামৰ যন্ত্ৰ
এমুঠি অন্নৰ বাবে কোনো হৈছে চোৰ-ডকাইত
কোনো হৈছে বেশ্যা
বহুতে কৰিছে ধনৰ আত্মসাৎ
আহৰণৰ বাবে অন্ন
কোনোৱে আকৌ অমৃতৰ দৰে গ্ৰহণ কৰিছে
ডাষ্টবিনত পেলনীয়া আহাৰকো
যিহেতু সকলোৰে আছে শৰীৰ নামৰ যন্ত্ৰ
সকলোৰে সংগ্ৰাম অব্যাহত
আহৰণৰ বাবে অন্ন, যোগানৰ বাবে ইন্ধন
পৰিচালনাৰ বাবে শৰীৰ নামৰ যন্ত্ৰ।

□□

কবিতা

## জীৱন

✍ দুদুল চাংমাই
উচ্চ মাধ্যমিক
দ্বিতীয় বৰ্ষ।

মই অকলেই গৈছিলো
এখন অটব্য অৰণ্যলৈ
বহুদূৰ ব্যাপি মই গৈ আছো
গৈ আছো নিছিদ্ৰ বন প্ৰহৰীৰ
চক্ৰব্যুহ (চক্ৰ) ভেদ কৰি

কিন্তু মোৰ সময় সমাগত
মোৰ কোনো পৰিত্ৰাণ নাই
পিছ লৈছে এটা যম দূতৰ এজেন্ট বাঘ
প্ৰাণটাকি হাবি ফালি দৌৰিছো,
মই পৰি গ'লো কোঁৱাত,
এইবাৰ দেখো মৌ-মাখিয়ে
মোক বিন্ধিছে
খামোচ মাৰি ধৰি এডাল গছৰ শিপাত
তললৈ চাই দেখো মুখ মেলি আছে মৃত্যুৰূপী ঘঁৰিয়াল
কিন্তু মোৰ মৃত্যুলৈ ভয় নাই।
ওপৰলৈ চাই দেখো মৌ বাহৰ পৰা
টপ-টপকৈ মোৰ মুৰত মৌ ৰস পৰিছে
তাৰো ওপৰত কালৰূপী সেই বাঘ
জীৱনৰ ৰস-সৌন্দৰ্য খাই ৰ'লো মৌ
তেনেকৈয়ে পাৰ কৰিলো জীৱনটো

□□

(লিও টলষ্টয়ৰ এটা গল্পৰ আধাৰত)

## অনুভৱ

✍ পল্লৱী চাংমাই
স্নাতক, প্ৰথম বৰ্ষ
কলা শাখা
(অসমীয়া বিভাগ)

অনুভৱ এটি মিঠা শিহৰণ,
যি শিহৰণ পাইছো মই তোমাক লৈ
আগেয়ে জানো হৈছিল এনে শিহৰণ?
দুচকু জপাই অনুভৱ কৰো মই
তোমাৰ সুকুমল দুহাতৰ স্পৰ্শ,
যি স্পৰ্শই দিছে মোক নতুন মাদকতা।
মাজ ৰাতি সপোনত সাৰ পাওঁ মই
অনুভৱ কৰো তুমি যেন কাষতে।
দুপৰীয়া নিৰ্জনতা ভেদ কৰি দূৰণিৰ পৰা অহা
কোনোবা গৰখীয়াৰ বাঁহীৰ সুৰতো,
অনুভৱ কৰো তোমাক, মাথোঁ তোমাক।
কেতিয়াবা আকৌ অনুভৱ কৰো
দুচকুৰ পতাত যেন তুমি আঁকি দিছা,
এটি চুমা, যি চুমাই দিছে মোক জীৱনৰ প্ৰতিশ্ৰুতি।
এয়াতো মোৰ কেৱল অনুভৱহে
মৰুভূমিৰ মাজত মই যেন
মৰিচীকা খেদি ফুৰিছো
তুমি মোৰ পৰা বহু দূৰত,
কাষত থাকিও বহু আঁতৰত........

□□





কবিতা

## দুটি মনৰ স্মৃতি

✍ তুলিকা চাংমাই
আৰু ময়ূৰী দেৱী
স্নাতক তৃতীয় বৰ্ষ
কলা শাখা
(অসমীয়া বিভাগ)

এবুকু মৰম আৰু আনন্দেৰে
আশা আৰু নিৰাশাৰে
বান্ধ খোৱা বন্ধুত্বৰ এনাজৰীডাল
এন্ধাৰত যেন হেৰায় নাযায়
স্বপ্ন আলোকেৰে আলোকিত
আশাৰ উদ্দীপ্ত কিৰণৰ মাজত
তুমি আৰু মই
আগুৱাই গৈছো এটি নতুন দিশলৈ
বিভ্ৰান্ত মনটোক বান্ধি ৰাখি
থমকি নৰওঁ যেন অচিন পথত
পথ যেন কৰি লম পোহৰ
আশা আৰু মৰমেৰে
স্মৃতিৰ মানসপটত চিৰ যুগমীয়া
হ'ম আমি যুগ-যুগান্তৰ
দিলো আজি প্ৰতিশ্ৰুতি জগতৰ আগত
হেৰুৱাম আমি নিজকে
বন্ধুত্বৰ মাজত।।

□□



## জীৱন গীতি

✍ মহেন্দ্ৰ বড়া
স্নাতক ৩য় বৰ্ষ
অসমীয়া বিভাগ

কিমাননো আৰু এন্ধাৰক সাৱটি থাকিম
খুলি দিছোঁ সেয়ে খিড়িকী
সোমাই আহক ভৈৰৱ পুৱাৰ
এমুঠি পোহৰ।
মেঘৰ বুকু ফালি অহা ই যে প্ৰভাতী কিৰণ
ভূপালী সন্ধ্যাৰ আগে আগে
সাঁচি থ'ম দুচকুত
আকৌ শুনিবলৈ পাঁও কি নাপাওঁ
ষড়জ নিষাদৰ সুৰ।
আহে কি নাহে আকৌ মেঘৰ বুকু ফালি
এমুঠি আলোকৰ শিখা
দেখোঁ কি নেদেখোঁ আকৌ এবাৰ
ৰং তুলিকাৰে ভৰা এই পৃথিৱী।
সেয়ে খুলি দিছো খিড়িকী
আৰু দুচকুৰ জপনা,
সোমাই আহক এমুঠি
অনুভূতিৰ জোনাক।

□□

# উপলব্ধি

✍ মিছ আঞ্জুম আৰা হক
স্নাতক,
তৃতীয় বৰ্ষ

ফাগুনৰ পচোৱাই দিয়ে,
মিঠা আলিংগন!
তোমাৰ স্মৃতিত
হিয়া-মন উচাতন!
বতৰে দিয়ে প্ৰেমৰ
সুন্দৰ আগমন
সহিব নোৱৰে দেহাই
অবুজ শিহৰণ!

কোনে জানো কৈছিল –
Love is the most
ingredient of success.
তোমাৰ হিয়াত বাৰু
অনুৰণন হৈছেনে
মোৰ হিয়াৰ আবাহন!

মোৰ ওচৰত
বন্ধকত থোৱানা
তোমাৰ হিয়াখন!
সুদ ল'বা
সঁচা মৰমৰ।
এপিয়লা সঁচা মৰমৰ
তোমাৰ হিয়াৰ পৰাও দিবা
সোঁৱৰণীৰূপে।
শুকাই যোৱা অষ্ঠ-কণ্ঠত
ফচল ধৰিব পুনৰ।।



তোমাৰ হিয়াতো জ্বলিছে জুই,
পোৰা গন্ধই
ব্যাকুল কৰিছে মোক।
তোমাৰ তেজগোৰা হাতৰ
কোমল পৰশত
মোৰ কলিজা শাঁত পৰিব,
সময়ৰ সোঁতত উটুৱাই দিবা
তোমাৰ জীৱন।।

❑❑





# তৰাৰে বুটা বছা আকাশখন

✍ স্মৃতা বৰুৱা
কলা শাখা
(অসমীয়া বিভাগ)

তৰাৰে বুটা বছা আকাশখনলৈ চাই
বিচাৰিছিলো ঃ আশাৰ সৰু সৰু পাপৰি।
পৃথিৱীৰ বক্ষত থকা
ফুল, নদী, জোনাকত বিচাৰিছিলো
নিজৰ অস্তিত্ব।
স্নিগ্ধ জোনাকত বহি
কথা পাতিছিলো,
বাৰিষাৰ কলিয়া ডাৱৰৰ স'তে।
উমলিছিলো পুৱা গধূলী
সুখ-দুখৰ স'তে।
কিন্তু তাৰ লগে-লগে
সাৰটিছিলো দুহাতেৰে দুখ-যন্ত্ৰণা।
প্ৰাত্যহিকতাৰ ভিৰ ঠেলি
এতিয়া সিঁহতেই মোৰ লগৰীয়া।
মোৰ বুকুৰ কুঠৰীত সিঁহতেই আঁকে
জীৱনৰ অলেখ ছবি।
আবুৰতাক ঢাকি সিঁহতে পিন্ধাই দিয়ে
সপোনৰ বুটা বছা সাজ।
শূণ্যতাৰ বাটত থিয় হৈ
আকাশক সুধিছো ............
আশাৰ পাপৰিবোৰক বাৰু
মিছিকিয়াবলৈ দিবানে তুমি?
আহিবানে মোৰ স'তে
সপোনৰ সাজ পিন্ধিবলৈ।
বুকু জুৰাই অনুভৱ কৰিবলৈ মন গৈছে
আজি তোমাৰ কাষত মোৰ অস্তিত্ব ..........
মাধৱী জোনালী নিশাৰ
মায়াময় সৌন্দৰ্য্যত
বিচাৰিম একেলগে
জীৱনৰ সেন্দুৰীয়া ৰং।
সাজিম একেলগ হৈ
সুখ-দুখ, প্ৰাপ্তি-অপ্ৰাপ্তিৰ স্বপ্নময় ৰংঘৰ। ❑❑

কবিতা

# অপেক্ষা ....... (তোমালৈ)

দিপাংকৰ বুঢ়াগোঁহাই
স্নাতক প্ৰথম বৰ্ষ
(কলাশাখা)

ভাগৰুৱা আত্মাৰ দৰে মাথো বিচাৰিছো
হেৰুৱা স্মৃতিৰ মাজত তোমাকে
তথাপি যেন পোৱা নাই
এবাৰ দিয়ানা দেখা
চাই লওঁ তোমাক
হওক বুলি পূৰ্ণ, শেষ জীৱনৰ
এই অন্তিম আভাক।
দিনকণাৰ দৰে ফুৰিছো বিচাৰি
কিন্তু পাইছো কত ঘাত-প্ৰতিঘাত
খাইছো মাথো উজুতি।
কত ঘূৰিছো ও ফুৰিছো
পাওঁ বুলি এবাৰি চেনেহৰ মাত .........
ইয়াৰ অবিহনে মাথো পালো মই
কলিজা দহি নিয়া এক জলন্ত উল্কাপাত।
প্ৰতিখন হৃদয় যেন আজি হৈ পৰিছে
পৈশাচিকত্বৰে ভৰা এক
নিস্তব্ধ শ্মশান;
ইয়াৰ প্ৰতিটো কবৰতে থাকে মাথো
কিছুমান অমানিশাৰ আন্ধাৰ সদৃশ দানৱ
সিহঁতৰ চিৎকাৰত যেন নিদ্ৰা হৰণ হয়,
চিৰশান্তি বিচৰা প্ৰতিটো আত্মাৰ।



অমানিশাৰ বিয়পি পৰা আন্ধাৰত
সিহঁত হৈ পৰিছে যেন পৈশাচিকৰ পৰা পৈশাচিক;
ওলাই অহা নিশাচৰ প্ৰণীকেইটাইয়ো যেন
জনাইছে মানুহৰ কেঁচা তেজেৰে .......
সিঁহতক সম্ভাষণ;
সিহঁতৰ বিৱৰ্ণ মুখত যেন
ফুটি উঠিছে লালসা তৃপ্তিৰ এক
বিকৃত ভৰা হাঁহি।
অপেক্ষাৰত যোগীৰ দৰে তথাপি
মই কৰিছো অপেক্ষা ..........
পাম বুলি তোমাক বিচাৰি
শেষ হ'ব হৃদয়হীন সেই দানৱৰ
লালসাৰে ভৰা তাৰ তৃপ্তিৰ হাঁহি
পুৱাৰ পোহৰে কৰিব অমানিশা দূৰ,
সেই পোহৰে মোৰ ভাগৰুৱা আত্মাকো
কৰিব শ্মশানৰ পৰা উদ্ধাৰ।□□



কবিতা

# উপলব্ধি দুঃসময়ৰ

আদিত্য বড়ো
স্নাতক প্ৰথম বৰ্ষ
কলা শাখা
(ৰাজনীতি বিজ্ঞান বিভাগ)

দেশৰ বাবেই হেৰাল
ফুল কুমলীয়া বহুতো জোন;
বৰ লাহি পাহি থুপুক-থাপাক।
তেজে ধোঁৱা নৈ বৈ গ'ল
বমি কৰিলে সূৰুযে
জুলুকা-জুলুকে
তেজে ধোৱা নিশা
প্ৰতিবাদৰ অপমৃত্যু
স্বাধীনতা কাৰ বাবে?
তেজৰ ধোঁৱাবোৰ নিৰ্মল আকাশত
বিলীন হৈ যায় .......
শগুনবোৰে ডেউকা মেলি কথা পাতে
মোৰ দেহাটো ক'ত উলোমাই থওঁ
ফাঁচিৰ কাঠত নে বন্দীশালত
নে উৰুখা পঁজাৰ ভিতৰত?



বুকুত অব্যক্ত বেদনাৰ বিপ্লৱী চেতনা
সূৰুযৰ অপেক্ষিত চিন্তাৰ টৌ ...
সেউজীয়া পথাৰখনত বন ফৰিঙৰ জাক
এতিয়া ইয়াত ৰ'দালিৰ লহৰ নাই
মৃদু বতাহত গছৰ পাতবোৰ নকঁপে
ফুলৰ সুবাস নাই
ক'ত সেই অৱতাৰী পুৰুষৰ আৱিৰ্ভাৱ!
ইয়াতেই নেকি?
মূৰেৰে খোজ কাঢ়ি ভৰিৰে কথা কোৱাৰ লগ্ন!
নুবুজা কবিতাত বুজাৰ বহু অৰ্থ
লুকাই থাকে মানুহৰ
সপোন দেখোঁ বিবেকী মনৰ
দাপোনত যেনেকৈ চাওঁ নিজৰেই
প্ৰতিবিম্ব।



□□

# তোমাৰ কোলাত

বিতুপন গগৈ
উঃ মাঃ দ্বিতীয় বৰ্ষ
বিজ্ঞান শাখা

তোমাৰ কোলাত প্ৰশান্তিৰ ছায়া
যাবলৈ খুজিও মই থমকি ৰওঁ,
দুহাতেৰে কাজঁলিয়ে কাজঁলিয়ে পান কৰো
প্ৰেমত অমৃত।

মৰমৰ চানেকিৰে আশাৰ ফুল বাছোঁ
শেতা পৰা কলিজাত গজি উঠে
বিষাদৰ পুলি।

আবেলিৰ গৰুজাকে উৰুৱাই নিয়া ধূলিত
সৃষ্টি হয় তোমাৰ প্ৰতিৰূপ,
ৰান্ধনি বেলিয়ে ছটিয়াই দিয়ে
কুমকুম আৰু আবিৰ।

হেঁপাহৰ গছডালত বগাবলৈ চেষ্টা কৰো
কিন্তু বৈ যাওঁ মাথোঁ ওপৰলৈ চাই।
কলমৰ চিঁয়াহীৰে মোৰ হাত ৰাঙলী
সাধনা কৰো জয়ী হ'বলৈ।

শেলে বিন্ধা বুকুত তোমাৰ আঙুলীৰ ছাপে
বিষাদৰ জুইয়ে ছাৰখাৰ কৰে
মোৰ কুমলীয়া দেহা।

সেয়ে কণমানি হৃদয়ে বিচাৰি যায়
তোমাৰ কোলাত প্ৰশান্তিৰ ছায়া,
যাবলৈ খুজিও থমকি ৰয়.
মাজত আছে বিশাল গিৰি শিলাময়।







# প্ৰকৃতি এটা স্তৱক

ময়ুৰী দেৱী
স্নাতক তৃতীয় বৰ্ষ
কলা শাখা
(অসমীয়া বিভাগ)

শুনিছা কেতিয়াবা
সেউজীয়া গছবোৰৰ মৃদু সংগীত
ফাগুনৰ পচোৱাৰ স্পৰ্শত যৌৱনপুষ্ট
গছবোৰৰ ৰাংঢালি নাছ।

নিৰ্বাক স্তব্ধ হৈ থাকিবাছোন
শুনিবা সেই সুললিত সংগীত
চাবা দেখিবা সেই ৰাংঢালী নাছ
কেনে সুন্দৰ।

মন মোহিনী প্ৰকৃতিৰ সেই সুন্দৰ নাছ
কিন্তু, কিমান দিন
সৰি যাব সেই সেউজীয়া পাতবোৰ
হালধীয়া হৈ এটি দুটিকৈ।



উকা হৈ ৰ'ব গছবোৰ নিষ্প্ৰানভাৱে
কিন্তু, কিন্তু! সেই বুলিয়েই জানো
নিঃস্প্ৰভ হ'ব প্ৰকৃতিৰ ৰাংঢালী ৰূপ।
নহয় পুনৰ হ'ব সজীৱ
পুনৰ হ'ব প্ৰকৃতি সজীৱ আৰু সেউজ।

কবিতা

# পাৰ্থক্য

✍ ননীমাধৱ ফুকন
উঃ মাঃ প্ৰথম বৰ্ষ
বিজ্ঞান শাখা।



তোমাৰ আৰু মোৰ মাজত
এটাই পাৰ্থক্য;
মই ৰৈ থাকো সুযোগ আহিব বুলি
আৰু সেই সুযোগ ৰৈ থাকে
এদিন তোমাক আৰু মোক
অকলশৰীয়াকৈ লগ পাম বুলি;
আৰু তুমি ৰৈ থাকা
এটা মাত্ৰ সময় আহকচোন বুলি
যি সময় ৰৈ থাকে
এদিন তোমাক আৰু মোক
কন্দোৱাই থৈ যাম বুলি।

□□

# বৰষুণ

✍ ননীমাধৱ ফুকন
উঃ মাঃ প্ৰথম বৰ্ষ
বিজ্ঞান শাখা।



তোমাৰ ঘৰৰ পদূলীত বহুত মানুহ
অহুকাণে পহুকাণে শুনিলোঁ
তোমাক নিবলৈ বহুত দূৰৈৰ পৰা মানুহ আহিছে
সেইদিনা ৰাতি ধাৰাষাৰ বৰষুণ দিয়া কথা
তুমি হয়তো নাজানা আৰু
বৰষুণৰ পানীয়ে তোমাক চুলেও তুমি অনুভৱ
কৰিব পৰা নাছিলা হ'বলা ;
বৰষুণৰ পানী মোৰ পঁজাটোৰ
কামিবোৰ আৰু খেৰবোৰৰ মাজেৰে বাগৰি সৰিছিল
আৰু মোৰ চকুৰ পতাদুখন তিয়াই দিছিল ;
এই পানীবোৰ মোৰ দুগালেদি বাগৰি
ধূলিৰ লগত মিলি
একো একোখন পানী জোলোঙা ঘৰ পাতিছিল ;
সেই ঘৰবোৰে কঁপা কঁপা মাতেৰে যেন
তোমাৰ কথাকে ক'বলৈ হাবিয়াস কৰিছিল
কিন্তু কোৱাৰ আগতেই সিঁহত ঢলি পৰিছিল ;
ওৰেটো নিশা মই
পানীঘৰবোৰৰ লগত কথা পাতিব বিচাৰিছিলো
অৱশেষত এটা পানী টুপোলাই
ঘৰ নাসাজি মোৰ কাণৰ কাষত থিতাপি লৈ ক'লে
"তোমাক সিপাৰে লৈ যাবলৈ
অজান দেশৰ পৰা মানুহ আহিছে।" □□



ESSAY

# TSUNAMI , VOLCANO , EARTHQUAKES , TORNADO

✍ *Sri Khanjan Kr. Boruah*
T.D.C 1stYear [Arts]

**1. TSUNAMI** :- Tsunami is a Japanese word that means "harbor wave ." It is in harbors that tsunami do the most damage . We sometime call tsunami tidal waves, though they are not caused by tides. Oceanographers call tsunami seismic ice waves.

**What actually is a tsunami ?**

It is a wave of water that sometimes follows earthquakes, volcanic eruption or underwater landslide . Not all tsunami are large or destructive in the sea because the Ocean bottom is so deep . But if as the wave gets closed to land, the ocean becomes shallower and begins to cause the wave to crest . Some tsunami can top 100 feet (30m) by the time they reach score . The largest tsunami was 212 feet (65m) high.

**How fast can tsunami travel ?**

In deep water, a tsunami can travel as fast as 600 mph. (1000 kmph) per hour . It is important to remember that a tsunami is usually made up of several waves moving together . The distance from the crest of one wave to the crest of another can be as much as 100 miles (160 Km)

**2. VOLCANO** :- We live on crust of rock that floats like a raft on the Sea of fluid magma . The earth'scrust isn't in one piece. It is cracked into dozen or more pieces called tectonic plates. Because the fluid mantle underneath is moving, so are the plates . And when they move , they either bump into each other, pull away from each other or scrape past each other. Volcanoes usually occur at the place where two plates meet and magma under pressure can be squeezed to the surface .

Volcanoes are a fascinating dangerous, powerful force on Earth . They need to be understood and respected because they are capable of monumental harm . They do what they want , when they want to.

Some of the poisonous gases that blasted out of an exploding volcano that is destructive to all things and living beings

(1) Carbon dioxide ($CO_2$) (2) Hydrogen fluoride (hf) (3) Hydrogen Sulphide ($H_2S$) (4) Sulphur dioxide ($So_2$) (5) Hydrogen chloride (HCL) .

When a volcano blasts rock fragments blasted out of it . They can from fast moving flows full of hot goes that are much more quickly destructive than molten lava follows and it is called pyroclastic . There are three types of volcanoes:

(1) **Dormant** :- Has erupted in the past and may erupt again, but is now erupting.

(2) **Active** :- Current erupting or Dormant.

(3) **Extinct**:- Has erupted for a very long period of time.

**How big are ERUPTIONS ?**

**Ans. :** The VEI (Volcanic Explosive Index) indicates how powerful an eruption is:

| VEI | Description | Plume Height | Classification | How Often | Example |
|---|---|---|---|---|---|
| 0 | Nonexplosive | <100m | Hawaiian | Daily | Kilavea |
| 1 | Gentle | 100-1000m | Hawaiian/Strombolian | Daily | Stromboli |
| 2 | Explosive | 1 - 5 km | Strombolian/vulcanian | Weekly | Galeras, 1992 |
| 3 | Severe | 3 - 15 km | Vulcanian | Yearly | Ruiz, 1985 |
| 4 | Cataeltsmic | 10 - 25 km | Vulvanian/Plinian | 10's of Year | Galunggung, 1982 |
| 5 | Paroxysmic | >25 km | Plinian | 100's of Year | Mt. St. Helens, 1980 |
| 6 | Colossal | >25 km | Plinian/Ultra-Plinian | 100's of Year | Knakatau, 1883 |
| 7 | Super-colossal | >25 km | Ultra-Plinian | 1000's of Year | Tambora, 1815 |
| 8 | Mega-colossal | >25 km | Ultra-Plinian | 10000's of Year | Yellow Stone 2.2 miolloin age |

**Some of the Deadliest eruptions of the world**

| Deaths | Volcano | When | Major Cause of Death |
|---|---|---|---|
| 92,000 | Tambora, Indonesia | 1815 | Starvation |
| 36,417 | Krakatau, Indonesia | 1883 | Tsunami |
| 29,025 | Mt. Pelee, Martinique | 1902 | Ash flows |
| 23,000+ | Ruiz, Columbia | 1985 | Mud flows |
| 14,300 | Unzen, japan | 1792 | Volcano Collapse, Tsunami |
| 9,350 | Laki, Iceland | 1783 | Starvation |
| 5,110 | Kelut, Indonesia | 1919 | Mud flows |
| 4,011 | Galunggung, Indonesia | 1822 | Mud flows |
| 3,500 | Vesuvius, Italy | 1631 | Mud flows, Lava flows |
| 3,360 | Vesuvius, Italy | 1679 | Ash flows on falls |

3. **EARTHQUAKES** :- Earthquakes happens when underground rock breaks, causing vibration and releasing huge amount of energy. The waves ripple through the earth, radiating out from the place where the rock broke moving the earth up and down forward and backward and side to side.

Different kinds of waves travel in distinct ways and at dissimilar speeds. Body waves travel through the body of the earth surface waves moves over the earth surface.

There are two kinds of body waves:

Primary and secondary. Primary waves, called P waves, are the fastest, so they are the first one we feel. Many people can hear P waves before they feel the rumbling and rattling. P waves moves the rock forward and backward, squeezing



and extending the rock.

The next wave we feel are secondary or S waves. Those waves shake the rocks up and down and from side to side. They often cause the most damage.

Predictions of where and when an earthquake will strike are impossible to make. There is still a lot of mystery that surrounds the invisible waves that began underground and force changes on the earth surface.

When reading about earthquakes, we set the term ' seismo' a lot. It comes from the Greek word 'seismos' which means earth- quakes. Scientist who study about earthquakes are called seismologists.

Seismologist measure the location and strength of quake vibrations using a seismograph. A seismographs's main part are a cylinder with paper around it a spring, a weight, and a pen one end of the spring is attached to at least one pole in the ground, while the other end has the weight with a pen stuck to it. The paper around the cylinder presses against the pen, turning and constantly recording earth quake caused invisible were motion in the earth. Everything in the seismograph move except the weight and its attached pen. The pen draws jagged lines called a seismograph on the shaking paper creating a record of ground activity.

The Richter scale, invented in 1935 by seismologist Charles F. Richter and Bero Gutenbarg mea sures quake magnitude or strength on a numerical scale. The bigger the number the more powerful the quake. On the Richter scale each step up in magnitude (from 4.0 to 5.0 for example uses 30 time more energy than the one below it. People barely feel a 2.0 while a 6.0 or higher magnitude quake is consider substantial.

| Magnitude | Description | Occurrences per year |
|---|---|---|
| 1.0 - 1.9 | Extremely Minor | About 8.000 |
| 2.0 - 2.9 | Very Minor | About 1.000 |
| 3.0 - 3.9 | Minor | Approximately 49.000 |
| 4.0 - 4.9 | Hight | Approximately 6.200 |
| 5.0 - 5.9 | Moderate | 800 |
| 6.0 - 6.9 | Strong | 120 |
| 7.0 - 7.9 | Major | 18 |
| 8.0 - hight | Great | 1 |

Italian seismologist Giuseppe Mercalli created the Mercalli Scale in 1902. Unlike the Richter Scale, his scale noted the observed effects of an earthquake on people and property. In 1931, American Seismologist Harry Wood and Frank Neumann developed the modified Mercalli Scale which is currently used in United States. Instead of using scientific measurement like a seismograph, the Mercalli Scale used 12 century observations to explain intensity. This scale used Roman numbers for its levels. These numbers do not corresponds with the numbers used in Richter Scale.

| Modified Mercalli Scale | What happens? |
|---|---|
| I | Most people do not notice. |
| II | Hanging objects may sway. |
| III | People indoors will fet movement but may not recognize as quake. |
| IV | Felt indoors some dishes and windows disturbed walls may creak. |
| V | Felt by most dishes and windows break, unstable, objects overturned. |
| VI | Felt by all heavy furniture moves plaster may fall. |
| VII | People may fall, walls may crack. |
| VIII | Heavy furniture falls over some walls crumble damage minimal to well built structures severe to poorly built structures. |
| IX | Heavy damage to all structures ; partial collapse possible. |
| X | Some wooden structures destroyed rails bent. |
| XI | Few if any masorry buildings remains standing, bridges destroyed. |
| XII | Total damage objects thrown into the air. |

Some of the 20th century most destructive quakes.

| Where | | Magnitude | Damage | Lives Lost |
|---|---|---|---|---|
| September 1, 1923 | Kwanto, Japan | 8.3 | Started Great Tokyo Fire | 1,43,000+ |
| May 22, 1960 | Southern Chile | 8.5 | $550 million to southern Chile resulting Tsunami caused $million damage in Hawaii, $50 million in Japan and $5,00,000 on the Western United States Coastline. | approx. 2000 in chile, 61 in Hawaii, 138 in Japan, 2 million made homeless. |
| February 9, 1971 | San Fernando, California, United States | 6.6 | More than $500 million | 65 |
| **Where** | | **Magnitude** | **Damage** | **Lives Lost** |
| July 27, 1976 | Tangshan, China | 8.0 | $5.6 million | 2,55,00 (with some estimates as high as 6,55,000); 80,00,000 injured |
| September 19, 1985 | Mexico City | 8.1 | More tan $4 billion | 9,500 |
| **Where** | | **Magnitude** | **Damage** | **Lives Lost** |
| December 7, 1988 | Spitak, Northern Armenia | 6.9 | $14.2 billion | 25,00056 villages destroyed |
| June 21, 1990 | Manjil, Northern Iran | 7.7 | Causes land slides; cost unknown; asked for $ 8.8 billion in International relief | 40,000; 1,05,000 homeless |
| January 17, 1995 | Kobe, Japan | 6.9 | $30 - $40 billion (with estimates as high as $150 billion) | 6,000; 3,50,000 homeless |



4. **TORNADO** :- On the afternoon of March 18, 1925 thousands of People in Missouri, Indiana and Illinois experienced one of the most devastating weather disaster on record. A huge, powerful tornado ripped across a section of the three states, completely destroying four towns, killing 695 people and injuring more than 2000 people.

With a path of destruction sometimes more than a mile wide, the tri State tornado was one of the largest in history. For most of its life, this tornado looked like a large thundercloud rather than a twisting funnel. People had very little if any advance warning and some never knew what hit them. The tornado ripped down phone lines as it passed, so there was no way for survivors to alert others.

There was no radar to detect the tornado, no computers to plot its probable path, and no TV or radio weather reports to warn people of the approaching storm.

Even today meteorologist are unable to measure a tornado's speed because of the intense violence of the winds in the funnel. After a tornado has passed its strength and size are determined by observing the type of damage it caused. The Fujita Tornado Intensity Scale ranks tornadoes and estimates their wind speeds according to their destructiveness. The tri State has been ranked as F5 Tornado.

In places where severe weather occurs frequently the national Weather service relies on a network of volunteers called spotters. Tornado spotters are amateurs who are trained to recognize tornado conditions and warning signs. When the NWS puts them on alert, they keep watch and reports any activities on telephone, cellphone or HAM radio.

Fujita Tornado Intensity Scale:

| Ranking | Wind Speed | Types of Damages |
|---|---|---|
| F0 | 40-72 mph. | LIGHT: Branches broken off trees shallow rooted trees pushed over, signs damaged, some windows broken. |
| F1 | 73-112mph | MODERATE: Roof surface peeled off, mobile homes over turned, moving cars pushed off roads, garages or shades destroyed, trees snapped or broken. |
| F2 | 112-157mph | SIGNIFICANT: Roofs torn off, mnobile homes demolished, box cars overturned, large trees broken or uprooted, light objects thrown through the air. |
| F3 | 158-206mph | SEVERE: Roofs and walls torn off, trains overturned, most trees uprooted, heavy cars lifted off the ground and tossed. |
| F4 | 207-260mph | DEVASTATING: Homes leveled, forest uprooted, cars thrown and disintegrated. Other heavy objects thrown. |
| F5 | 261-318mph | INCREDIBLE: Study homes carried large distance and disintegrated, steel-reinforced concrete buildings badly damaged cars and other heavy objects blown the distance of a football field, trees debarked. ☐☐ |

**WITH help from DISCOVERY CHANNEL and NATIONAL GEOGRAPHIC CHANNEL.**

ESSAY

# OUR VANISHING BIODIVERSITY

✍ *Chiranjib Kotoky*
B.Sc. Part - (I)

The variety and variability amongst the living organisms, ecological complexes, totality of genes, species, and ecosystem of a region is generally called biodiversity. But now the biodiversity of the world is threatened. According to an assessment done using IUCN (International Union For Conservation of Nature & Natural resources) Red list criteria on a total of 40,117 species, almost 40% (16,119) are now known to be threatened with extinction. Further, a total of 784 species have been officially declared extinct, 60 species are now found only either cultivated or kept in captivity. The total number of extinction has shown an increase from a total of 766 estimated in 2000.

According to an assessment report during the past 20 years (1984-2004) there have been a total of 27 species that have become extinct. A total of 10 additional species have become extinct in the wild since 2000 making a total of 60 in the year 2004. Out of these 10 species, three are from the Hawaiian island, two of which are plants. The rate of increase in the numbers of threatened species is alarming, from a total of 11,046 species in the year 2000, 15,589 in 2004 and 16,119 in 2006

Large - Scale rise in cthe member of Amphibian species is seen from 146 in 2000 to 1856 in 2004. A total of 5274 vertebrate and 1992 invertebrate species were listed as threatened in 2004. Further, 8321 plant species were also known to be threatened during the same assessment period. With a total of 5611 threatened plant species in 2000 Sudden increase in the number is seen since then. Though complete assessment was not done in all the categories due to lack of required information according to the 2004 Red list 21% of amphibian, 10% mammals and 5% of birds were identified as Endangered or critically Endangered.

A new method of assessing the amphibians and birds has been recently formulated by IUCN in the form of Red list Indices (RLIs). RLIs take into account the trends in extinction risk by comparing the conservation status of specific groups over time. According to the RLIS, the status of amphibians and birds has been deteriorating since the 1980 's. Birds were completely assessed in the year 1988 whereas the amphibians were completely assessed in 2004 (excluding the 23% which could not be assessed due to insufficient data) whereby it was revealed that they were the most threatened vertebrate group of animals today.

The main reasons behind the threat of extinction to these species are habitual destruction and degradation; deforestation and pollution; over exploitation by human for food, medicine, industrial raw materials, agriculture and etc.; introduction of destructive foreign species, and accidental or accidental mortality. Of late the bio-diversity of the world has been threatened. So we should try to project it. If it does not happen all plants and animals of the world will be extinct in few years. ❑❑



ESSAY

# SUNITA WILLIAMS

✍ *Miss Pinky Maliya.*
H.S.1st year

SUNITA, the great astronaut and a brave woman took birth in 19 Sep. 1965 in Euclid (Ohio) in America. Her father Deepak Pandiya was an Indian. She got married to Bonney Pandiya of Slovania. Her father Deepak Pandiya was a doctor by profession. After getting his degree from Gujrat University, he went to America in 1958. Sunita completed her high School education in Masasusetus and following her brother she took her degree by studying in Markin Navy Academy. Once again in 1943, Sunita took her degree from Navy Test Pilot School. One day students of Maryland Test Pilot School were taken to Jonson Space Centre, where Sunita and all her friends learnt about various planets and about space. This was the starting of Sunita's voyage to space. In June 1998, Markin Space Laboratory Association selected Sunita as an astronaut. After her study was over, She got the little of a brave astronaut.

In 9th Dec. 2006, Sunita alongwith some selected astronauts went to space from NASA (National Aeronautics and Space Administration) Florida Kennedy Space Centre in the space aircraft Discovery. They landed in International Space Station which was above 240 mile high from earth. Sunita broke many records in space. Firstly, She stayed in space approx. 194 days, 18 hours and 58 minutes. Secondly, She stayed in open space for about 29 hours, 17 minutes, which proved her a very brave woman. Ending all thoughts and dreams, Sunita Williams came around from the space to earth in 22 June 2007 at 1:19 A.M..

Beside these records in space, She also broke some records under water. She stayed 9 days in Gofeet of Atlantic Ocean. ❑❑

ESSAY

# ENGLISH LANGUAGE : LEARNING AND TEACHING



✍ *Miss Mandita Rajkumari*
**T.D.C. 1st Year (Arts)**

It is easy to be a teacher , but it is difficult to teach teaching is both an art and Science . While a few teachers are naturally gifted to teach English , many how to learn the techniques of learning . A good teacher should know his pupils, their emotional status and adapt his techniques to suit them and help learning.

English is a skill oriented subject . A bad teacher would teach it as a knowledge or content subject like history or physics . In schools there are no staff meeting to discuss these academic matters , so there is no self improvement year-after-year the pupils do not get good coaching from such teachers . They are not motivated to learn second language . So they short cuts to pass the examination . They cram bazar notes and guides and products them in the exam . However it should be mentioned that the teachers are not only responsible for the poor learning of the students . There are some other reasons which are equally responsible for the inability of the students to learn English . First , our large and crowded classroom and inconvenient seating arrangements prevent effective oral work in English. Secondly , many schools do not have adequate teaching aids .Thirdly , the syllabus in English , formulated years ago is very heavy for today's learners. In short, there are no adequate facilityfor training teachers in teaching English.

The teacher of English in India has to overcome many problems if his teaching of the foreign language is to be effective . For students , the skill of listening , speaking , reading and writing are very important . The teacher should be able to impart these skill during a six course at the school . In order to make the pupils well versed in listening skill they should be trained to listen to the teachers. For this purpose the teachers should perfect their own language by listening to standard spoken English . They should remember that their pupils spoken English will be not better than their English. When the pupils have acquired a good number of words it is time for them to acquire speech skill . The teacher should advise them to read aloud, reading aloud helps them to learn sounds and stresses . The teacher can point out mistake and correct their students as they read aloud . Role play is liked by children immensely . They have to act the part of different characters in a play or a story . Dialogues in a story are the most natural way of making them to speak .

**" Experience is an arch where through Gleams the untravelled world "**

Books are our never failing friends . In order to know the world we should read a large number of good books. The school student will benefit immensely if he is trained to read English through different stages of his education . He will for ever cherish the reading habit and enrich his life with people's experience recorded in books . So , the school students have to be trained to read English correctly .

**" Writing maketh on exact man "**

--- said Bocan. English writing occupies an important place in school teaching . Our students are examined not orally , but through . Our students are examined not orally , but through writing . It helps us to record our thoughts and accurately . So , the teachers should teach their students writing , starting from the mechanics to a fairly advanced type of free composition .

The most important thing , beside the four skills , is the English Grammar . It consists of rules and definitions. Broadly there are two methods of teaching grammar - Deduction and Inductive . Deductive method may be used with older children . This method insists on rules first and examples later . The inductive method makes the pupils think for themselves and take part in language learning .

Vocabulary also forms an important part of a language . For the untrained teacher the overgrowing vocabulary of English causes bewilderment . The teaching of vocabulary should be through and systematic.

Teaching English in a large class is a big problem. A good teacher will divide the class of 60 say into 6 groups of ten each . The seating arrangement in our schools are suitable only for one person talking and the other listening. But the language is not learnt in this way . Children must be divided into small groups , each groups of the same ability with a teacher they seated in circle and asked to practise a structure , discuss and write a composition together or plan a small project . The teacher should have an eye on the weak student . The teacher should make a periodic appraisal of the teaching learning process by means of informal tests and unit test .

In spite of good learning the rate of learning English will be different for different pupils . In a mass education system with large classes , individual attention is impossible in the test and examination there are also chronic slow learners who need special teaching use to be thought. One finds as one goes along the school year pupils committing a numbers of mistakes in English . Whatever be the reasons , the teacher will have to reckon with variety of errors and plan how to remove them . Mistake should be corrected the moment they are made in the course of teaching .

Finally we may sum - up that a teacher should know the psychology of his students - individual and group and adopt his techniques to suit their likes and dislikes . He should have a lasting interest experience which he can draw upon to make his teaching purposeful and creative .❑❑

⇨ "Life would become very dull and colorless if we don't have these magnificent animals and birds to look at to play with ."
-------- Jawaharlal Nehru

⇨ When you are right no one remembers
When you are wrong no one forgets .
-------- Irish Proverb

ESSAY

# RELIGION

✍ *Miss Sunny Bawri*
H.S. 2nd Year (Arts)

All people in all places from the beginning of the human race, believed that there are forces within and around them that were superior to them. They could not understand many things that were happening around them. They tried to find rational explanation for everything related to their life and death. When they could not find one, they thought it was done by the forces superior to them. This we could say is the beginning of religion.

Religion forms an essential element in our very definition of man. When scientists discover the bones of some ancient specials in order to decide whether they were human are not they try to find out, for examples, what these beings did with the bodies of their dead. Animals do not do anything special to dipose of the bodies of the dead members of their species. All human, even the most primitive showed respect for the body their dead member and disposed of it with some ceremony or another.

No one knew what happens to a person after he dies. No one knew what relationship the dead person had with the super human beings. They did not understand what relationship the dead person may still have with the living. They could not tell what needs the dead person may continue to have in his life after death.

People tried to find answer to all these question. It is natural that people living in different places come up with different explanations. Based on these explanation they also come up with suitable ceremonies for the proper disposal of the bodies of their dead. The ceremonies associated with the disposal of the body of our dead form a part of the practice of all religions.

Death and what happens to us after death constitute only one small element among a vast body of phenomena around us for which we do not have a relation explanation with scientific proofs to back it.

**Here are some examples:**

